● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

**দিগ্‌দৰ্শন**

প্ৰেম কেতিয়াও পূৰ্ণতা নহয়। জীৱন কাহানিও অন্তহীন সুখ নহয়। কোনো স্বৰ্গ নাই। যুঁজ আৰু হাঁহি আৰু তিক্ত অনুভৱ আৰু সুখানুভূতি আৰু পুনৰ যুঁজ। এয়ে জীৱন।

ডি এইছ লৰেন্স
*ইংৰাজ সাহিত্যিক*



www.dainikagradoot.in

৭ পূব ইউৰোপলৈ সেনা প্ৰেৰণ কৰিব আমেৰিকাই
১৫ মান্ধানালৈ আইচিচিৰ বৰ্ষশ্ৰেষ্ঠ বঁটা
৪ অসম-মেঘালয়ৰ সীমাবিবাদ মীমাংসাৰ প্ৰয়াস

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১০৮তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১১ মাঘ ১৪২৮ ভাস্কৰাব্দ ২৫ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 25 January 2022 মূল্য ঃ ৯.০০ টকা

## ডাঙৰ কাম

■ সঞ্জীৱ সভাপণ্ডিত



১৯৩২ত এজন তামিল মানুহে টলষ্টয়ৰ তিনিটা গল্প তামিল ভাষালৈ অনুবাদ কৰিছিল। সেইখিনি তেতিয়াৰ মাদ্ৰাজ প্ৰেছিডেন্সীৰ স্কুলৰ পাঠ্যপুথিত সন্নিৱিষ্ট হৈছিল।

তাৰ পাছত দেশত স্বাধীনতা আন্দোলনৰ ভৰপক উঠিল। তাৰ পাছত দেশ স্বাধীন হ'ল। তাৰ পাছত ৰাজ্যবিলাকৰ পুনৰ্গঠন হ'ল। তাৰ পাছত দেশৰ শিক্ষা ব্যৱস্থা সলনি হ'ল। তাৰ পাছত দেশৰ বিভিন্ন ঠাইত বিভিন্ন পাঠ্যপুথিৰ প্ৰৱৰ্তন হ'ল। সেই কিতাপ পাঠ্যপুথিৰ পৰা আঁতৰ হ'ল। *১০ পৃষ্ঠাত চাওক*




*২০২১ বৰ্ষৰ অসম সৌৰভ আৰু অসম গৌৰৱ বঁটাপ্ৰাপকসকলৰ স'তে ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰী, শংকৰদেৱ কলাক্ষেত্ৰত সোমবাৰে।*

**গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ উপস্থিতিত প্ৰদান কৰিলে ৰাজ্যপালে**

## সমাজ জীৱনৰ বাটকটীয়া ১৯জনক সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** মানৱ সেৱা, লোকসেৱা, স্বাস্থ্য, শিক্ষা, উদ্যোগ আৰু কৃষি ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়াই অহা ৰাজ্যৰ ১৯গৰাকী বিশিষ্ট ব্যক্তিক আজি সৰ্বোচ্চ ৰাজ্যিক অসামৰিক সন্মান প্ৰদান কৰা হয়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল জগদীশ মুখীয়ে এই বঁটাসমূহ নিৰ্বাচিত ব্যক্তিসকলক অৰ্পণ কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ পৰা আৰম্ভ কৰা ৰাজ্য চৰকাৰৰ এই সৰ্বোচ্চ সন্মান 'অসম বৈভৱ' বঁটা বিশ্বপ্ৰসিদ্ধ উদ্যোগপতি ৰতন নৱল টাটাক প্ৰদানৰ বাবে বাছনি কৰা হৈছিল যদিও আজি বিশেষ কাৰণত তেওঁ উপস্থিত থাকিব নোৱাৰিলে। ইপিনে, দ্বিতীয় সৰ্বোচ্চ *১০ পৃষ্ঠাত চাওক*

**■ ১৭খন আসনত জয়ী বিজেপি-অগপৰ প্ৰাৰ্থী ঃ মাত্ৰ চাৰিখনতে সন্তুষ্ট থাকিল কংগ্ৰেছ ■ এখন আসন নিৰ্দলীয়ৰ দখলত ■ গোলাঘাট জিলাৰ আসন ভাগ হ'ল তিনি দলৰ মাজত**

## ঠেঙাল কছাৰীত মিত্ৰজোঁটৰেই জয়জয়কাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** প্ৰত্যাশা অনুযায়ীয়ে ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদ দখল কৰিলে বিজেপি-অগপৰ মিত্ৰজোঁটে। আজি যোৰহাট, গোলাঘাট, লখিমপুৰ আৰু ডিব্ৰুগড় জিলাৰ ২১টা পৰিষদীয় সমষ্টিৰ নিৰ্বাচনৰ ভোটগণনা শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। বিজেপি-অগপ মিত্ৰজোঁটে এই নিৰ্বাচনত নিৰংকুশ বিজয় সাব্যস্ত কৰে। যোৱা ২০ জানুৱাৰীত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুঠ ২২খন আসনৰ ভিতৰত ২১খনত নিৰ্বাচন অনুষ্ঠিত হৈছিল। এখন আসনত বিজেপিৰ প্ৰাৰ্থীয়ে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিল। আজিৰ ভোটগণনাৰ অন্তত বিজেপি-অগপৰ মিত্ৰজোঁটে মুঠ *১০ পৃষ্ঠাত চাওক*



## ১৫৬ পৃষ্ঠাৰ অভিযোগনামাত ৰৌণক-পত্নীসহ তিনিজনক অভিযুক্ত

আয়তকৈ ১৮২.১৯ শতাংশ অধিক সম্পত্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী,২৪ জানুৱাৰী ঃ** আয় বহিৰ্ভূত সম্পত্তি আহৰণৰ অভিযোগত বিগত বৰ্ষৰ পাঁচ অক্টোবৰত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰা নিলম্বিত *১৩ পৃষ্ঠাত চাওক*

**■ দুৰ্গম সীমান্তৰ অসমীয়া গাঁও বাখালাপাৰা-বাটাবাৰী-জিমিৰ লুংকুংবাসীৰ ক্ষোভ ■ গাঁওবাসীৰ পণ ঃ অসমীয়াৰ পৰিচয় জীয়াই ৰাখিম ■ সমস্যা সমাধানৰ প্ৰক্ৰিয়াক আদৰণি জনাইও সকীয়নি**

# অসম-মেঘালয় সীমান্তত ক্ষোভৰ জুই





**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** অসম-মেঘালয় সীমান্তৰ এখন গাঁও বাখালাপাৰা। ৰূপে-গুণে, ফলে-ৰসে অসমীয়া গাঁও বাখালাপাৰা। সীমান্তৰ অতিকৈ দুৰ্গম অঞ্চলত অৱস্থিত যদিও বাখালাপাৰাৰ প্ৰাকৃতিক সৌন্দৰ্যত অতুলনীয়—যেন কোনো বিখ্যাত শিল্পীৰ তুলিকাৰ পৰশত প্ৰাণ পাই উঠা এক যুগজয়ী 'পেইণ্টিং'। আচলতে নৰানিৰ মাজে মাজে, কল, কমলা, তামোলৰ শাৰী শাৰী বাগানৰ মাজে মাজে বাখালাপাৰা উদ্দেশি গৈ থাকোতেই ৰুদ্ৰ বৰুৱাৰ বিখ্যাত গান 'পকা ধানৰ মাজে মাজে সৰু সৰু আলি ঐ, সৰু সৰু আলি' গীতটো কাষৰ সৰু সৰু টিলাবোৰৰ পৰা ভাহি অহা যেন অনুভৱ হয়। আজি এইখন বাখালাপাৰাতেই উমি উমি জ্বলি আছে প্ৰতাৰণাৰ জুই। অগ্নিদগ্ধ হৈ যন্ত্ৰণাত কেঁকাই থকাৰ দৰে ছটফটাইছে আজি গাঁওবাসীয়ে। কিয়নো অসম-মেঘালয়ৰ সীমা পুনৰ নিৰ্ধাৰণৰ ফলত বাখালাপাৰাসহ কে'বাখনো অসমীয়া গাঁও অন্তৰ্ভুক্ত হ'ব পাৰে চুবুৰীয়া মেঘালয়ত।

আচলতে ৰাজ্যৰ ৰাজধানী দিছপুৰৰ পৰা কামৰূপ জিলাৰ মিৰ্জা চহৰ হৈ আৰু মিৰ্জাৰ পৰা মণিয়াৰী, বৰদুৱাৰ, গাড়ীচ'ক হৈ বাখালাপাৰালৈ দূৰত্ব ৭০ৰ পৰা ৮০ কিলোমিটাৰ। মহানগৰীৰ দাঁতিকাষৰীয়া ৰাণী হৈয়ো বাখালাপাৰালৈ যোৱাৰ বিকল্প পথ আছে যদিও তুলনামূলকভাৱে মিৰ্জা হৈ যোৱা পথছোৱা যানবাহনৰ বাবে অধিক সুচল। *১৩ পৃষ্ঠাত চাওক*

## ২৫ মাৰ্চৰ পৰা মেট্ৰিক, চাৰি লাখ ৩২ হেজাৰ পৰীক্ষাৰ্থী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** ক'ভিডৰ বাবে বিগত বৰ্ষত পৰীক্ষা অনুষ্ঠিত কৰিবলৈ সক্ষম নোহোৱা তথা কেৱল নম্বৰ মূল্যায়ন পদ্ধতিৰে ফলাফল ঘোষণা কৰা অসম মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ *১০ পৃষ্ঠাত চাওক*

**■ নগাঁও আৰক্ষীৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ ■ 'নগাঁও আৰক্ষী গ'বেক', 'আনন্দ মিশ্ৰ হায় হায়' ধ্বনিৰে ৰাজপথ কঁপাইছে প্ৰতিবাদকাৰীয়ে ■ নগাঁৱলৈ সোঁত বৈছে ৰাজনৈতিক নেতাৰ**

## ৰাজপথ অৱৰোধ কৰিলে ক্ষুব্ধ ছাত্ৰ-ছাত্ৰীয়ে

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ জানুৱাৰী ঃ** নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা প্ৰাক্তন ছাত্ৰনেতা কীৰ্তিকমল বৰাক ড্ৰাগছ সৰবৰাহকাৰী সজাই ভুৱা সংঘৰ্ষ ৰচনা কৰি গুলীয়াই গুৰুতৰভাৱে আহত কৰা ঘটনাৰ বিৰুদ্ধে আজিও উত্তাল হৈ আছে নগাঁও চহৰ। আৰক্ষীৰ কুকীৰ্তিৰ অভিযোগত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি বিক্ষুব্ধ ৰাইজে ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰে। ঘটনাৰ আগলৈ নগাঁও জিলাৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ প্ৰশংসাত মুখৰ হৈ থকা নগাঁৱা ৰাইজে *১০ পৃষ্ঠাত চাওক*



## অষ্টম শ্ৰেণী পৰ্যন্ত ৰাজ্যৰ সকলো জিলাত পাঠদান বন্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** ৰাজ্যৰ সকলো জিলাতে পৰৱৰ্তী নিৰ্দেশ জাৰি নকৰা পৰ্যন্ত অষ্টম শ্ৰেণীলৈকে শ্ৰেণীকোঠাৰ শিক্ষাদান বন্ধ কৰা হৈছে। এই শিক্ষানুষ্ঠানসমূহৰ পাঠদান অনলাইনযোগে *১৩ পৃষ্ঠাত চাওক*

**■ উচ্চ ন্যায়ালয়ৰ অনুমতি প্ৰদান আয়োগক**

## যোগ্যতা নিৰূপক অসমীয়া প্ৰশ্নকাকতৰ অবিহনেই হ'ব এপিএছচি পৰীক্ষা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ আগষ্ট ঃ** অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ যোগ্যতা নিৰূপক বাধ্যতামূলক ভাষাৰ প্ৰশ্নকাকতৰ অবিহনেই ২০২০ বৰ্ষৰ মূল পৰীক্ষা অনুষ্ঠিত কৰিবলৈ আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে আয়োগক অনুমতি প্ৰদান কৰিলে। উল্লেখ্য যে যোৱা ২৪ নৱেম্বৰত বঙাইগাঁৱত অনুষ্ঠিত হোৱা ৰাজ্যিক কেবিনেটে এপিএছচি পৰীক্ষাৰ বাধ্যতামূলক যোগ্যতা নিৰূপণ ভাষা প্ৰশ্নকাতত প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ফলত অসমীয়া ভাষাৰ প্ৰশ্নকাকতখন প্ৰত্যাহাৰ কৰাক লৈ ৰাজ্যজুৰি ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল। বিভিন্ন ব্যক্তি তথা দল-সংগঠনে এনে সিদ্ধান্তৰ বিৰোধিতা কৰি *১৩ পৃষ্ঠাত চাওক*


**■ পথাৰত কাম কৰিবলৈ তম্বু তৰি আছিল**

## বাইহাটাত নিশাৰ আহাৰ গ্ৰহণৰ পাছতে তিনি শ্ৰমিকৰ অস্বাভাৱিক মৃত্যু



**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি/ দুমুনীচকী, ২৪ জানুৱাৰী:** কামৰূপ জিলাৰ বাইহাটা *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৩° | ১৩° |
| ডিব্ৰুগড় | ২০° | ১২° |
| দিল্লী | ১৫° | ০৭° |
| কলকাতা | ২২° | ১৬° |
| মুম্বাই | ২৪° | ১৭° |
| চেন্নাই | ২৯° | ২৪° |
| বাংগালুৰু | ২৮° | ১৭° |
| শ্বিলং | ১৪° | ০৬° |

*২৪ জানুৱাৰী, ২০২২*

## চেঙা তেল



*অ' আপুনিহে! মই আকৌ সম্পত্তিৰ হিচাপ বিচাৰি ই ডি আহিল বুলিয়ে ভাবিছিলো!*



**বিলাসী যানবাহনৰ আগ্ৰাসনেও তলাব পৰা নাই নবীন বৰুৱাক**

## ৮০ বছৰ বয়সতো দুৰন্ত তৰুণ চাইকেলেৰে ভ্ৰমিছে দূৰ দূৰণিৰ ঠাই

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৪ জানুৱাৰী ঃ** ৮০ বছৰ বয়সে গৰকা এজন দুৰন্ত তৰুণ। নাম নবীন বৰুৱা। বয়সৰ লেখেৰে যি সময়ত আন ১০জনক বাৰ্ধক্যই হাত বাউলি দিছে, তেনে সময়তো শিৱসাগৰ জিলাৰ চাৰিং জৰাধৰা গাঁৱৰ নবীন বৰুৱাই বাৰ্ধক্যক প্ৰত্যাহ্বান জনাই নিতৌ এখন সাধাৰণ বাইচাইকেলেৰে ঘূৰি ফুৰিব পৰাৰ ক্ষমতা অক্ষুন্ন ৰাখিছে শৰীৰত। দৈনিক ৭০ কিলোমিটাৰৰো অধিক দূৰত্ব চাইকেলেৰে বিভিন্ন কামত ভ্ৰমণ কৰি ফুৰা ৮০ বছৰীয়া বৰুৱা সেয়ে চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে অঞ্চলটোত। 'দৈনিক অগ্ৰদূত'ক বৰুৱাই কয়, 'চাইকেলখন পুৰণিকলীয়া বাহন হ'লেও ই শৰীৰৰ বাবে উপকাৰী। ৰোগ-ব্যাধি নাইকিয়া কৰে। সেয়ে মই আজিও নিৰোগী হৈ থাকিবলৈ সক্ষম হৈছো। চাইকেলখন এৰিলেই মই ৰুগীয়া হৈ পৰিম। মোৰ বয়সৰ বহুত এতিয়া এই সংসাৰত নাই। যি কেইজন আছে *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৫ জানুৱাৰী, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি



# বুৰঞ্জীবিদ, সাহিত্যিক দিলীপ বুঢ়াগোহাঁই বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**শিমলুগুৰি/টিংখাং, ২৪ জানুৱাৰী ঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বুৰঞ্জীবিদ, সাহিত্যিক, প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ প্ৰাক্তন সভাপতি, শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ নাগৰিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া দিলীপ কুমাৰ বুঢ়াগোহাঁইৰ (৭৮) আজি বিয়লি তিনি বজাত গড়গাঁৱৰ নিজ বাসগৃহত মৃত্যু

*ছয় পৃষ্ঠাত চাওক*

■ নগৰবেৰাৰ টুপামাৰী আৰক্ষী চকী ঘেৰাও শ শ ক্ষুব্ধ লোকৰ ■ সুৰাপান কৰি নিশা নিৰীহ শ্ৰমিকক মাৰধৰ

# আৰক্ষী বিষয়া বদলিৰ দাবী ক্ষুব্ধ ৰাইজৰ



**আলোপতি, ২৪ জানুৱাৰী ঃ** জনতাৰ দীৰ্ঘদিনীয়া পুঞ্জীভূত ক্ষোভৰ আজি বহিঃপ্ৰকাশ ঘটিল কামৰূপ জিলাৰ নগৰবেৰাত। নগৰবেৰাৰ টুপামাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণকান্ত দাসৰ কৰ্মকাণ্ডত অতিষ্ঠ হৈ পৰা অঞ্চলটোৰ কে'বাশ লোকে আজি পুৱাই আৰক্ষী চকী ঘেৰাও কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। নগাঁৱত আৰক্ষীৰ গুলিচালনাত এজন ছাত্ৰ নেতা গুলিবিদ্ধ হোৱাৰ ঘটনাক লৈ আৰক্ষীৰ বিৰুদ্ধে ৰাইজে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ সময়তে পুনৰ নগৰবেৰাত আজি আৰক্ষীৰ বিৰুদ্ধে ৰাইজে গ্ৰহণ কৰা এই কাৰ্যই সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ্য যে ভাৰপ্ৰাপ্ত বিষয়া দাসৰ বিৰুদ্ধে সম্প্ৰতি ক্ষোভত ফাটি পৰিছে স্থানীয় লোক। যোৱা নিশা টুপামাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে সুৰাপান কৰি অঞ্চলটোৰ একাধিক শ্ৰমিকক অনাহকত মাৰধৰ কৰাৰ অভিযোগ উত্থাপিত হৈছে। প্ৰায়ে আৰক্ষী বিষয়াজনে সুৰাপান কৰি অনাহকতে সাধাৰণ জনতাক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উঠি আহিছে বিষয়াজনৰ বিৰুদ্ধে। যাৰ বাবে বিষয়াজনৰ বিৰুদ্ধে

*ছয় পৃষ্ঠাত চাওক*

# প্ৰবীণ নাট্যকাৰ, অভিনেতা, খেলুৱৈ-অৱসৰপ্ৰাপ্ত শিক্ষক ৰত্নেশ্বৰ নাথৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২৪ জানুৱাৰী ঃ** এসময়ত তেজপুৰৰ লগতে শোণিতপুৰৰ বিভিন্ন প্ৰান্তত নাটকত অভিনয় তথা নাট ৰচনাৰে সাংস্কৃতিক ক্ষেত্ৰখনক গতিশীল কৰি ৰখা তথা দৰং মহাবিদ্যালয়ৰ এজন শ্ৰেষ্ঠ খেলুৱৈ, অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজসেৱক ৰত্নেশ্বৰ নাথ (৭৭ ) ৰ আজি পুৱা বিয়োগ ঘটাত গভীৰ শোকৰ ছাঁ পৰিছে। দেউকণ নামেৰে ঘনিষ্ঠ মহলৰ মাজত পৰিচিত এইজন বহুমুখী প্ৰতিভাধৰ ব্যক্তিৰ ১৯৪৫ত তেজপুৰৰ দ বেছেৰীয়াত জন্ম হৈছিল যদিও পৰৱৰ্তী সময়ত তেওঁ তেজপুৰৰ বাসন্তীপুৰত স্থায়ীভাৱে বসবাস কৰিবলৈ লয়। তাহানিতেই গ্ৰাম্য অঞ্চলত নাটকৰ প্ৰসাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰা নাথে 'অস্ত আকাশৰ ৰং, নতুন আকাশ, নতুন পৃথিৱী' আদি বহুসংখ্যক নাটকত অভিনয় কৰা এইজন নাট্যকাৰ, অভিনেতা, এজন কৌতুক অভিনেতাৰূপে প্ৰখ্যাত আছিল। তেজপুৰৰ বেছেৰীয়া, পৰ্বতীয়াৰ লগতে ডিপোতা, বিহগুৰি,

*ছয় পৃষ্ঠাত চাওক*

**প্ৰাপ্যৰ দাবীত পহিলা ফেব্ৰুৱাৰীত অৱস্থান ধৰ্মঘটৰ ঘোষণা**

# সৰ্বশিক্ষাৰ টে'ট উত্তীৰ্ণ শিক্ষকসকলক শিক্ষা বিভাগে প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** 'শিক্ষা বিভাগ তথা সৰ্বশিক্ষাই ৰাজ্যপালৰ নিৰ্দেশনা ভংগ কৰি প্ৰাপ্যৰ পৰা বঞ্চিত কৰি ৰাখিছে ঠিকাভিত্তিক প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষকসকলক।' এই অভিযোগ টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ। আজি গুৱাহাটী প্ৰেছ ক্লাৱত অনুষ্ঠিত এক সংবাদমেল সম্বোধন কৰি শিক্ষক সমাজে এই অভিযোগ উত্থাপন কৰে। সংবাদমেলত সমাজৰ নেতৃত্বই ২০১২ৰ পৰা প্ৰায় ৪০ হেজাৰ শিক্ষকে বৰ্ধিত মৰগীয়া বানচ, বকেয়া, মেডিকেল, ৰিম্বাৰ্চমেণ্টৰ সুবিধাৰ পৰা বঞ্চিত হৈ অহা বুলি সদৰী কৰে। তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত শিক্ষা বিভাগ তথা শিক্ষা মন্ত্ৰীৰ কোনো সদিচ্ছা নাই বুলি অভিযোগ তুলি ইয়াৰ বাবেই বাধ্য হৈ অহা পহিলা ফেব্ৰুৱাৰীত ৰাজ্যজুৰি অৱস্থান ধৰ্মঘট কৰিবলৈ টে'ট শিক্ষকসকলে সাজু হৈছে বুলি সদৰী কৰে। সংবাদমেলত সমাজৰ সাধাৰণ সম্পাদক মিৰাজুল ৰছিদে কয়, 'শিক্ষাৰ অধিকাৰ আইনৰ অধীনত নিযুক্তিপ্ৰাপ্ত সৰ্বশিক্ষাৰ অন্তৰ্গত প্ৰাথমিক টে'ট উত্তীৰ্ণ শিক্ষকসকলক ২০১৩ৰ পৰা আৰঅ'পি অনুযায়ী দৰমহা প্ৰদান কৰা হৈছিল। ২০২০ৰ পহিলা জুলাইত অসম চৰকাৰৰ কেবিনেট সিদ্ধান্ত অনুসৰি ৰাজ্যপালৰ এক নিৰ্দেশনা প্ৰকাশ পাইছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে শিক্ষা বিভাগ তথা সৰ্বশিক্ষাই উক্ত নিৰ্দেশনাক ভংগ কৰিছে। আমি পদে পদে শিক্ষা বিভাগ আৰু চৰকাৰৰ পৰা বঞ্চিত হৈ আহিছো। চৰকাৰ, শিক্ষা বিভাগ, শিক্ষা সঞ্চালকৰ লগত দাবীসমূহক লৈ বহুবাৰ বৈঠক হৈছে যদিও সফল হোৱা নাই। আমাৰ স্পষ্ট দাবী যে সৰ্বশিক্ষাৰ অধীনৰ ঠিকাভিত্তিক শিক্ষকসকলক অতিশীঘ্ৰে নিয়মীয়াকৰণ কৰি সমস্যাসমূহ সমাধান কৰক।' এই দাবী লৈ প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত শিক্ষকসকলে পহিলা ফেব্ৰুৱাৰীত প্ৰতিখন জিলাৰ মিছন সমন্বয়কৰ কাৰ্যালয়ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি সদৰী কৰে সাধাৰণ সম্পাদকজনে। ইয়াৰ পাছতো শিক্ষকসকলৰ দাবীসমূহ মানি নল'লে পৰৱৰ্তী সময়ত গুণোৎসৱকে ধৰি প্ৰতিটো চৰকাৰী কাৰ্যসূচীৰ পৰা বিৰত থকাৰ লগতে তীব্ৰতৰ

*ছয় পৃষ্ঠাত চাওক*

# বৌতাৰ টেংকাৰ-ট্ৰাকৰ সংঘৰ্ষত থিতাতে নিহত দুই



**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৪ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ বৌতা আৰক্ষী থানাৰ অধীনৰ লালপুল আৰক্ষী চকীৰ অন্তৰ্গত সৰ্বহেৰুৱাত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি পুৱা সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। গেছভৰ্তি টেংকাৰ আৰু ট্ৰাকৰ মাজত সংঘটিত পথ দূৰ্ঘটনাত থিতাতে দুয়োখন বাহনৰ চালকৰ মৃত্যু হোৱাৰ লগতে আহত হয় দুজন হেণ্ডিমেন। লগে লগে ঘটনাস্থলীত লালপুল আৰক্ষী থানাৰ আৰক্ষীয়ে উপস্থিত হৈ নিহত দুই চালকৰ মৃতদেহ উদ্ধাৰ কৰাৰ বিপৰীতে আহত হেণ্ডিমেনদ্বয়ক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে দুৰ্ঘটনাগ্ৰস্ত বাহন দুখনৰ ভিতৰতে বহুসময় আবদ্ধ হৈ থাকে লোককেইজন। পাছত ৰিক'ভাৰী বাহনৰ জৰিয়তে দুয়োখন বাহন আঁতৰাইহে চালক দুজনৰ মৃতদেহ উদ্ধাৰ কৰিবলগীয়া হয় আৰক্ষীয়ে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে জানিবলৈ দিয়া মতে পুৱা প্ৰায় ৬-৩০ বজাত বৌতা অভিমুখী এ এছ ২০-চিচি ৯৬৩৯ নম্বৰৰ গেছ ভৰ্তি টেংকাৰ আৰু মঙলদৈ অভিমুখী এন এল ০১- কে ৪২২৩ নম্বৰৰ

*ছয় পৃষ্ঠাত চাওক*

**গোৱালপাৰাত প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্বৰ্ধনা অনুষ্ঠান**

# চমকেৰে শিক্ষা বিভাগ চলালে ধ্বংস হ'ব জাতিৰ ভৱিষ্যৎ ঃ গোস্বামী



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৪ জানুৱাৰী ঃ** 'শিক্ষা এক ধাৰাবাহিক প্ৰক্ৰিয়া। ইয়াত চমক সৃষ্টিৰ স্থান নাই। পদ্ধতিগত অনুশীলন নকৰি কেৱল চমকেৰে শিক্ষা বিভাগ চলালে জাতিৰ ভৱিষ্যৎ ধ্বংস হোৱাটো নিশ্চিত।' গোৱালপাৰা জিলাৰ শোলমাৰীত আজি অনুষ্ঠিত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানত এই মন্তব্য কৰে সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে। গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আনছাৰুল ইছলামৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত গোস্বামীয়ে আৰু কয় যে শেহতীয়াভাৱে ৰাজ্য চৰকাৰে শিক্ষা বিভাগত গ্ৰহণ কৰা বহু সিদ্ধান্ত ব্যক্তিগত আকাংক্ষা পূৰণৰ কচৰৎ যেন উপলব্ধি হয়। চৰকাৰে ভিন্ন কৌশলেৰে ৰাজ্যৰ শিক্ষা ব্যৱস্থাটোত ব্যক্তিগত অংশীদাৰিত্ব বৃদ্ধিৰ কৌশল ৰচনা হৈছে। সেয়া আদৰ্শ বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ স্থাপন, চিবিএইছচি ধৰণৰ বিদ্যালয় স্থাপন, অতিথি শিক্ষক নিয়োগ কিম্বা শেহতীয়াভাৱে

*ছয় পৃষ্ঠাত চাওক*

# বঙাইগাঁও জিলাৰ ৰাখালডুবিত পথ দুৰ্ঘটনাত মৃত্যু ১৫ টা ম'হৰ

## নিশা দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰিলে ট্ৰাক ঃ ছটা ম'হ জীৱন্তে উদ্ধাৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ বঙাইগাঁও সদৰ থানাৰ অন্তৰ্গত ৰাখালডুবিত যোৱা নিশা সংঘটিত এক পথ দূৰ্ঘটনাত ১৫টাকৈ ম'হৰ মৃত্যু হয়। এই ঘটনাই অঞ্চলজুৰি শোকৰ ছাঁ পেলোৱাৰ লগতে উত্তেজনাৰ সৃষ্টি কৰে। বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উপেন কলিতাই জানিবলৈ দিয়া মতে, নিশা এক মান বজাত কোনো লোকে আৰক্ষীক এখন ট্ৰাক দুৰ্ঘটনাত পতিত হোৱাৰ খবৰ দিয়ে। এই খবৰ লাভ কৰি আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয় যদিও ইতিপূৰ্বে ঘটনাস্থলীৰ পৰা ট্ৰাকখনৰ চালক-হেণ্ডিমেনে পলায়ন কৰে। যাৰ ফলত সবিশেষ জানিবলৈ সক্ষম হোৱানাই। বিষয়াজনে সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে, ৰাখালডুবি কেঁকুৰিত বাগৰি পৰা এন এল-০২ কিউ-৫৪৫৭ নম্বৰৰ ২২ টাকৈ ম'হ কঢ়িওৱা ট্ৰাকখন কোকৰাঝাৰ জিলাৰ দিশৰ পৰা চিৰাং জিলা হৈ বঙাইগাঁৱত প্ৰৱেশ কৰে। ৰাখালডুবিত সংঘটিত ঘটনাটোত মুঠ ২২ টা ম'হৰ ভিতৰত ১৫ টা ম'হৰ মৃত্যু ঘটে। অৱশ্যে সাতটা ম'হ জীৱন্তে উদ্ধাৰ কৰা হয়। আৰক্ষী বিষয়াজনে জানিবলৈ দিয়া মতে, গৰুৰ দৰে ম'হৰ ক্ষেত্ৰত যাতায়াতত বাধা নাই দুৰ্ঘটনাত পতিত গাড়ীখনৰ মালিকক বিচাৰি আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে। আজি দুপৰীয়া বঙাইগাঁও জিলা প্ৰশাসনে কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত পশুধনসমূহৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। পশু চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰোৱাৰ পাছত আই নৈৰ পকী দলঙৰ কাষত

*ছয় পৃষ্ঠাত চাওক*

# লিডুত যুৱতীৰ ৰক্তাক্ত মৃতদেহ উদ্ধাৰ

**প্ৰাতঃকৰ্ম কৰিবলৈ গৈ সন্ধানহীন**

**অগ্ৰদূত বাৰ্তা**

**মাৰ্ঘেৰিটা, ২৪ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ লিডু আৰক্ষী চকীৰ অন্তৰ্গত কল ইণ্ডিয়া লিমিটেড মাৰ্ঘেৰিটাৰ অধীনৰ টিৰাপ কলিয়ৰীৰ মুক্ত খনন কাৰ্যস্থলীত আজি সংঘটিত হৈছে এক লোমহৰ্ষক হত্যাকাণ্ড। তথ্য অনুসৰি লিডু ইটাখোলা নিবাসী মহম্মদ হছমুদ্দিনৰ ২০ বছৰীয়া কন্যা চবনম খাতুনে আজি পুৱাৰ ভাগত কয়লাৰ মুক্ত কয়লা খননস্থলীৰ সমীপত প্ৰাতঃ কৰ্ম কৰিবলৈ গৈছিল। বহু দেৰিলৈকে যুৱতীগৰাকী ঘূৰি নহাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰাত ওচৰৰে কয়লা মুক্ত খননস্থলীত ৰক্তাক্ত মৃতদেহ

*ছয় পৃষ্ঠাত চাওক*

ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উপলক্ষে

আহক আমি সকলোৱে একেলগে শপত লওঁ

'আমি ভাৰতীয় নাগৰিকসকলে
গণতন্ত্ৰৰ ওপৰত আস্থা ৰাখি
ইয়াৰ দ্বাৰা আমাৰ দেশখনৰ
গণতান্ত্ৰিক পৰম্পৰা আৰু
মুক্ত, স্বচ্ছ তথা শান্তিপূৰ্ণ নিৰ্বাচনৰ
মৰ্যাদা অটুট ৰাখিবলৈ আৰু
প্ৰতিটো নিৰ্বাচনতে নিৰ্ভয়ে তথা
ধৰ্ম, বৰ্ণ, জাতি, সম্প্ৰদায়, ভাষা বা
আন যিকোনো প্ৰলোভনৰ দ্বাৰা
প্ৰভাৱিত নোহোৱাকৈ
ভোটদান কৰিবলৈ শপত ল'লো'

অন্তৰ্ভুক্তিকৃত, সুগম আৰু অংশগ্ৰহণমূলক নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়াস

মুখ্য নিৰ্বাচনী বিষয়া, অসমৰ দ্বাৰা প্ৰচাৰিত

জনসংযোগ/ডিএফ/২৫১২/২১

দৈনিক
# অগ্ৰদূত
গুৱাহাটী, মঙলবাৰ ১১ মাঘ ১৪২৮ ভাস্কৰাব্দ ২৫ জানুৱাৰী ২০২২



## উদ্যোগ ল'ব কোনে?

অসমৰ জলবায়ুলৈ দৃষ্টিপাত কৰিলে দেখা যায় যে ইয়াৰ অভ্যন্তৰ আৰু উপৰিভাগত ধনৰ লোভত দস্যু-দানৱৰ যি আক্ৰমণ চলিছে, সিয়েই স্বাভাৱিক পৰিৱেশ নস্যাৎ কৰি ৰাজ্যখনক মৰুভূমিলৈ ঠেলি দিবলৈ ওলাইছে। সংবাদ মাধ্যমত অৱশ্য ধ্বংসৰ বাতৰি নিতৌ প্ৰকাশ পায়েই আছে; কিন্তু সবাতোকৈ বিপজ্জনক দিশটো হ'ল পাহাৰ খনন। অসমৰ পাহাৰৰ শিল এতিয়া চুবুৰীয়া ৰাষ্ট্ৰলৈও ৰপ্তানি হৈছে। তাৰ ফলস্বৰূপে অসমত পাহাৰ বুলিবলৈ একো নাথাকিব; কিয়নো নিত্য নতুন লক্ষ লক্ষ অট্টালিকা আৰু শ শ কিলোমিটাৰ দীঘল পথ নিৰ্মাণত শিলগুটিৰ আৱশ্যক হৈ আহিছে। ইয়াৰ জোৰা মাৰিবলৈ পাহাৰ খননকেই একমাত্ৰ মাধ্যম হিচাপে লোৱা হৈছে। স্মৰ্তব্য যে মহাভাৰতৰ কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত সমগ্ৰ উত্তৰ ভাৰত পাহাৰ-পৰ্বত আৰু গছ-গছনিৰে ভৰপূৰ আছিল। সেইবোৰে অঞ্চল এতিয়া উদং পথাৰ হৈ পৰিছে। অসমো সেই পথৰেই আগবাঢ়িছে।

কল-কাৰখানা, যান-বাহন আদিৰ ব্যাপকতাৰ হেতুকে বায়ুমণ্ডলৰ অক্সিজেনৰ মাত্ৰা হ্ৰাস পাই আহিছে। হাইজা, যক্ষ্মা লেখীয়া ব্যাধি নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হৈছে যদিও প্ৰদূষণৰ ফলস্বৰূপে নতুন নতুন দুৰাৰোগ্য ব্যাধিৰ আৱিৰ্ভাৱ হৈছে। তদুপৰি অবাধ গতিত কৃষিভূমিত কৰা ৰাসায়নিক সাৰ প্ৰয়োগ আৰু কীটনাশক দ্ৰব্যৰ হেতুকে আগতে শুনিবলৈ নোপোৱা বৃক্ক ৰোগীৰ সংখ্যা এতিয়া ভয়াৱহ ধৰণে বৃদ্ধি পাইছে। হৃদৰোগ, মস্তিষ্কৰ ৰক্তক্ষৰণ, হাওঁফাওঁৰ ৰোগ মাত্ৰাধিক হাৰত বৃদ্ধি পাইছে। মধ্যবিত্ত শ্ৰেণীৰ লোকেও উত্তপ্ত গৰমৰ পৰা ৰক্ষা পাবলৈ শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ ব্যৱহাৰ কৰিবলৈ বাধ্য হৈছে। তাৰ ফলস্বৰূপে সেই স্থান সমূহৰ পৰা নিৰ্গত হোৱা গৰম বতাহে বাহিৰৰ পৰিৱেশ অধিক ভয়াবহ কৰি তুলিছে। এই প্ৰবৃত্তি বায়ুৰ শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ ব্যাপক প্ৰাচুৰ্যৰ নগৰ-মহানগৰসমূহতে এতিয়া সীমাবদ্ধ হৈ থকা নাই বৰঞ্চ গ্ৰামাঞ্চলৰ জলবায়ুকো দূষিত কৰি তুলিছে।

সম্প্ৰতি বিশ্বৰ দেশে দেশে প্ৰদূষিত পৰিৱেশৰ হেতুকে সাধাৰণ মানুহে নানাৰকমৰ দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত হৈছে। আনকি মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দৰে তুলনামূলকভাৱে কম বসতিপূৰ্ণ অঞ্চলৰ জনসাধাৰণেও ভয়ংকৰ ভৱিষ্যতৰ দৃশ্য দেখিবলৈ পাইছে; কিন্তু মাৰ্কিন প্ৰশাসন আৰু সেই দেশৰ স্বাৰ্থান্ধ নিৰ্মাতা ৰণোন্মাদ মহানায়কসকলৰ লগতে বৃহৎ কল-কাৰখানাৰ গৰাকীসকলৰ সেই লৈ ভ্ৰূক্ষেপ নাই। তাৎপৰ্যপূৰ্ণ যে আমেৰিকাৰ প্ৰদূষিত বায়ু ভাৰতবৰ্ষৰ আকাশৰ বায়ুমণ্ডললৈকে সম্প্ৰসাৰিত হৈছে।

ইঞ্জিনৰ আৱিষ্কাৰে যে মানৱ জীৱনলৈ আমূল পৰিৱৰ্তন আনিছে, তাক অস্বীকাৰ কৰাৰ উপায় নাই। পৰিবহণ, যোগাযোগ আদিৰ ক্ষেত্ৰত ইঞ্জিনে অনবদ্য বৰঙণি যোগাইছে; কিন্তু সিয়েই যদি মুঠতে সমগ্ৰ মানৱ জাতিলৈ মৃত্যু ঘণ্টা বজাইছে? তেনে ক্ষেত্ৰত মানুহে নতুনকৈ চিন্তা-ভাৱনা কৰাৰ প্ৰয়োজন আহি পৰিছে। মহাত্মা গান্ধী আৰু নৰেন্দ্ৰ মোদী, দুয়োগৰাকী গুজৰাটী হ'লেও দৃষ্টিভংগী সুকীয়া সুকীয়া। গান্ধীজীয়ে গ্ৰাম্য স্বৰাজৰ পোষকতা কৰিছিল; য'ত প্ৰত্যেকৰ বাবে শাৰীৰিক শ্ৰম অপৰিহাৰ্য হৈ পৰে আৰু বুনিয়াদী শিক্ষাৰ মাধ্যমত নিজকে আত্মনিৰ্ভৰশীল হ'বলৈ সক্ষম কৰি তোলে। ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰী মোদীয়ে স্মাৰ্ট চিটীৰ পোষকতা কৰিছে। স্মাৰ্ট চিটীৰ অৰ্থই হ'ল কৃষিভূমি বেদখল কৰি বৃহৎ উদ্যোগ, বৃহৎ অট্টালিকা গঢ়ি তোলা। গ্ৰামাঞ্চলৰ কৃষকসকলে এই স্মাৰ্ট চিটীৰ চাহাবসকলৰ স্বাচ্ছন্দ্য জীৱন যাত্ৰাৰ বাবে যাৱতীয় সেৱা আগবঢ়োৱাটোৱেই মুখ্য কৰ্তব্য। যন্ত্ৰই কম সময়তে বহু কাম কৰে সঁচা; কিন্তু যন্ত্ৰই লক্ষ লক্ষ লোকক কৰ্মহীন কৰিও তুলিছে আৰু আজিৰ ভয়াৱহ প্ৰদূষিত পৰিৱেশৰ হেতুকে যন্ত্ৰই মূলতঃ জগৰীয়া। অৱশ্যে ন্যূনতম পৰিৱেশ-প্ৰদূষণ কৰা যন্ত্ৰৰেহে মানুহে সন্ধান কৰিব লাগিব। সমগ্ৰ মানৱ জাতিৰ সমূখত আজি প্ৰশ্ন— প্ৰদূষণ নিয়ন্ত্ৰণ কৰাটো কিদৰে সম্ভৱ হ'ব? এই ক্ষেত্ৰত বিশ্বৰ কৰ্ণধাৰসকলক জগাই তোলাৰ বিকল্প নাই। কিন্তু কোনে সজাগ কৰি তুলিব? বৰ্তমানৰ এই ভয়ংকৰ পৰিস্থিতিত বিকল্প চিন্তা কৰাৰ ব্যতিৰেকে মুক্তিৰ কোনো পথ নাই। কিন্তু উদ্যোগ ল'ব কোনে? মাৰ্কিন প্ৰভাৱ ঠেলি মানৱতাৰ পক্ষত থিয় হ'বলৈ এই সন্ধিক্ষণত ৰাষ্ট্ৰসংঘ আগবাঢ়ি আহিব নোৱাৰাটোও দুৰ্ভাগ্যজনক।

# অসম-মেঘালয়ৰ সীমাবিবাদ মীমাংসাৰ প্ৰয়াস

**ছটা বিবাদমান স্থানক লৈ যে এৰাধৰাৰ বুজাপৰা হৈ গৈছে, সিয়ে এটা বৃহৎ আশাব্যঞ্জক সাফল্য**



**অসবৰ্ণ**
**হীৰেন গগৈ**

মেঘালয় ৰাজ্য গঠন হোৱাৰ পাছৰে পৰা অসমৰ স'তে এটা সীমাবিবাদ চলি আহিছে। ৰাজ্য গঠন হোৱাৰ সময়ত ভাৰত চৰকাৰে মেঘালয়ৰ যিটো সীমা নিৰ্ধাৰণ কৰি দিছিল তাৰ বহুকেইটা স্থানত মেঘালয়ৰ আপত্তি আছিল আৰু এতিয়াও আছে। মেঘালয় চৰকাৰৰ মতে আগৰ খাচি পাহাৰৰ কেতবোৰ অঞ্চল ইংৰাজ চৰকাৰে কামৰূপ জিলাৰ অন্তৰ্ভুক্ত কৰি লৈছিল, যিবোৰ অঞ্চল স্বাধীনতাৰ পাছতো একেদৰেই ৰৈ গৈছিল। সেয়ে পুৰণি খাচি চীয়েম ৰাজ্যৰ অংশ বুলি জনা অঞ্চলবোৰ মেঘালয়ৰ অন্তৰ্ভুক্ত হ'ব লাগে বুলি তেওঁলোকে দাবী জনাই আহিছে। যোৱা পঞ্চাশটা বছৰে বিবাদটোৰ কোনো মীমাংসা কৰিব পৰা নগ'ল। নোৱাৰাৰ কাৰণো আছিল উভয় পক্ষৰ আঁকোৰগোঁজ স্থিতি। অসমে মেঘালয় ৰাজ্য গঠন হোৱাৰ সময়ত থকা আৰু সংবিধান-স্বীকৃত সীমাটোকেই বাহাল ৰখাটো বিচাৰে; আনহাতে, মেঘালয়ে সেই সীমা কোনো কাৰণতে মানি ল'বলৈ নিবিচাৰে। সেয়ে সীমা বিবাদটোৰ ক্ষেত্ৰত ইমান দিনে এটা অচলাৱস্থা চলি আছিল।

সেই অচলাৱস্থাৰ অন্ত পেলোৱাৰ বাবেই অসমৰ নতুন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা মে'ত দায়িত্বভাৰ লোৱাৰ পাছতে সীমা সমস্যাটোৰ বিষয়ে আলোচনা কৰিবলৈ মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাক আমন্ত্ৰণ জনাইছিল। চাংমাইও সেই আমন্ত্ৰণ গ্ৰহণ কৰি আলোচনাত বহিছিল আৰু সম্ভৱ দুয়োজন মুখ্যমন্ত্ৰীয়েই আন্তৰিক কথা-বতৰাৰ মাজেৰে সীমাবিবাদটোৰ ক্ষেত্ৰত আঁকোৰগোজালি এৰি বুজাপৰাৰ নীতি ল'বলৈ একমত হৈছিল; কিন্তু বুজাপৰাৰ বাবে সীমান্তৰ বিবদমান অঞ্চলবোৰ চিনাক্ত কৰি সেইবোৰৰ বাস্তৱ অৱস্থা আৰু বাসিন্দাসকলৰ মতামত সম্পৰ্কে সঠিক তথ্য সংগ্ৰহ কৰাটো আছিল অপৰিহাৰ্য কাম। তাৰ বাবে তেওঁলোকে দুয়ো ৰাজ্যৰ কেবিনেট মন্ত্ৰীৰ নেতৃত্বত তিনিখনকৈ কমিটী গঠন কৰি ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ দায়িত্ব দিছিল। কমিটীকেইখনে সেই মতে ন্যস্ত দায়িত্ব পালনো কৰিছিল। তেওঁলোকে অসম-মেঘালয় সীমান্তৰ ১২টা স্থান বিবদমান বুলি চিনাক্ত কৰে আৰু তাৰ বাসিন্দাসকলৰ মতামতো গ্ৰহণ কৰে। পাছত তেওঁলোকে দিয়া প্ৰতিবেদনৰ ভিত্তিতেই দুয়ো ৰাজ্যৰ চৰকাৰ দুখনে সেই ১২টা বিবদমান অঞ্চলৰ ভিতৰৰে বিশেষ জটিলতা নথকা ছটা অঞ্চল বাছি লয় আৰু এৰাধৰাৰ মাজেৰে এটা মীমাংসাও কৰি লয়। সেই ছটা স্থান হৈছে— কাছাৰৰ তাৰাবাৰী আৰু ৰাতাচোৰা, কামৰূপ মহানগৰৰ পিলিংকাটা আৰু বকলাপাৰা আৰু কামৰূপ জিলাৰ গিজাং আৰু হাঁহিম। এই ছটা স্থানৰ মুঠ বিবদমান মাটিৰ পৰিমাণ হৈছে ৩৬.৭৯ বৰ্গ কিলোমিটাৰ। তাকে প্ৰায় সমানে সমানে দুয়ো ৰাজ্যৰ মাজত ভাগ কৰা হৈছে।

চৰকাৰ দুখনৰ এই মীমাংসাটোৰ বিষয়ে অৱগত কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ১৮ জানুৱাৰীত এখন সৰ্বদলীয় বৈঠক আহ্বান কৰিছিল। ৰাইজৰ দলৰ বাহিৰে বাকী আটাইকেইটা দলৰ প্ৰতিনিধি তাত উপস্থিত আছিল। সংবাদ মাধ্যমৰ খবৰ মতে, চৰকাৰৰ এই সিদ্ধান্তক কংগ্ৰেছৰ বাদে বাকী দলকেইটাই সমৰ্থনেই কৰিছিল। কংগ্ৰেছৰ আপত্তি আছিল অসমে এৰি দিয়া মাটিৰ পৰিমাণটোক লৈ। অসমে নিজৰ মাটি এৰি দিয়া বুলি তেওঁলোকে অভিযোগ তুলিছিল আৰু মীমাংসাৰ প্ৰস্তাৱটোৰ আলোচনাৰ বাবে বিধানসভাৰ বিশেষ অধিবেশন এখনৰ দাবী জনাইছিল। আনহাতে, বৈঠকৰ নিমন্ত্ৰণ পলমকৈ পোৱাৰ বাবে উপস্থিত থাকিব নোৱাৰা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে পত্ৰযোগে মুখ্যমন্ত্ৰীক জনাই দিয়ে যে দুয়ো ৰাজ্যৰ মাজৰ সাংবিধানিক সীমাৰ উলংঘন হ'ব নোৱাৰে আৰু দুজন মুখ্যমন্ত্ৰীয়ে আলোচনা কৰি সীমাবিবাদটো মীমাংসাও কৰিব নোৱাৰে। এই ক্ষেত্ৰত অসমৰ ৰাইজৰ মতামত ল'ব লাগিব। গতিকে তেতিয়াই বুজা গৈছিল যে কংগ্ৰেছ আৰু ৰাইজৰ দলে ড° হিমন্ত বিশ্ব শৰ্মাক ইমান সহজে বাট এৰি দিয়াত নাই। সতিনীৰ যাত্ৰা ভংগ কৰিবলৈ তেওঁলোকে কাৰ নাক কাটে ঠিকনা নাই।




আছু আৰু কেইটামান জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ স'তেও মুখ্যমন্ত্ৰীৰ আলোচনা হৈছিল। সাধাৰণভাৱে চৰকাৰৰ মীমাংসা প্ৰস্তাৱক তেওঁলোকে সমৰ্থনেই কৰিছে যদিও আছুৱে বিবদমান অঞ্চলকেইটাৰ বাসিন্দাসকলৰ মতামত ল'ব বুলি জনাইছে।

সীমাৰ প্ৰশ্নত অসমৰে সমস্যা আটাইতকৈ বেছি। চুবুৰীয়া আটাইকেইখন পাহাৰীয়া ৰাজ্যৰ স'তে অসমৰ সীমাবিবাদ আছে আৰু সেইবোৰ দীৰ্ঘস্থায়ী অশান্তিৰো কাৰণ হৈ আহিছে। যোৱা বছৰৰ জুলাইত অসম-মিজোৰাম সীমান্তত মিজোৰাম আৰক্ষীয়ে অসমৰ আৰক্ষী বাহিনীৰ ওপৰত অতৰ্কিত আক্ৰমণ চলাই ছয়জনমানক মাৰিছিল আৰু ৭০ জনমানক আহত কৰিছিল। সেই ৰক্তাক্ত সংঘৰ্ষৰ কাৰণ আছিল সীমান্তৱৰ্তী সংৰক্ষিত বনাঞ্চলত চলা বেদখল। মিজোৰামৰ স'তে অসমৰ ১৬৪.৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা সীমা আছে আৰু জনামতে সেই সীমাৰ বহু অংশ দুৰ্গম পাহাৰ আৰু বনাঞ্চল। কেন্দ্ৰীয় চৰকাৰে সেই সীমাৰ অধ্যয়ন আৰু দুয়ো ৰাজ্যৰ মাজত বুজাপৰাৰ পৰামৰ্শ দিছে আৰু সদ্যহতে স্থিতাৱস্থা বাহাল ৰাখিছে। এইফালে অসম-নগালেণ্ডৰ সীমাও দীৰ্ঘকাল ধৰি অশান্ত। স্বাধীনতাৰ সময়ত ভাৰত চৰকাৰে তেতিয়াৰ নগা পাহাৰ জিলাৰ যি সীমা নিৰ্ধাৰণ কৰিছিল, সি আছিল আগৰ ইংৰাজ চৰকাৰে নিৰ্ধাৰণ কৰি যোৱা সীমাহে আৰু নগাসকলে সেই সীমা কোনোদিনে মানি লোৱা নাই। তেওঁলোকৰ মতে ইংৰাজ প্ৰশাসনে অসমৰ সীমান্তৱৰ্তী অঞ্চলবোৰ নগাপাহাৰৰ পৰা ফালি নি তেতিয়াৰ অবিভক্ত শিৱসাগৰ জিলাৰ অন্তৰ্ভুক্ত কৰি লৈছিল। সেয়ে এন এছ চি এনে প্ৰস্তুত কৰা নাগালিমৰ মেপত অসমৰ সীমান্তৱৰ্তী অঞ্চলবোৰক সামৰি লোৱা হৈছে; কিন্তু অসমে নগালেণ্ডৰ সীমা সম্প্ৰসাৰণৰ সেই দাবী কেতিয়াও মানি লোৱা নাই। সীমান্তৱৰ্তী অঞ্চলবোৰত অসমৰ মানুহে জনাঞ্চল গঢ়ি তুলিছে, খেতি-বাতি কৰি স্থায়ীভাৱে বসবাস কৰি আছে, চাহ বাগিচা আৰু আন সৰু-সুৰা উদ্যোগ আদিও স্থাপন কৰিছে। আনহাতে, নাগাসকলেও কেতবোৰ অঞ্চলত (ছেক্টৰত) নতুনকৈ নিজৰ বসতি গঢ়ি তুলিছে, গাঁও আৰু মহকুমা আদিও স্থাপন কৰিছে। মাজে-সময়ে অসমীয়া গাঁও আৰু বাসিন্দাসকলৰ ওপৰতো সন্ত্ৰাস চলাই আহিছে। নগালেণ্ডৰ সীমা সম্প্ৰসাৰণৰ বিষয়ত তাৰ চৰকাৰ, উগ্ৰপন্থী, ৰাইজ সকলো ঐক্যবদ্ধ আৰু আগ্ৰাসী। গতিকে সীমান্তৰ অঞ্চলবোৰত অশান্তি আৰু হিংসাত্মক ঘটনাবোৰ সময়ে সময়ে ঘটিয়েই থাকে। এই ক্ষেত্ৰত নাগাসকলৰে স্থানিক অৱস্থান সুবিধাজনক। অসমৰ বাবে পূবৰ সোণাৰীৰ পৰা পশ্চিমে ডিফুলৈকে ইমান দীঘলীয়া সীমা এটাত পৰ্যাপ্ত সংখ্যক আৰক্ষী মোতায়েম কৰি সীমান্তৰ মাটি আৰু বাসিন্দাক সুৰক্ষা দি থকাটো সম্ভৱ নহয়। যুদ্ধ লাগিলেও সদায় নাগাপক্ষই উপৰহতীয়া হৈ থাকিব। তদুপৰি হঠাতে যিকোনো ঠাইত সন্ত্ৰাস সৃষ্টিৰ সুযোগো সশস্ত্ৰ নাগাসকলৰ সদায় থাকিবই। অন্ততঃ যেতিয়ালৈকে দুয়োপক্ষৰ মাজত ভাল আৰু স্থায়ী বুজাপৰা এটা হৈ নাযায়। অসম আৰু অৰুণাচলৰ মাজৰ সীমাবিবাদৰো চৰিত্ৰ একেটাই। এতিয়া অসম আৰু চুবুৰীয়া ৰাজ্য নগালেণ্ড আৰু মিজোৰাম সীমান্তৰ শান্তিৰক্ষাৰ দায়িত্বও কেন্দ্ৰৰ নিৰপেক্ষ বাহিনীৰ ওপৰত ন্যস্ত।

অসম-নগালেণ্ডৰ সীমা বিবাদটো বহুদিনৰ পৰাই উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে। ন্যায়ালয়ে এতিয়ালৈকে একাধিক অনুসন্ধান কমিটীও গঠন কৰি দিলে। ১৯৭১ তে কে ভি কে সুন্দৰমৰ নেতৃত্বত গঠন কৰি দিয়া আয়োগে প্ৰতিবেদনো দাখিল কৰিছিল, কিন্তু নগালেণ্ডে সেই প্ৰতিবেদন গ্ৰহণ কৰা নাছিল। তাৰ পাছত অসম চৰকাৰে ১৯৮৮-৮৯ত পুনৰ উচ্চতম ন্যায়ালয়ত দুই ৰাজ্যৰ সীমা নিৰ্ধাৰণৰ আবেদন জনাই এটা গোচৰ তৰিছিল। তেতিয়াও উচ্চতম ন্যায়ালয়ে এটা স্থানীয় আয়োগ গঠন কৰি দিছিল। কিন্তু তাৰ পৰাও কাম নহ'ল। আকৌ ২০১০ত নগালেণ্ড চৰকাৰেও উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰাত ন্যায়ালয়ে দুয়ো ৰাজ্যৰ মাজত মধ্যস্থতা কৰিবলৈ দুজন মধ্যস্থতাকাৰীকো নিযুক্তি দিছিল আৰু তেওঁলোকে যোৱা ২০১৩ তে প্ৰতিবেদনো দাখিল কৰিছিল। তাৰ পাছতো ন্যায়ালয়ে বিবাদটোৰ কোনো মীমাংসা কৰি দিব পৰা নাই আৰু সম্ভৱ নোৱাৰিবও। কাৰণ ন্যায়ালয়ৰ ৰায়ত কোনো পক্ষ অসন্তুষ্ট হ'লে সীমান্তৰ অশান্তি চলিয়েই থাকিব। অসম-অৰুণাচলৰ সীমা বিবাদটোৰ ক্ষেত্ৰতো ন্যায়ালয়ে এতিয়ালৈকে কোনো ৰায় দিয়া নাই, যদিও ন্যায়ালয়ে গঠন কৰি দিয়া স্থানীয় আয়োগে যোৱা ২০১৪তে প্ৰতিবেদন দাখিল কৰিছিল। অসম-অৰুণাচল সীমাৰ দৈৰ্ঘ্য ৮০৪ কিঃ মিঃ।

এই পটভূমিত অসম আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰীদ্বয়ে পাৰস্পৰিক আলোচনাৰ জৰিয়তে এই নীতিগত সিদ্ধান্ত গ্ৰহণ কৰিছিল যে তেওঁলোকে ন্যায়ালয়ৰ বাহিৰতে সীমা-সমস্যাটো বুজাবুজিৰ মাজেৰে সমাধান কৰি ল'ব। অসম আৰু মেঘালয়ৰ সীমা বিবাদৰ ক্ষেত্ৰতো ন্যায়ালয়ে দুয়োখন ৰাজ্যকে বুজাবুজিৰ পৰামৰ্শ দিছিল। অসম-অৰুণাচলৰ সীমা বিবাদৰ মীমাংসাৰ বাবে দুয়ো ৰাজ্যৰ মাজৰ বুজাবুজিৰ প্ৰক্ৰিয়া এতিয়ালৈকে আগবঢ়া নাই; কিন্তু অসম-মেঘালয়ৰ সীমা বিবাদৰ স্থায়ী মীমাংসাৰ দিশত দুয়োখন ৰাজ্য চৰকাৰ দৃঢ়তাৰে আগবাঢ়িছে। ইতিমধ্যে ছটা বিবাদমান স্থানক লৈ যে এৰাধৰাৰ বুজাপৰা হৈ গৈছে, সিয়ে এটা বৃহৎ আশাব্যঞ্জক সাফল্য। বিৰোধী পক্ষই বাধাৰ সৃষ্টি নকৰিলে বাকী ছটা বিবদমান স্থানৰ ক্ষেত্ৰতো এৰাধৰাৰ বুজাবুজি এটা নিশ্চয় সুকলমে হৈ যাব; কিন্তু বিধিৰ বিপাকৰ দুৰ্ভাৱনা হ'লে আছেই।

ইমান দিনৰ সীমান্তৱৰ্তী হিংসা-অশান্তিবোৰ দেখি থকাৰ পাছতো আমাৰ যদি শুভ বুদ্ধিৰ উদয় নহয়, তেনেহ'লে সংবিধান বা ঈশ্বৰ কোনেও অসমৰ সীমা সমস্যাবোৰ সমাধান কৰি নিদিয়ে, সীমা আৰু সীমান্তবাসীৰ নিৰাপত্তাও আনি নিদিয়ে। সীমাত যেতিয়া কাজিয়া বা যুদ্ধ লাগে, তেতিয়া সচৰাচৰ বলি হয় সত্য। বিবদমান প্ৰতিটো পক্ষই কেৱল নিজৰ শক্তি, অধিকাৰ আৰু জয়ৰ কথা লৈহে আত্মহাৰা হয় আৰু সিটো পক্ষক কেৱল অপৰাধী সজায়। সীমাৰ বাস্তৱ অৱস্থাৰ কথাবোৰ, প্ৰতিপক্ষৰ যুক্তি আৰু প্ৰাপ্য ন্যায়ৰ কথাবোৰ হয় তল পৰে, নহয় সকলোবোৰ অপপ্ৰচাৰ বুলি উৰাই দিয়া হয়। যদি সশস্ত্ৰ যুদ্ধ হয়, তেনেহ'লে জয়ী পক্ষৰ অধিকাৰ আৰু ন্যায্যতাই প্ৰতিষ্ঠিত হয়; কিন্তু শক্তি প্ৰয়োগেৰে মীমাংসা কৰিব নোৱাৰা কাজিয়াবোৰ মীমাংসা কৰিবলৈ প্ৰয়োজন হয় যুক্তি আৰু ন্যায়বিচাৰৰ, প্ৰয়োজন হয় সহমৰ্মিতা আৰু বাস্তৱ চেতনাৰ। তাৰ ভিত্তিতে এৰাধৰাৰ প্ৰস্তুতিও গঢ় লৈ উঠে বা উঠিব লাগিব। নহ'লে বিদ্বেষ, আত্মপ্ৰতাৰণা আৰু অশান্তিবোৰ সদায় চলিয়েই থাকিব।

> **অসম আৰু চুবুৰীয়া পাহাৰী ৰাজ্যকেইখনৰ সীমাবোৰ আছিল কাৰ্যতঃ পূৰ্বৰ ঔপনিৱেশিক ইংৰাজ প্ৰশাসনৰ সৃষ্টি। প্ৰশাসন আৰু সম্পদ লুণ্ঠনৰ স্বাৰ্থত তেওঁলোকে পাহাৰ-ভৈয়ামৰ সীমাত থকা অঞ্চলবোৰৰ যিখিনি পাৰে ভৈয়ামৰ জিলাবোৰৰ লগত সাঙুৰি লৈছিল। বিজিত পাহাৰী জাতিবোৰৰ প্ৰতি সেয়া কোনো ন্যায়বিচাৰ নাছিল; কিন্তু এতিয়া পাহাৰী জাতি বা ৰাজ্যবোৰে সেই অতীত অবিচাৰ বা বৈষম্যৰ শুধৰণি বিচাৰিছে**

অসম আৰু চুবুৰীয়া ৰাজ্যবোৰৰ মাজৰ সীমাৰ কাজিয়াবোৰ যুদ্ধ কৰি যে মীমাংসা কৰিব পৰা নাযায়, সেই কথা বোধহয় অখণ্ড ভাৰতবৰ্ষৰ কোনো লোকক বুজাই কোৱাৰ প্ৰয়োজন নাই। সেইটো সাধাৰণ জ্ঞানৰ কথা। চুবুৰীয়া ৰাজ্যবোৰ আমাৰ শত্ৰু বা বিদেশী ৰাষ্ট্ৰ নহয়। গতিকে আমাৰ সীমা সমস্যাবোৰৰ স্থায়ী সমাধানো হ'ব লাগিব উভয় পক্ষৰ পাৰস্পৰিক সহযোগিতা আৰু বুজাবুজিৰ ভিত্তিতে। আৰু বুজাবুজি কৰিবলৈ হ'লে এৰাধৰাও কৰিবই লাগিব। এটা পক্ষৰ দাবী বা যুক্তিবোৰ আনটো পক্ষৰ ওপৰত জোৰ কৰি জাপি দিবলৈ গ'লে সহযোগিতাৰ পৰিৱেশ এটাৰ সৃষ্টি কেতিয়াও নহয়। আৰু সেয়ে যদি নহয়, সীমান্তত উভয় পক্ষৰ বাসিন্দাসকলৰ মাজত নাইবা নিৰাপত্তাৰক্ষী বাহিনীবোৰৰ মাজত মাজে-সময়ে খেদাখেদি বা আক্ৰমণ প্ৰত্যাক্ৰমণবোৰহে লাগি থাকিব আৰু সাময়িক শান্তি চুক্তিবোৰহে হৈ থাকিব আৰু সেইবোৰৰ উলংঘনো সময়ে সময়ে হৈ থাকিব, কিন্তু স্থায়ী শান্তি আৰু নিৰাপত্তা কোনোদিনে প্ৰতিষ্ঠিত নহ'ব।

অসম আৰু চুবুৰীয়া পাহাৰী ৰাজ্যকেইখনৰ সীমাবোৰ আছিল কাৰ্যতঃ পূৰ্বৰ ঔপনিৱেশিক ইংৰাজ প্ৰশাসনৰ সৃষ্টি। প্ৰশাসন আৰু সম্পদ লুণ্ঠনৰ স্বাৰ্থত তেওঁলোকে পাহাৰ-ভৈয়ামৰ সীমাত থকা অঞ্চলবোৰৰ যিখিনি পাৰে ভৈয়ামৰ জিলাবোৰৰ লগত সাঙুৰি লৈছিল। বিজিত পাহাৰী জাতিবোৰৰ প্ৰতি সেয়া কোনো ন্যায়বিচাৰ নাছিল; কিন্তু এতিয়া পাহাৰী জাতি বা ৰাজ্যবোৰে সেই অতীত অবিচাৰ বা বৈষম্যৰ শুধৰণি বিচাৰিছে। তেওঁলোকৰ সীমাৰ দাবীবোৰৰ যৌক্তিক আৰু ঐতিহাসিক ভিত্তি সেইটোৱেই। তেওঁলোকক সীমাবোৰৰ আজিৰ বাস্তৱতাবোৰ মনাবলৈ হ'লে আমি তেওঁলোকৰ ঐতিহাসিক তথা পৰম্পৰাগত অধিকাৰবোৰৰ ন্যায্যতাক প্ৰথমে মান্যতা দিব পাৰিব লাগিব।

সীমান্তৱৰ্তী অঞ্চলবোৰৰ আজিৰ চিত্ৰখন নিশ্চয় বহুত বেলেগ হৈছে। তেনে অধিকাংশ অঞ্চলতে অসমৰ মানুহৰ স্থায়ী জনবসতি, কৃষিকৰ্ম আৰু উদ্যোগ আদিয়ো গঢ়ি উঠিছে আৰু সাংবিধানিকভাৱেও সেইবোৰ অসমৰ অঞ্চল বুলি চিহ্নিত হৈ আহিছে। তেনে কোনো কোনো অঞ্চলত চুবুৰীয়া ৰাজ্যৰ দখল আৰু জনবসতিও হৈছে। এনে অঞ্চলবোৰৰ পৰা অসম বা চুবুৰীয়া ৰাজ্যৰ বাসিন্দাসকলৰ কাকো উচ্ছেদ কৰি খেদি পঠোৱা সম্ভৱ নহয়। পাহাৰী ৰাজ্যবোৰৰ পক্ষে ইতিহাস আৰু পৰম্পৰাৰ জোৰ বেছি, অসমৰ পক্ষত সংবিধান আৰু জনবলৰ জোৰ বেছি। এই দুয়োটা বলৰ মাজত সহাৱস্থানৰ সূত্ৰ এটা উলিয়াব পাৰিলেহে সীমাবিবাদবোৰৰ স্থায়ী নিষ্পত্তি হ'ব পাৰে। তাৰে বাবে দুয়োপক্ষৰ মুক্ত আলোচনা, সীমান্তবাসীসকলৰ মতামত আৰু অঞ্চলবোৰৰ এৰা-ধৰাৰ মাজেৰে সীমাবোৰৰ পুনৰ্নিৰ্ধাৰণৰ বাদে আন বিকল্প নাই।

মোৰ বিশ্বাস, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সীমা সমস্যাবোৰৰ সমাধানৰ বাবে চুবুৰীয়া ৰাজ্যকেইখনৰ স'তে বুজাপৰা আৰু এৰাধৰাৰ যি নীতি লৈছে, সি বাস্তৱসন্মত হোৱাৰ লগতে ঐতিহাসিকভাৱেও ন্যায়সন্মত। সেই পথেৰেই অসম আগবাঢ়ি যাব লাগিব। দৃঢ়তাৰে আৰু আত্মবিশ্বাসেৰে। কংগ্ৰেছ আৰু ৰাইজৰ দলক হিমন্ত বিশ্ব শৰ্মাৰ ভূতে খেদি ফুৰিছে। গতিকে তেওঁলোকে সপোনে-দিঠকে যে ভূতেই জাৰি থাকিব, সন্দেহ নাই। তাত চৰকাৰ বা ৰাইজৰ মন ভাগিলে নহ'ব।

*ফোন ঃ ৮৮১১৮২৭৪৩২*

## খোলা মঞ্চ

### অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট বৰ্তমানেও আছেনে?



**ভাষা** এটিয়ে এখন ৰাষ্ট্ৰৰ পৰিচয় দিয়ে। ভাৰতবৰ্ষ আমাৰ ৰাষ্ট্ৰ। ই কে'বাখনো ৰাজ্য সমষ্টি। ৰাষ্ট্ৰ ভাষা হিন্দী। সকলো ভাৰতীয় মানুহে এই ভাষা জনাটো আৱশ্যক। পিছে ৰাজ্যসমূহৰ প্ৰত্যেকৰে একোটা সুকীয়া প্ৰান্তীয় মাতৃভাষা আছে। আমি অসম ৰাজ্যৰ মানুহ। অইন অইন ৰাজ্যৰ দৰে আমাৰ মাতৃভাষা অসমীয়া। দুখৰ বিষয় বৰ্তমান অসমত নৱ প্ৰজন্মৰ মাজত মাতৃভাষাটোৱে বৰ মস্কিলত পেলাইছে। ভাষা-সংস্কৃতিয়ে এখন ৰাজ্যৰ জীৱন ৰেখা। আজি আমাৰ দেশৰ নগৰ-চহৰৰ পিতৃ-মাতৃয়ে সন্তানসকলক অসমীয়া স্কুলত পঢ়ুৱাবলৈ বেয়া পোৱা হ'ল। সেইবাবে আমাৰ নগৰ-চহৰবোৰত ইংৰাজী মাধ্যমৰ স্কুলসমূহ কাঠফুলাৰ দৰে ফুলিব ধৰিছে। গুৱাহাটী চহৰৰ গৃহতে অকণ ঠাই থাকিলেই বা এটা আছুতীয়া কোঠা থাকিলেই ইংৰাজী মাধ্যমৰ স্কুল খুলি ইংৰাজী ভাষাৰ শিক্ষা দি থকা দেখা যায়। সেই শিক্ষা অনুষ্ঠানবোৰত কোনো অসমীয়া মাধ্যমৰ শিক্ষা দেখা নাযায়। তেনে স্কুলত পঢ়ি অসমীয়া ল'ৰা-ছোৱালীয়ে কেৱল ইংৰাজী ভাষাটোকে শিকি লৈ উচ্চ শিক্ষাৰ স্কুলতো ইংৰাজী মাধ্যমতে পঢ়ি বিদ্যাৱন্ত হৈ উঠে। অৱশ্যে ইংৰাজী ভাষাটো জানিবই লাগিব। নহ'লে অন্যদেশৰ স'তে আদান-প্ৰদান একোকে কৰিব নোৱাৰিব। তথাপি নিজৰ মাতৃভাষাটো জনা প্ৰত্যেক নাগৰিকৰে এক গৌৰৱৰ কথা। যিমান ডিগ্ৰীধাৰী নহওক কিয়, যদিহে নিজৰ ভাষা জাতিৰ পৰিচয় দাঙি ধৰিব নোৱাৰে তেনেহ'লে জ্ঞানী হ'লেও সেইজন অজ্ঞানী হয়। সেইসকলে পাছলৈ জাতি, ধৰ্ম, সংস্কৃতি সকলো পাহৰি যাব। নিজ মাতৃভাষাটো শুদ্ধভাৱে জনাব শিকাবলৈ হ'লে পিতৃ-মাতৃৰ গুৰু দায়িত্ব আছে। সেই হেতুকে যদিও যুগ চাই ইংৰাজী মাধ্যমত পঢ়ুৱাবলৈ ইচ্ছা থাকে, তথাপি অন্তত প্ৰায়মাৰী শিক্ষাটোৰ প্ৰথম খোজটো ল'ৰা-ছোৱালীক অসমীয়া বুনিয়াদী প্ৰাইমাৰী শিক্ষাটো দিব লাগে। আজি-কালি অসমৰ বাহিৰত থকা অসমীয়া চাকৰিয়ালসকলে তেওঁলোকৰ সন্তানসকলক যদিও ইংৰাজী-হিন্দীভাষী স্কুলত পঢ়ুৱাই আছে তথাপি প্ৰতি গৃহৰে ল'ৰা-ছোৱালীক আজৰি সময়ত সামাজিকভাৱে একোটা অনুষ্ঠানৰ ঠাইত অসমীয়া চাকৰিয়াল লোকসকলে একোটা অসমীয়া গোট তৈয়াৰ কৰি অসমীয়া ভাষাৰ পাঠদান লগতে অসমীয়া গীতমাত-বৰগীত আদিৰো প্ৰশিক্ষণ দি আছে। তেনেদৰে দিল্লী, গুজৰাট, মহাৰাষ্ট্ৰত থকা অসমীয়া চাকৰিয়ালসকলে সেই ব্যৱস্থা কৰিবলৈ সক্ষম হৈছে। এনেকৈ ইউৰোপ আমেৰিকাত থকা ভাৰতীয় লোকসকলে হিন্দু টেম্পলত হিন্দী-সংস্কৃত ভাষাৰ পাঠদান কৰাই থকা আৰু ভাৰত-নাট্যমৰ শিক্ষা দি থকা আমি অভাজনে দেখি আহিছো। এতেকে আমাৰ নৱ-প্ৰজন্মক আমাৰ দেশৰ ৰীতি-নীতি ভাষা-সংস্কাৰ আদিত মনোনিবেশ কৰিবলৈ পিতৃ-মাতৃ আৰু অভিভাৱকৰ গধুৰ দায়িত্ব আহি পৰিছে। ভাষা-সংস্কৃতি থাকিলেহে জাতীয় অস্তিত্ব থাকিব। তদুপৰি ভাষা, ধৰ্ম, সংস্কৃতি ৰক্ষা হ'লেহে জাতীয় অস্তিত্ব সুৰক্ষিত হ'ব। *ফোন ঃ ৮৪৮৬০৯৪৬১৯*

**গিৰিজা বালা দাস,** লেখিকা

## অসমীয়াৰ অস্তিত্ব এনেকৈয়ে সুৰক্ষিত হৈ থাকিবনে?

**আমি** আমাৰ জাতীয় বৈশিষ্ট্যসমূহৰ প্ৰতি উদাসীন হৈ এলাগী কৰিবলৈ যেন আগবাঢ়িছো। চাওক, আমাৰ অসম আৰ্হিৰ ঘৰ সজা অপছন্দ হ'ল, ঘৰৰ ভিতৰ-বাহিৰৰ সাজ-সজ্জাবোৰ সলনি হৈ আহিল। কাঁহৰ বাচন-বৰ্তনৰ পৰিৱৰ্তে ষ্টীল আৰু অন্যান্য ধাতুৰ দ্বাৰা তৈয়াৰী বাচন-বৰ্তনৰ ব্যৱহাৰ হ'ল। অসমীয়া খাদ্য-বস্তু আমাৰ জুতি নলগা হ'ল, চিকেন, পোলাও আমাৰ প্ৰিয় হ'ল। আজিৰ প্ৰজন্মৰ বহুতে অসমীয়া খাদ্য বস্তুৰ ভিতৰৰ বহু বস্তুকে চিনি নোপোৱা হ'ল। আমাৰ পোছাক-পৰিচ্ছদ অপছন্দ হৈ আহিল, বিদেশী আৰ্হিক আমি আঁকোৱালি ল'লো। ইতিমধ্যে আমাৰ যুৱতীসকলে ল'ৰাৰ আৰ্হিৰ পোছাক পৰিধান কৰিলে, সহজ জীৱন-পদ্ধতি হিচাপে গণ্য কৰি, যি শালীনতাৰ পৰিপন্থী। অসমীয়া পাট-মুগাৰ বস্ত্ৰ, এৰীচাদৰ লাহে লাহে অপ্ৰচলিত হৈ আহিল। বিয়াৰ দিনাহে পাট-মুগাৰ কাপোৰযোৰৰ প্ৰয়োজন হ'ল। ড° ভূপেন হাজৰিকাৰ নীতি 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব'ৰ পূৰ্বাভাস পৰিলক্ষিত হোৱা বুলি কাকো কোৱাৰ প্ৰয়োজন নকৰে।



আমাৰ মাজত ইংৰাজী নৱবৰ্ষক আদৰা আৰু পুৰণি বৰ্ষক বিদায় দিয়াৰ উনৈশত বা- বলা যি পৰিৱেশ আৰম্ভ হৈছে, ইয়ে আমাৰ কি পৰিচয় দাঙি ধৰিব তাক আমি চিন্তা কৰাৰ সময় আহি পৰিছে। জন্মোৎসৱ পালন কৰাৰ খদমদম বৃদ্ধি পোৱা, সেইদৰে বিবাহ-বাৰ্ষিকী পালন কৰাৰ নব্য-ধাৰাৰ প্ৰসাৰ লাভেই আমাৰ জাতীয় উৎসৱবোৰ জীয়াই থকাত আঘাত নপৰিব জানো? মাতৃভাষা অসমীয়াৰ প্ৰতি আমাৰ মাজৰে বহুতৰ অনুকম্পাৰ অভাৱ দেখি পুতৌ নালাগেনে? আমাৰ বহুতৰে পিতৃসকল 'পাপা' হোৱাৰ কাৰণ কি? আংকলসকল একা? ৰাজ্যভাষা হোৱাৰ সুদীৰ্ঘ দিন পাছতো আমাৰ মাজৰ বহুতে তাৰ প্ৰয়োগত অনীহা প্ৰকাশ কৰা দেখা যায়। আনভাষী মানুহৰ লগত কথা হওঁতে আমি আমাৰ ভাষাৰে কথা পাতিবলৈ নিবিচাৰি তেওঁলোকৰ ভাষাৰে কথা পাতো, ই আমাৰ হীনমন্যতাৰ পৰিচায়ক নহয় জানো? ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰাৰ আগ্ৰহীসকল কোন ভাষী? মাতৃভাষাৰ প্ৰতি দায়বদ্ধ প্ৰদৰ্শন কৰা লোকৰ কিছুমানে তেওঁলোকৰ ল'ৰা-ছোৱালীক বিদেশত পঢ়ুৱাই আনি চৰকাৰী ভাল সুবিধা গ্ৰহণ কৰায় কিহৰ পৰিচয় দিছে? মন কৰিছে নে ৰাইজ, আমাৰ অসমীয়া মানুহে ঘৰভাৰা দিয়াৰ কাৰণে বাহিৰত থোৱা ফলকখনত টু-লেট বুলি লিখাৰ কাৰণ কি? ইংৰাজক ঘৰভাৰা দিয়াৰ কাৰণে ইংৰাজীত লিখা হৈছে নেকি? আমাৰ মাজৰ কিছুমান অসমীয়া পণ্ডিতে তেওঁলোকৰ নাম-ফলকখন ইংৰাজীত লিখি বাহিৰত আঁৰি থৈছে। আমি বীৰ লাচিতৰ বংশধৰ বুলি গৌৰৱ কৰো সঁচা, কিন্তু আমাৰ কৰ্ম-সংস্কৃতিক জীয়াই তুলিবলৈ ল'বলগীয়া হোৱা প্ৰচেষ্টাই কিহৰ প্ৰমাণ কৰে?

আমাৰ দশাৰ ফলাফল আমাৰ নিজৰ ওপৰত নিৰ্ভৰশীল নহয় জানো?

**কেশৱ শৰ্মা**; কৈৰাৰা, নলবাৰী
ফোন ঃ ৯৪০১৮৭৯৪০৮

## কিদৰে সম্ভৱ হ'ব?

**যোৱা** সাত জানুৱাৰীত প্ৰকাশিত 'দৈনিক অগ্ৰদূত'ৰ উক্ত শিৰোনামাৰে লিখা সম্পাদকীয় নিবন্ধটি সময়োপযোগী হৈছে আৰু ইয়াৰ বাবে সম্পাদক কৃতজ্ঞতাৰ পাত্ৰ হৈ ৰ'ব। সম্পাদকীয়টো আজিৰ বিশ্বৰ সমাজৰ বাবে এক সকীয়নি বুলিব লাগিব।

সম্প্ৰতি সমগ্ৰ বিশ্বৰ প্ৰতিখন দেশতে প্ৰদূষিত পৰিৱেশৰ কাৰণে সাধাৰণ মানুহ দুৰাৰোগ্য ৰোগত ভুগি মৃত্যুবৰণ কৰিব লগা হৈছে। আজিৰ বায়ুমণ্ডল দূষিত হোৱাৰ বাবে মানৱ সমাজে যে দায়ী তাক অস্বীকাৰ কৰাৰ উপায় নাই। হাবি-জংঘল কাটি সেউজীয়া পৰিৱেশ বিনষ্ট কৰি বৃহৎ-বৃহৎ কল-কাৰখানা, অট্টালিকা সাজি প্ৰকৃতিৰ নিৰ্মল পৰিৱেশ দূষিত কৰি মানুহে কিছুমান বেমাৰক সংগী হিচাপে লৈ জীৱন অতিবাহিত কৰি থাকিব লগাত পৰিছে। যন্ত্ৰৰ আৱিষ্কাৰে ভৱিষ্যতে মানৱ জাতিক পৃথিৱীখন বসবাসৰ অনুপযোগী কৰিব বুলি তাহানিতে মহাত্মা গান্ধীয়ে সকীয়াই দিয়া সত্ত্বেও বিশ্বৰ আন দেশৰ কথা বাদেই দিলো আমাৰ ভাৰতবৰ্ষৰ শাসনকৰ্তাসকলে কোনো গুৰুত্ব নিদিলে। ফলত আজি প্ৰদূষণৰ কবলত পৰি দেশৰ সকলো শ্ৰেণীৰ নাগৰিকে দিশহাৰা হৈ পৰিছে। কেৱল প্ৰদূষণ দূষিত হোৱাৰ বাবেই যে আজিৰ মানুহে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ পৰিছে, তেনে নহয়। ৰাসায়নিক সাৰৰ প্ৰয়োগ আৰু বিষাক্ত কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰা খাদ্য-শস্য খোৱাৰ ফলতো যে আজিৰ যুগৰ মানুহে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ পৰিছে তাকো সম্পাদকে নিৱন্ধটিত উল্লেখ কৰাটো প্ৰশংসনীয়।

কিন্তু আজিৰ বিশ্ব সমাজত ইয়াৰ পৰিত্ৰাণ কিদৰে পাব পৰা যায়? ইয়াৰ বাবে নেতৃত্ব কোনে ল'ব? কিদৰে সম্ভৱ হ'ব? আজিৰ বিশ্ববাসীক কোনে জগাই তুলিব (?) এই বুলি সম্পাদকে আক্ষেপ কৰিছে। আজি মহাত্মা গান্ধীও নাই, কোনে আজি এই ভয়াৱহ পৰিস্থিতিৰ পৰা মুক্ত কৰিব? বিশ্বৰ মহা শক্তিধৰ আমেৰিকা যুক্তৰাষ্ট্ৰক ৰাষ্ট্ৰসংঘই সেও মনাব নোৱাৰাটোৱে বিচাৰ্য বিষয় হৈ পৰিছে।

**লক্ষেশ্বৰ দেৱ নাথ,** সৃজনগ্ৰাম, বঙাইগাঁও
ফোন ঃ ৯৬৭৮৬৭৮২৬৮

## যদি জীৱনে কান্দে

অভিমত


**অশিক্ষিত** অৱস্থাত মানুহৰ জীৱন-যাত্ৰা আছিল মুক্ত। সকলো কামেই প্ৰায় মুক্তভাৱে কৰিছিল। খোৱা-লোৱা, পিন্ধা-উৰা, অহা-যোৱা, কথা-বাৰ্তা সকলোৱেই মুকলিমুৰীয়া আছিল। গৰমকালি চোতালতে বহু মানুহে নিশা শুইছিল, ঠাণ্ডাৰ সময়ত চোতালৰ ৰ'দত বহি ভাত-চাহ খাইছিল। ঘৰলৈ অহা মানুহক বহুতে চোতালত বা পিৰালিত বহিবলৈ দিছিল আৰু তাতেই চাহ-তামোলৰ যোগান ধৰিছিল। গৃহস্থ আৰু অতিথি একেলগে চাহ-জলপান খাইছিল আৰু চাহ-মেলতে মানুহৰ প্ৰয়োজনীয় কথা পাতিছিল, তেতিয়াৰ মানুহৰ মাজত কথাৰ পেছ নাছিল, গোপনীয়তা বুলি কোনো কথা নাছিল বুলিবই পাৰি। পৰিয়ালৰ পুৰুষ-মহিলা, ল'ৰা-ছোৱালী সকলোৱে একে স্থানতে গোট খাই, প্ৰত্যেকে খোলামনে কথা পাতিছিল। ৰাইজৰ নজনা নহয় যে তেতিয়া প্ৰত্যেকৰ ঘৰৰ ওচৰৰ পৰা অটব্য হাবি-জংঘল আছিল আৰু সিবোৰত হিংস্ৰ জন্তুত বাহিৰে আন সকলোবোৰ জন্তুৰো বাসস্থান আছিল আৰু তাতেই জন্তুবোৰে বিচৰণ কৰি আছিল, তথাপি মানুহ আৰু ঘৰচীয়া জীৱ-জন্তুবোৰে নিৰাপদে বাস কৰি আছিল। আজি অটব্য হাবি নোহোৱা হ'ল। সকলোতে মানুহৰ বসতি ভিৰ হৈ আহিল। মানুহে বসতিৰ বাবে সুবিধা কৰি ল'লে, জন্তুবোৰৰ সুবিধা নোহোৱা হ'ল। গতিকে বনৰ জীৱ-জন্তুৱেও মানুহৰ মাজত ভিৰ কৰিবলৈ বাধ্য নহ'ল জানো? বনৰ জন্তু আৰু চহৰ-নগৰ-গাঁওত বসবাস কৰা মানুহৰ মাজত সংঘাতৰ সৃষ্টি হ'ল। জীৱ-জন্তু থকা ঠাই আৰু খাদ্যৰ স্থানবোৰ মানুহৰ দখলত। মানুহে থকাৰ কাৰণে ব্যৱস্থা কৰিলে, কিন্তু জীৱ-জন্তুবোৰৰ কথা মানুহে ভাবিছেনে? আজিৰ মানুহৰ মাজত সহায়-সহযোগিতাও প্ৰদৰ্শনমূলক হোৱা বুলি ভাবিব নোৱাৰি জানো? কিয়নো সহানুভূতিৰ অন্তৰালত প্ৰায় স্বাৰ্থপৰতা লুকাই থকা জোলোঙাৰ মেকুৰী ওলাই পৰা, কোনে দেখা নাই বা জনা নাই? আজিৰ শিক্ষিত মানুহৰ মাজত আটাইতকৈ অভাৱ ঘটিল ত্যাগৰ। য'ত ত্যাগ নাই, তাত নিৰাপত্তাও নাই।

**মদন চহৰীয়া**
ছিপাঝাৰ




দেশৰ এনে এক সন্ধিক্ষণত নাগৰিক সমাজৰ দায়িত্ব বহু পৰিমাণে বৃদ্ধি পাইছে। চৰকাৰে গ্রহণ কৰা বিভিন্ন পদক্ষেপ বাতৰি কাকত, বৈদ্যুতিন মাধ্যম আদিৰ জৰিয়তে তথ্য সম্বলিত বিশ্লেষণাত্মক সমালোচনা কৰি ৰাইজক সজাগ কৰাৰ লগতে চৰকাৰৰ ওপৰত এক ধনাত্মক চাপৰ সৃষ্টি কৰাটো সময়ৰ আহ্বান। গণতন্ত্রৰ চতুৰ্থ স্তম্ভৰো এই দিশত সংবিধান প্রদত্ত অধিকাৰেৰে বলীয়ান হৈ দিকনিৰ্ণায়ক ভূমিকা গ্রহণ কৰাৰ স্থিতি আহি পৰিছে।

# ক'ভিডৰ 'পক্ষীগীত'



## পল্লৱ ভট্টাচাৰ্য্য

**ভাৰতবৰ্ষৰ** লগতে পৃথিবীৰ বিভিন্ন দেশৰ মানুহৰ ক'ভিড সম্পৰ্কীয় ব্যৱহাৰৰ পৰস্পৰ বিৰোধিতাই মানৱ সমাজৰ অস্তিত্বৰ প্রশ্ন অৱতাৰণা কৰিছে। শীৰ্ষস্থানীয় টেনিছ খেলুৱৈ ন'ভেক জকভিচৰ প্রতিষেধক নোলোৱাৰ বাবে অষ্ট্রেলিয়াৰ ভিছা বাতিলকৰণ, আমেৰিকাই বিনামূলীয়া এন-৯৫ মুখা ৰাইজক দিয়াৰ বিপৰীতে ইংলণ্ডে ক'ভিড নিয়ম সম্পূৰ্ণৰূপে শিথিল কৰা আদিয়ে এই পৰস্পৰ বিৰোধিতাক সূচাইছে। ইয়াতে আমেৰিকাৰ ৰোমাঞ্চকৰ কল্পবিজ্ঞান চলচ্চিত্র 'Songbird'এ চিত্রিত কৰা ২০২৪ত ক'ভিড-১৯ ভাইৰাছ ক'ভিডলৈ ৰূপান্তৰিত হৈ জগতক অতিমাৰীৰ চতুৰ্থবৰ্ষৰ অভিজ্ঞতা প্রদান কৰাৰ প্রসংগ উল্লেখযোগ্য হৈ পৰিছে। আমেৰিকা যুক্তৰাষ্ট্রৰ মানুহে তেতিয়া চেলফোনৰ জৰিয়তে শৰীৰৰ উত্তাপ লৈ বাধ্যতামূলক এপত এছ অ' পিৰ মতে তথ্য আপল'ড কৰিবলৈ বাধ্য হৈছে; যিসকল ক'ভিড-২৩ৰ দ্বাৰা আক্রান্ত তেওঁলোকক Q-জন নামেৰে ক'ভিদ-কনচেন্ট্রেচন কেম্পত ৰখা হৈছে। তেনে পৰিস্থিতিত ঘটা বিভিন্ন ঘটনাৰ প্রতিফলন চিনেমাখনৰ কাহিনী। ক'ভিড-১৯ কালক্রমত গৈ ক'ভিড-২৪লৈ ৰূপান্তৰিত হোৱাই মানৱ জাতিক ক'ভিডৰ লগত সহবাস কৰাৰ পৰিস্থিতিৰ লগতে আমি আৰক্ষীৰ দ্বাৰা নিয়ন্ত্রিতৰ দিশে গতি কৰা সূচাইছে। স্পেইনৰ প্রধানমন্ত্রী পেদ্র চাঞ্চেজৰ ইউৰোপৰ দেশসমূহক কৰা ১০ জানুৱাৰীৰ আহ্বানে এইক্ষেত্রত যথেষ্ট তাৎপৰ্য বহন কৰিছে।

চেলুলয়দৰ পৰা এতিয়া বাস্তৱ জগতলৈ অহা যাওক। মানৱজাতিৰ ক্রমবৰ্দ্ধমান উন্নতিৰ লগে লগে কিছু অন্তৰ্নিহিত কাৰকে বিৰূপ প্রতিক্রিয়াৰ সৃষ্টি কৰা দৃষ্টিগোচৰ হৈছে। আমাৰ বৰ্তমানৰ বিকাশৰ যি ধাৰা সি ক্রমবৰ্দ্ধমান বন নিধন আৰু জৈৱ বৈচিত্র্যৰ বিনাশৰ পক্ষপাতী। লগতে ত্বৰান্বিত নগৰীকৰণ, বিস্তৃত পশুপামৰ আৱিৰ্ভাৱ আৰু গোলকীয় যাত্রাৰ বিশাল প্রসাৰে প্রাণীৰ পৰা হোৱা ভাইৰাছ মানৱজাতিৰ আতিথ্য কোষলৈ ভয়াৱহৰূপে সংক্রমণ কৰাটো অতি সহজ হৈ পৰিছে। সেয়েহে বিজ্ঞানী আৰু জনস্বাস্থ্য বিশেষজ্ঞসকলে বহুদিনৰ পৰা মানৱজাতিক কিছু বিশেষ ভাইৰাছৰ দ্বাৰা আক্রান্ত হোৱাৰ সম্ভাৱনা সম্পৰ্কে সতৰ্ক কৰি আহিছিল। পৃথিৱীৰ চৰকাৰসমূহে এই সাৱধানবাণীক গুৰুত্ব সহকাৰে নল'লে। আমাৰ সীমিত অধ্যয়নৰ বাবে এইটো জনা জৰুৰী যে এই ভাইৰাছৰ ক্ষণে ক্ষণে ৰূপান্তৰ হোৱাৰ সম্ভাৱনা অতি বেছি— সেয়েহে আমি ক'ভিডৰ আদিৰ পৰা বৰ্তমানলৈকে আলফা, বিটা, গামা, ডেল্টা, অ'মিক্রন, চাইপ্রাচৰ ডেল্টাক্রন আদি ৰূপান্তৰসমূহৰ বিষয়ে অৱগত হৈছো। ইয়াৰ পিছত সময়ৰ অগ্রগতিৰ লগে লগে আৰু বিভিন্ন ৰূপান্তৰৰ আগমন অৱশ্যম্ভাৱী।

কৰ'না ভাইৰাছৰ বিৱৰ্তন প্রথমে ১৯৬৫ত সাধাৰণ পানীলগা হিচাপে আৰম্ভ হৈছিল। পিছৰ দশকত মানৱ আৰু প্রাণীজগতৰ পৰা উদ্ভৱ হোৱা কিছু ভাইৰাছৰ গোটৰ আৱিষ্কাৰ হ'ল। SARS ক'ভিড ২০০২ত দক্ষিণ চীনত উদিত হৈ ২৮খন দেশলৈ বিয়পি পৰিছিল; জুলাই ২০০৩ পৰ্যন্ত ৮০০০ ব্যক্তি আক্রান্ত হৈছিল আৰু ৭৭৪ জন মৃত্যুৰ সন্মুখীন হৈছিল। MERS চৌদি আৰবত ২০১২ত হৈছিল আৰু আক্রান্ত হোৱা ২৫০০টা ঘটনা মধ্য প্রাচ্যৰ বা তালৈ ভ্রমণ কৰা ব্যক্তিৰ মাজত হৈছিল। যদিও এই ভাইৰাছৰ বৈশিষ্ট্য কম সংক্রমণ তথাপি ৮৫৮ ব্যক্তিৰ মৃত্যুৱে ইয়াৰ ভয়াৱহতা প্রতিপন্ন কৰিলে।

ভাৰত চৰকাৰে ক'ভিড অতিমাৰীৰ ব্যৱস্থাপনাৰ বাবে পাঁচ প্রকাৰৰ কৌশল অৱলম্বন কৰিছে- পৰীক্ষণ, যোগাযোগ ট্রেচিং, চিকিৎসা, কভিড-উপযুক্ত আচৰণ আৰু টিকাকৰণ। কিন্তু চৰকাৰৰ এই নীতিসমূহৰ কিছু দোষ ক্রমাগতভাৱে দৃষ্টিগোচৰ হ'ল। এই ৰোগ নিৰাময়ৰ বাবে লোৱা চৰকাৰৰ ব্যৱস্থাবোৰ বহুসময়ত বৈজ্ঞানিক নিয়মেৰে নিষ্পত্তি নকৰাৰ অভিযোগ উত্থাপন হৈছে। উল্লেখযোগ্য বিন্দুসমূহ হৈছে—১) কোনো সকীয়নি নিদিয়াকৈ ২৪-৩-২০২০ত সকলো ক্ষেত্রত কৰা তলাবন্ধ, (২) জনগণৰ অতি কম পৰিক্ষণ, (৩) দেশৰ বিভিন্ন প্রান্তত অভিবাসী শ্রমিকৰ দুৰ্দশা, (৪) মৃতকৰ সংখ্যা কম কৰি দেখুওৱা, (৫) নিবনুৱাৰ সংখ্যা বৃদ্ধি, (৬) দেশৰ অৰ্থনৈতিক অৱস্থাৰ বিস্তৰ ক্ষতি আৰু সমান্তৰালভাৱে চৰকাৰৰ বিফলতা, (৭) টিকাকৰণৰ ব্যৱস্থা জনগণৰ কল্যাণৰ পৰীপন্থী হোৱা, (৮) দেশৰ নাগৰিকক টিকাকৰণৰ কৰাৰ আগেয়ে বিদেশলৈ টিকা পঠিওৱা, (৯) ক'ভিড ব্যৱস্থাৰ ৰাজনীতিকৰণ আৰু ফলস্বৰূপে উদ্ভৱ হোৱা বিকৃত পৰিস্থিতি। ইয়াৰ বাহিৰেও ক'ভিড সম্পৰ্কীয় প্রায়বোৰ ব্যৱস্থাৰ অতিমাত্রিক কেন্দ্রীয়কৰণ আৰু ৰাজ্য চৰকাৰৰ মতামত নোলোৱা ব্যৱস্থা, স্বাস্থ্যখণ্ডত আৰু মানৱ সম্পদত অপৰ্যাপ্ত বিনিয়োগ, কেইবাটাও সংকটপূৰ্ণ ক্ষেত্রত চৰকাৰে কৰা বিলম্ব, চৰকাৰী স্ফীত পেকেজৰ ঘোষণাৰ পিছতো সাহায্য ব্যৱস্থাত স্থান কাল পাত্র ভেদে কৰা কাৰ্পণ্য আদিয়েই প্রধান। Centre for Budget Governance and Accountability (CBGA) 2020ৰ তথ্যমতে অতি কম পুঁজি (0.04% GDP1) চৰকাৰে মোকলাই দিছিল আৰু তাৰ কেৱল আধা অংশ ৰাজ্যসমূহক স্বেচ্ছাচাৰীভাৱে বিতৰণ কৰা হৈছিল। ৰাজ্যসমূহৰ সম্পদৰ বেচৰকাৰীকৰণ আৰু মাটি, শ্রম আৰু পৰিবেশ সম্পৰ্কীয় ব্যৱস্থাৰ শিথিলকৰণ, চৰকাৰী নীতি প্রক্রিয়াত থকা শ্রেণী, জাতি আৰু লিঙ্গ বৈষম্য, গণতান্ত্রিক অধিকাৰ আৰু ভিন্নমতবাদক কঠোৰ হাতেৰে দমনকো বহুতে সমালোচনা কৰিছিল। ক্ষেত্রবিশেষে চৰকাৰৰ সীমাৰদ্ধতা আৰু ৰাজনীতিকৰণৰ প্রভাৱ মনত ৰাখিও, সকলোৰে বাবে, যদি এই আসোঁৱাহসমূহৰ আন্তৰিকভাৱে বিমোচন কৰা যায় ই দেশৰ বাবে মঙ্গল।

উল্লেখ্য যে ইউৰোপৰ প্রায়বিলাক প্রদেশ বৰ্তমান অতিসংক্রমিত অ'মিক্রন ভাইৰাছৰ দ্বাৰা সংক্রমিত হৈছে। সেই দেশসমূহৰ অতি উন্নত স্বাস্থ্য-পৰিচৰ্যাৰ ব্যৱস্থা শোচনীয়ভাৱে প্রভাবিত হোৱা পৰিলক্ষিত হৈছে। অত্যধিক বিছনাৰ প্রয়োজনীয়তা আৰু স্বাস্থ্য কৰ্মীৰ নগণ্য সংখ্যাই স্বাস্থ্যখণ্ডত বিৰূপ পৰিস্থিতিৰ সৃষ্টি কৰিছে। WHOৰ মতে সমগ্র বিশ্বত ছয় জানুৱাৰীত-২০২২ৰ আগৰ সপ্তাহত ৯.৫ নিযুত ব্যক্তি আক্রান্ত হৈছে আৰু ই আগৰ সপ্তাহতকৈ ৭১ শতাংশ অধিক। আমেৰিকা যুক্তৰাষ্ট্রতো কম বয়সৰ ল'ৰা-ছোৱালীৰ চিকিৎসালয়ত ভৰ্তিৰ সংখ্যা দ্রুতভাৱে বৃদ্ধি পাইছে। তাত ৬.১.২০২২ত ৬,৬২,০০০ নতুন ক'ভিড সংক্রমণ ৰজু হয় যি এক বৃহৎ সংখ্যা। চিকিৎসালয়ত ভৰ্তিৰ সংখ্যা




১,২৩,০০০ হৈছে আৰু অতি সোনকালে ই দেশৰ এতিয়ালৈকে আক্রামিত সৰ্ববৃহৎ সংখ্যা ১,৩২,০০০ ভাৰতৰ লগতে অসমতো ক'ভিড আক্রান্ত লোকৰ সংখ্যা দিনকদিনে বৃদ্ধি পাব ধৰিছে। অসম চৰকাৰৰ ১৪-০১-২০২২ত মুঠ সংক্রমণৰ সংখ্যা ৫৮০৬৫৭। গুৱাহাটীত ক'ভিডৰ ধনাত্মক হাৰ ৬.৪৭ শতাংশ অতিক্রম কৰিছে যি ৰাজ্যখনৰ হাৰৰ (৩.৭৩ শতাংশ) প্রায় দুগুণ। অ'মিক্রনৰ সংক্রমণ ভাৰতৰ লগতে অসমতো অদূৰ ভৱিষ্যতে বৃদ্ধি হোৱাটো খাটাং। ক'ভিডৰ আগমনৰ পৰা আজি পৰ্যন্ত ভাৰতৰ লগতে অসমতো শিক্ষা ক্ষেত্রত অপূৰণীয় ক্ষতি হৈছে। সৰু ল'ৰা-ছোৱালীৰ লগতে বিভিন্ন শ্রেণীৰ শিক্ষাৰ্থী মানসিক আৰু শাৰীৰিকভাৱে ক্ষতিগ্রস্ত হৈছে। দেশৰ অৰ্থনৈতিক মন্দাৱস্থাৰ লগতে নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। জনসংখ্যাগত লাভাংশৰ (Demographic Dividend) এক উন্নত পৰিস্থিতিত থকাৰ পিছতো যদি আমি সুবিধাখিনি ল'ব নোৱাৰো ইতিহাসে আমাৰ প্রজন্মক দোষী সাব্যস্ত কৰাটো নিশ্চিত।

দেশৰ এনে এক সন্ধিক্ষণত নাগৰিক সমাজৰ দায়িত্ব বহু পৰিমাণে বৃদ্ধি পাইছে। চৰকাৰে গ্রহণ কৰা বিভিন্ন পদক্ষেপ বাতৰি কাকত, বৈদ্যুতিন মাধ্যম আদিৰ জৰিয়তে তথ্য সম্বলিত বিশ্লেষণাত্মক সমালোচনা কৰি ৰাইজক সজাগ কৰাৰ লগতে চৰকাৰৰ ওপৰত এক ধনাত্মক চাপৰ সৃষ্টি কৰাটো সময়ৰ আহ্বান। গণতন্ত্রৰ চতুৰ্থ স্তম্ভৰো এই দিশত সংবিধান প্রদত্ত অধিকাৰেৰে বলীয়ান হৈ দিকনিৰ্ণায়ক ভূমিকা গ্রহণ কৰাৰ স্থিতি আহি পৰিছে। চৰকাৰ আৰু স্বাস্থ্যবিভাগে লোৱা বিভিন্ন কাৰ্যসূচীৰ বাহিৰেও কৰ'নাৰ ব্যাপক সংক্রমণ ৰোধিবলৈ চিকিৎসা বিজ্ঞানসন্মত মুখা পৰিধান কৰা, পৰিষ্কাৰ-পৰিচ্ছন্নতাত গুৰুত্ব আৰোপ আৰু সামাজিক দূৰত্ব বজাই ৰাখি অ'মিক্রন ভাইৰাছক পৰাভূত কৰা অতি জৰুৰী। এয়া এক ধ্রুৱ সত্য যে যদিহে এই ক'ভিড ভাইৰাছে আন মানুহৰ দেহত প্রৱেশ কৰিব নোৱাৰে বৰ্তমানৰ অ'মিক্রন ৰূপান্তৰিত হৈ শক্তিশালী ভাইৰাছ সৃষ্টি কৰিব নোৱাৰি দুৰ্বল হৈ পৰিব। চৰকাৰেও এয়া নিশ্চিত কৰিব লাগিব যে এছ অ' পি চৰকাৰ পক্ষইও নিয়মমাফিক পালন কৰিব লাগিব— বৰ্তমানে বাতৰি আৰু সামাজিক মাধ্যমত দৃষ্টিকটূভাৱে প্রকাশিত মন্ত্রী-আমোলা-ৰাজনীতিজ্ঞৰ বিৰাট জনসমাগমত প্রট'কল বিৰোধিতাৰে ভাগ লোৱাই সমগ্র প্রক্রিয়াটো প্রহসনত পৰিণত কৰি জনসাধাৰণক বিপথে পৰিচালিত কৰিছে। ৰাইজ চৰকাৰ গণ মাধ্যমৰ যৌথ প্রচেষ্টাই ক'ভিড বিৰোধী অভিযানক সফল কৰি 'Songbird' চিনেমাৰ ভয়াবহতাৰ পৰা আমাক মুক্ত কৰি এক উজ্জ্বল ভৱিষ্যতৰ দিশে লৈ যাব পাৰে। অন্যথা হিটলাৰৰ Concentration Camp সদৃশ Q-Zone Campৰ বাবে আমি সাজু হোৱা উচিত। কাৰ্ল মাৰ্ক্সৰ ভাষাত " History repeats itself, first as a tragedy, then as a farce"।

*ফোন ঃ ৯৪৩৫০৪৮৭৭৭*

# গ্রাম্য পুথিভঁৰালবোৰ চৰকাৰৰ আঁচনিয়ে ঢুকি পাবনে

## ব্রজেন জীৱন

**প্রাক** স্বাধীনতা কালতে অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে গ্রন্থাগাৰ বা পুথিভঁৰাল স্থাপনৰ এক আন্দোলনে গা কৰি উঠিছিল। অসমীয়া ভাষাৰ ৰক্ষাৰ্থে আৰু শিক্ষা আহৰণৰ সুবিধাৰ্থে গাঁওবোৰত সেই সময়ত শিক্ষিত এচাম লোকে পুথিভঁৰালৰ প্রয়োজনীতা উপলব্ধি কৰিছিল। উল্লেখ্য যে কুমুদেশ্বৰ বৰঠাকুৰৰ দৰে বহুতো শিক্ষিত সংগ্রামী লোকৰ প্রচেষ্টাত প্রাক্-স্বাধীন কালতে অসমত গ্রন্থাগাৰ আন্দোলনে এক বিস্তৃত প্রভাৱ পেলাবলৈ সক্ষমো হৈছিল। আৰু পৰৱৰ্তী সময়ত প্রায়বোৰ গাঁৱতে একোটাকৈ ৰাজহুৱা পুথিভঁৰাল দেখা পোৱা গৈছিল। জানিব পৰা মতে, দেশ স্বাধীন হোৱাৰ পাছত আমাৰ ককাহঁতৰ প্রচেষ্টাত সেই সময়তেই এচাম শিক্ষিত ডেকা-গাভৰুৰ সহযোগত বাঁহ-কাঠ-খেৰেৰে গাঁৱৰ বৰনামঘৰৰ লগতে এটা কোঠা সাজি কিতাপ ৰখাৰ ব্যৱস্থা কৰিছিল। সেই সময়ত সকলো মানুহে স্কুল- কলেজত পঢ়ি জ্ঞান আহৰণ কৰা সিমান সহজ কথা নাছিল আৰু স্কুল- কলেজৰ সংখ্যাও কম হোৱাৰ বাবে বহুতেই বিদ্যালয়মুখী হ'ব নুখুজিছিল। শিক্ষা আহৰণ কৰা সকলেও কিতাপ পঢ়াৰ অভ্যাস নকৰিলে সেই বিদ্যা বা জ্ঞান ক্রমে হ্রাস হয় বুলি শিক্ষিতসকলে অনুভৱ কৰিছিল। কথাতে কয় নহয় যে অনভ্যাসে হতঃ বিদ্যা। এইটোও সত্য যে সকলোৰে বাবে সকলো গ্রন্থ ক্রয় কৰাটো ইমান সহজ নহয় বা অত্যাৱশ্যকীয় সকলো কিতাপ একেলগে সংগ্রহ কৰি পঢ়াটোও সম্ভৱ নহয়। গতিকে গাঁৱতে এটা ৰাজহুৱা পুথিভঁৰাল থাকিলে শিক্ষিতসকলে বা গ্রন্থপ্রেমী লোকসকলে শিক্ষা গ্রহণ বা জ্ঞান চৰ্চা অব্যাহত ৰখাত সহজ হৈ পৰে। সেই সূত্রেই গাঁওবোৰত পুথিভঁৰাল একোটা স্থাপনৰ এচাম শিক্ষিত ডেকাই পোষকতা কৰিছিল। কিন্তু অতি পৰিতাপৰ কথা প্রাক্-স্বাধীনতা কালতে স্থাপন হোৱা গ্রাম্য পুথিভঁৰালবোৰৰ এতিয়া অনাদৰ-অৱহেলাত মৃত্যুঘণ্টা বাজিছে। কিন্তু কিয় আজি অসমৰ গাঁওবোৰত থকা পুথিভঁৰালৰ এই দুৰৱস্থা, তাক লৈ বৌদ্ধিক মহল বা চৰকাৰী বিভাগীয় মহলত আলোচনা হৈছেনে?

প্রণিধানযোগ্য যে অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে আজি শিক্ষিত চামেই পুথি পঢ়াৰ ফালে পিঠি দিছে। আজি সামাজিক মাধ্যমে ছপা মাধ্যমক মাধমাৰ শোধাইছে নে শিক্ষিত ডেকাচামে পুথিভঁৰাল ধন আৰ্জনৰ আহিলা নহয় বুলি ভাবিয়েই পুথিভঁৰালৰ প্রতি অনীহা প্রকাশ কৰিছে তাক লৈ কিন্তু প্রশ্ন উঠিছে। এবাৰ এখন সভাত অসমৰ এজন বিশিষ্ট সাহিত্যিক হৰিচৰণ দাসে কোৱা এষাৰ কথা মনত পৰিছে। তেওঁ কৈছিল যে এটা সময়ত পুথিভঁৰালবোৰ আছিল একোখন গাঁৱৰ ৰাইজৰ সকলো ধৰণৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু সাহিত্য চৰ্চাৰ কেন্দ্রস্থল। বিহু, নাটক, শিল্পীদিৱস, ৰাভা দিৱস, ভূপেন্দ্র সংগীত, সৰস্বতী পূজা আদি সকলোবোৰ ৰাজহুৱা কামেই এই পুথিভঁৰালবোৰক আশ্রয় কৰিয়েই অনুষ্ঠিত হৈ আহিছিল। প্রাচীৰ পত্রিকা, হাতেলিখা আলোচনী আদি তাৰ পৰাই উলিয়াইছিল। স্বাধীনতা আন্দোলনৰ সময়ত পুথিভঁৰালবোৰ বা সংঘবোৰ আছিল আড্ডাৰ স্থলী, কাৰ্যকলাপৰ কেন্দ্রস্থল। ৰাজনৈতিক সভা-সমিতিবোৰ সেই সংঘ বা পুথিভঁৰালৰ গইনা লৈ অনুষ্ঠিত হৈছিল; কিন্তু আজি সেই ৰামো নাই অযোধ্যাও নাই। কোনো কোনো গাঁৱত পুথিভঁৰাল নামত আছে, কিন্তু কামত নাই। প্রণিধানযোগ্য যে সম্প্রতি অসমত গাঁৱে-ভূঞে শিক্ষাৰ হাৰ বৃদ্ধি হৈছে, শিক্ষিত লোক বাঢ়িছে আৰু সেই অনুপাতে কবি-সাহিত্যিক বা নিবন্ধকাৰৰ সংখ্যাও বাঢ়িছে। কিতাপ লিখা মানুহৰো সংখ্যা কমা নাই। চৰকাৰৰ জনমুখী আঁচনিসমূহৰো দিনক দিনে ইটোৰ পাছত সিটো বাঢ়িব লাগিছে; কিন্তু গাঁৱৰ কল্যাণকামী পুথিভঁৰালবোৰ দিনক-দিনে মৃত্যুমুখলৈ গতি কৰিছে। চৰকাৰৰ জনপ্রতিনিধিসকলেও তাৰ প্রতি পিঠি দিছে। গাঁৱত লিখা-মেলা কৰা লোকসকলক জনপ্রতিনিধিসকলে গুৰুত্বই নিদিয়া হৈ পৰিছে। অপ্রিয় হ'লেও সত্য যে শিক্ষিতসকলৰ এচামে চৰকাৰী চাকৰি আৰু ঠিকা-ঠুকলিৰ বাবে জনপ্রতিনিধিসকলক তৈলমৰ্দন কৰাত ব্যস্ত হৈ পৰিছে। সেয়েহে আজি অসমৰ গাঁওবোৰত থকা পুথিভঁৰালবোৰৰ ভেটিত তিতালাও গজিছে। অৱশ্যে এটা কথা ভাল হৈছে যে আমাৰ দৰে বহুতো লিখা-মেলা কৰা লোকে ঘৰতে একোটাকৈ পুথিভঁৰাল গঢ় দিছে। তাতো গুজব উঠে যে সেই মখাই লোকক দেখাবলৈহে ঘৰতে পুথিভঁৰাল সাজি লৈছে। এইটোও ঠিক যে আনক দেখাবলৈ হ'লেও ঘৰতে সজা পুথিভঁৰালবোৰে অন্ততঃ পৰিয়ালৰ আন আন সদস্যক গ্রন্থৰ প্রতি আগ্রহী কৰি তুলিছে। সঁচা কথা এই যে ব্যক্তিগত পুথিভঁৰালবোৰে এখন সমাজ কেতিয়াও গঢ় দিব নোৱাৰে। সেয়েহে সকলোৰে গাঁৱৰ ৰাজহুৱা পুথিভঁৰাল এটা বিচাৰে। সেয়েহে আমি আমাৰ গাঁৱত একোটা পুথিভঁৰাল গঢ় দিয়াটো অতীৱ প্রয়োজন।



এইখিনিতে চৰকাৰৰ প্রতি কেইটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। চৰকাৰে ৰাজহুৱা গ্রাম্য পুথিভঁৰালবোৰ সক্রিয় কৰিবলৈ পুথিভঁৰাল বিভাগক দায়িত্ব অৰ্পণ কৰক। এই বিভাগটোক চৰকাৰে অদৰকাৰী বিভাগ বুলি পেলাই থলে নহ'ব। ভাৰতৰ প্রায়বোৰ ৰাজ্যতে গ্রন্থাগাৰ বিধি আছে। আমাৰ ৰাজ্যত এই বিধি আছে নে নাই আমি নাজানো। আমাৰ ৰাজ্যৰ গাতে লাগি থকা পশ্চিমবংগত সেই বিধি অনুসৰি আজি গাঁৱে-ভূঞে পুথিভঁৰাল স্থাপন কৰি এখন সভ্য সমাজ গঢ় দিবলৈ চৰকাৰে প্রয়াস কৰিছে। পুথিভঁৰাল বিধি প্রণয়ন কৰি ভাৰতৰ বিভিন্ন ৰাজ্যৰ দৰে অসমৰ মৃতপ্রায় পুথিভঁৰালবোৰ জীৱিত কৰি তুলিবলৈ চৰকাৰে পুথিভঁৰাল গৃহ নিৰ্মাণৰ বাবে টকাৰ যোগান ধৰিব লাগে, কিতাপ-পত্র যোগান, নিয়মীয়াকৈ বাতৰি কাকত-আলোচনী কিনিবলৈ অৰ্থৰ যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে। গাঁৱে-ভূঞে থকা জনপ্রতিনিধিসকলেও পুথিভঁৰালৰ প্রয়োজনীয়তা উপলব্ধি কৰি আঁচনি প্রস্তুত কৰিব লাগে। তেতিয়াহে আমাৰ গাঁৱৰ দৰে অধুনালুপ্ত পুথিভঁৰালবোৰ জাকত জিলিকা অনুষ্ঠান হিচাপে গাঁওখনত জিলিকি উঠিব, গাঁওখনত শিক্ষিতৰ হাৰ বৃদ্ধি হ'ব, লেখকৰ সংখ্যা বাঢ়িব আৰু গাঁৱৰ উন্নতি হ'লে দেশৰ উন্নতি হ'ব। আমি সকলোৱে জানো যে প্রতিখন গাঁৱতে একোখনকৈ প্রাথমিক বিদ্যালয় আছে। সেই বিদ্যালয়বিলাকলৈ চৰকাৰে শিক্ষা বিভাগৰ দ্বাৰা পুথিভঁৰালৰ বাবে কিতাপ যোগান ধৰি আহিছে; কিন্তু সেই বিদ্যালয়বোৰৰ সৰহসংখ্যক বিদ্যালয়তে পুথিভঁৰাল কোঠা আৰু উপযুক্ত আলমিৰা নথকাত পুথিভঁৰালৰ মৰ্যাদা বিনাশ হৈছে। ছাত্র-ছাত্রীৰ বাবে বিদ্যালয়ৰ পুথিভঁৰাল প্রহসনত পৰিণত হৈছে। চৰকাৰে অতিশীঘ্রে গ্রন্থাগাৰ বিধি অনুসৰি বিদ্যালয়বোৰতো পুথিভঁৰালৰ বাবে সুকীয়া একোটা কোঠা নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে, পুথি ৰখাৰ বাবে আচবাব যোগান ধৰিব লাগে আৰু বাতৰি কাকত - আলোচনী আদি বিদ্যালয়বিলাকলৈ নিয়মীয়াকৈ যোগান ধৰিব লাগে। তেতিয়াহে গ্রাম্য পুথিভঁৰালবোৰৰ প্রয়োজনীয়তা যুৱক-যুৱতীসকলে উপলব্ধি কৰিব আৰু ৰাজহুৱা পুথিভঁৰালবোৰক প্রাণ দিবলৈ উঠি-পৰি লাগিব। শৃংখলাহীন যুৱমানসিকতাৰ মেৰপেচৰ পৰা উঠি অহা যুৱকচাম মুক্ত হ'ব।

*ফোন ঃ ৮৬৩৮৭৫৯৬৭৯*



# অৰুণাচলত শিক্ষকতা, মৰম আৰু সম্প্রীতি

## অৱলোকন



## ৰামচন্দ্র চুতীয়া

**শিক্ষকতা** বৃত্তি বোধহয় সঁচাই বৰ ঈৰ্ষণীয় আৰু আকৰ্ষণীয়। একালত অৰুণাচলত চৰকাৰী চাকৰি কৰা মোৰ ডাক্তৰ বন্ধু লক্ষ্যনাথ পগাগে অৱসৰ লোৱাৰ আগতে এদিন কথা প্রসংগত কৈছিল, তহঁতৰে ভাল দে। পুৱাই গা-পা ধুই স্কুললৈ যাবি, ক্লাছত সোমাবি আৰু ছেক্সপীয়েৰ, ৱৰ্ডছৱৰ্থ আদিৰ ৰসাল কথাবোৰ ছাত্রক পঢ়াবি।ছাত্রৰ লগতে তহঁতৰো মন ভাল লাগিব। আমাৰ আকৌ কি? ডাক্তৰৰ টেবুলত কাগজ-কলম লৈ বহিবি, ৰোগী আহিলে সুধিবি, আপোনাৰ পাইখানাটো ভাল হৈছে নে? প্রস্রাৱ কেনেকুৱা হৈছে ইত্যাদি ইত্যাদি। গতিকে তহঁতৰে ভাল দে'। আমি নিজে ৩৫ বছৰ কাল শিক্ষক আছিলো। প্রথমে অৰুণাচলৰ আওহতীয়া ঠাইত, চীন-ভাৰতৰ সীমাৰ ওচৰত। তাৰ মানুহক বহুতো মানুহে নিজৰ নিজৰ দৃষ্টিকোণৰ পৰা চাই মন্তব্য দিয়ে। আমাৰ মন্তব্য কিন্তু তেওঁলোক সদায় ভাল। একালত তেওঁলোকে গুৰু-শিক্ষকক ভগৱান বুলি অভিহিত কৰিছিল। 'ছাৰ নাই হ'লে ডি.চি নাই হ'ব' বুলি অকপটে কৈছিল। সেইবোৰ কথা নোদোহাৰো—পাঠকসকলে আমনি পাব।

এতিয়া আগৰ দিন নাই। ভৈয়ামৰ পৰা যোৱা শিক্ষকসকল, বিশেষত প্রায় সকলো অসমীয়া শিক্ষকে প্রথম অৱস্থাত তাত দধীচিৰ দৰে শিক্ষাদান কৰিছিল। দুই-একৰ 'জানো' গৈছিল, বেমাৰ-আজাৰত অথবা নৈসৰ্গিক দুৰ্ঘটনাত। আমি জনাত, বংশ-পৰিয়াল এৰি পাহাৰত সুদীৰ্ঘকাল নিঃসংগ জীৱন কটোৱাৰ বাবে ভালেকেইজন শিক্ষকৰ মগজুৰ বিকৃতি ঘটিছিল। তেওঁলোকক কিন্তু কোনেও পাগল বুলি নাহাঁহিছিল। বৰঞ্চ চৰকাৰে তেজপুৰ বা ৰাঁচীত চিকিৎসা-পাতি কৰোৱাইহে আনিছিল। স্থানীয়সকলে 'আন', ছাৰটো দেখিলে মৰম লাগে, কি যে হৈ গ'ল'। 'পগলা' ছাৰকো তেওঁলোকে আদৰ-সাদৰকৈ ৰাখিছিল, ৰেছন-পাতি যোগাৰ দিছিল, শাক-পাচলি, খৰি-পানী আনি দি সহায় কৰি দিছিল। ছাত্রই পালপাতি সেইবোৰ কাম কৰি দিছিল। ছাত্র-শিক্ষক-অভিভাৱকৰ কিমান গভীৰ মৰম আছিল, সেই কথা ভাল শিক্ষকে মৃত্যুৰ বেলালৈকে মনত ৰাখিবই। দুই-একে আকৌ তেনেবোৰ কাৰণতে মেথুনৰ দাম নিদিয়াকৈয়ে পাহাৰীয়া কন্যা জীৱন সঙ্গীনী কৰি লৈছিল। তেওঁলোক দুখী হোৱা নাছিল। অসমৰ বহুতো ঠাইত তেনে দম্পতী সুখ-শান্তিৰে এতিয়াও আছে।

স্বাধীনতাৰ পাছত পাছিঘাটত কেৱল এখন প্রাথমিক বিদ্যালয়ৰে আৰম্ভ কৰা শিক্ষাই আজি সমগ্র অৰুণাচল মকৰা জালৰ দৰে ছাটি ধৰিছে। তাত নথকা শিক্ষানুষ্ঠান আজি নায়েই। তেওঁলোকৰ সতি-সন্ততিবোৰ উচ্চ শিক্ষাৰে আলোকিত হৈ কেৱল অৰুণাচলতে নহয় সমগ্র ভাৰততে বিয়পি পৰিছে। আজিৰ এই দৃশ্য দেখিলে আমি পৰম আনন্দ পাওঁ।

প্রথম অৱস্থাত ছাত্রসকল স্কুললৈ অহা নাছিল। তাৰ কাৰণে প্রশাসনে নানান আঁচনি ৰূপায়ণ কৰিছিল। সেইবোৰৰ ভিতৰত স্কুলত নামভৰ্তি কৰিলেই খাদ্য সমাগ্রী, জলপানি, হোষ্টেল আদিৰ কথা ক'ব পাৰি। আমি তালৈ যোৱাৰ আগতে ছাত্রক বিড়ীও খাবলৈ দিছিল বোলে! সেইবোৰ কামৰ বাবে শিক্ষকসকলক উপযুক্ত প্রশিক্ষণ দি কামৰ বাবে দূৰ-দূৰণিৰ স্কুলবোৰলৈ পঠাই দিছিল। তেনে কামত কোনেও আপত্তি নকৰিছিল। যিসকল শিক্ষকে অসমীয়া নাজানিছিল, তেওঁলোকক অসমীয়া আৰু স্থানীয় উপ-ভাষা শিকাই স্কুল-স্থাপনত নিয়োগ কৰিছিল। ১৯৭৫ত আমিও তেনে এজন শিক্ষক ৰূপে চাকৰি গ্রহণ কৰিছিলো, সপৰিবাৰে পাহাৰ বগাই ভিতৰুৱা ঠাইত স্কুল খুলিছিলো গৈ! সেইবোৰ কথা আগতে লিখিছো। তেতিয়া অভিভাৱকসকলক চৰকাৰৰ ফালৰ পৰা গাঁওবুঢ়াৰ সহযোগত বুজাই দিয়া হৈছিল শিক্ষাৰ উদ্দেশ্য আৰু লক্ষ্যৰ কথা। প্রথমতে কোনোবা কোনোবা ঠাইত চৰকাৰৰ সেইবোৰ পদক্ষেপ স্থানীয়সকলে গ্রহণ কৰা নাছিল, বিদ্রোহো কৰিছিল। ডাপৰিজু আৰু ছিয়াংতাজুত চিপাহীকো কাটি-মাৰি হত্যা কৰিছিল। তেনে এখন ঠাইত চৰকাৰৰ কোমল-নৰম মনোভাবৰ অগ্রগতিয়ে স্থানীয়সকলৰ একাংশৰ মন জয় কৰিছিল। স্বাধীনতাৰ দুই দশকৰ ভিতৰতে চৰকাৰে সেই দিশত প্রভূত উন্নতি কৰিছিল। শিক্ষা কি মানুহবোৰে বুজি উঠিছিল। প্রশাসনে সম্পূৰ্ণ নিষ্ঠাৰে সেই কাম কৰিছিল। তেতিয়া মাথোঁ পাঁচখন জিলাহে আছিল, আজিৰ দৰে ডেৰকুৰিখন জিলা নাছিল। সেই জিলাবোৰৰ উপায়ুক্তসকলে তেওঁলোকৰ লগত তেওঁলোকৰ চাৰ্কল অফিচাৰ, ক্লাৰ্কৰ দল একোটা লৈ সময়ে সময়ে পাহাৰৰ টিং বগাই সেই সেই স্থানত থকা গ্রামসেৱক, শিক্ষক বা ভিতৰুৱা অঞ্চলৰ চাৰ্কল অফিচাৰবোৰে কামত প্রেৰণা যোগাইছিল। তেনে কামৰ সোৱাদ আমিও পাইছিলো। গোটেই দিনটো খোজকাঢ়ি গধূলি বেলা যেতিয়া দুয়োখন ভৰি টানি ধৰিছিল, তেতিয়া গাঁৱৰ মানুহে আয়োজন কৰা সন্ধিয়াৰ পাৰ্টিলৈ গৈ অস্থায়ী ঘৰত বা খোলা পথাৰত নাচ-গান কৰিব লগা হৈছিল। জাৰৰ দিনত ডাঙৰকৈ ধৰা জুইৰ চাৰিওকাষে সেইবোৰ অনুষ্ঠান চলিছিল। কেতিয়াবা একোটা প্রকাণ্ড দীঘল চাং ঘৰৰ ভিতৰতো সেই অনুষ্ঠান চলিছিল। মাংসৰ লগত পানীয়ও চলিছিল। আমাৰ নিচিনা আপং নোখোৱা মানুহৰ বাবে কণী সিজাই খাবলৈ দিছিল। আমি এবাৰ একেটা পাৰ্টিতে সোতৰটা কুকুৰা কণী হজম কৰাৰ কথা মনত পৰে। সিজোৱা পহু মাংস বা ছাগলীৰ মাংসও দুই-এডোখৰ খাই বৰ তৃপ্তি পাইছিলো। কলপাতত বা তেওঁলোকৰ ঘৰুৱা থালীত ভাত খোৱাটো বৰ তৃপ্তিদায়ক আছিল। অমিতা, আলু, দোকানৰ পৰা নিয়া দাইল, ঢেঁকীয়া ভাজি (তাকা পাদা. তাকা পয়া) ৰঙালাওৰ আঞ্জা অমৃতৰ সমান আছিল। কেতিয়াবা পোৱা কুমলীয়া গোমধান, তিঁয়হ, হাবিৰ পৰা অনা পোৱা কাঠআলুও তেনে পাৰ্টিত যোগান ধৰিছিল। দীঘলীয়া যাত্রাৰ পাছত, একো বিচাৰি নোপোৱা দেশত, সেইবোৰ সঁচাই হেঁপাহৰ খাদ্য আছিল। তেনেবোৰ সমাৰোহত পুৰুষ-তিৰোতাৰ ঢৌ-খেলা পুনুং বা ৰিখামপাদা নাচো নচা হৈছিল। অনুৰোধৰ অনুষ্ঠানত, আন নালাগে উপযুক্তয়ো গীত গাই শুনাব লগা হৈছিল। সেইবোৰ মানুহৰ নিৰ্ভেজাল দেশপ্রেমৰ বাবেই আজিৰ অৰুণাচল জগত জিলিকা হৈ উঠিছে। তেওঁলোকৰ সেৱাৰ মনোভাব নাথাকিলে সেইবোৰ কাম তেওঁলোকে কেতিয়াও নকৰিলেহেঁতেন! অৰুণাচলৰ মুঠ জনসংখ্যা আজিও ১৪ লাখৰ তলতে আছে। আকাৰত অসমতকৈ ডাঙৰ ৰাজ্যখনত জনবসতি বহুত কম। আমি তালৈ যোৱাৰ সময়ত তাৰ জনসংখ্যা চাৰি লাখ ৪৫ হেজাৰহে আছিল। প্রতিটো গোটৰ মাজত বৰকৈ মিলাপ্রীতি নাছিল, সেয়েহে কেতিয়াবা কেতিয়াবা 'যুদ্ধ' পৰ্যন্ত হৈছিল। স্থান বিশেষত আগতে সেইবোৰ কথা লিখিছো, তাৰে কিছুমান গাৰ নোম শিয়ৰি উঠা। নতুনকৈ পতা স্কুলৰ হোষ্টেলত ভিন ভিন গোটৰ ছাত্রই থাকিবলৈ সেয়েহে প্রথম অৱস্থাত আগ্রহ কৰা নাছিল। প্রশাসন আৰু শিক্ষকসকলৰ নেৰানেপেৰা বুজনিৰ পাছতহে তেওঁলোকে ছাত্রাবাসলৈ ভয়ে ভয়ে আহিছিল। আজি-কালি সেই ভাব নোহোৱা হৈছে। একেলগে মিলিজুলি থকাৰ কি আনন্দ সেইকথা আজিকালি বুজি পোৱা হৈছে। আগৰ চাম ছাত্রই সেয়েহে আজিও শিক্ষকসকলৰ কথা পাহৰিব পৰা নাই। তেওঁলোকে শিক্ষকৰ মৰমত মানুহ হৈ আজিও সময়-সুযোগ পালে অসমৰ শিক্ষকসকলৰ ঘৰলৈ একোপাক মৰাৰ উদাহৰণ আছে। মানুহৰ মৰমৰ কথা কেতিয়াও পাহৰিব নোৱাৰা নিৰ্ভেজাল মনৰ ছাত্রৰ ব্যৱহাৰ দেখিলে অজানিতে চকুলো বই আহে। তেনে এজন ছাত্রৰ কথাকে কওঁ।

বিগত ২২ অক্টোবৰত (২০১৯) আমাৰ একালৰ মৰমৰ ছাত্র অৰুণাচলৰ কৃতী ছাত্র আৰু প্রাক্তন বিধায়ক আৰু পাৰ্লামেন্টৰী চেক্রেটাৰী তথা ইঞ্জিনীয়াৰ মাৰকিঅ তাদ'ৰে আমাৰ ঘৰত পদাৰ্পণ কৰিছিল। আহিয়ে প্রণাম কৰি লগত অনা তেওঁলোকৰ নিচি চোলা এটা পিন্ধাই আমাক সন্মান জনালে। তেনে চোলাক তেওঁলোকে আমাৰ গামোচাখনৰ দৰে মাননীয় উপহাৰ বুলি ভাবে। তেওঁৰ গাড়ী চালকজনে ইতিমধ্যে দুটা আৰি মাছ নি পাকঘৰত বোৱাৰীক দিয়া দেখিলো। আমাৰ পৰিবাৰ ইতিমধ্যে স্বৰ্গগামী হৈছে। সেয়া যেন তেওঁৰ গুৰু দক্ষিণা! পাঠকসকলৰ বোধহয় মনত আছে, সেইজন ছাত্রই আমি নিবিচৰাকৈয়ে আমাক ২০১১ত দিল্লীত বাইপাছ ছাৰ্জাৰী কৰোতে ৬০ হেজাৰ টকা আমাৰ একাউন্টত দি উপকৃত কৰি থৈছে। আমি দিল্লীৰ পৰা ঘূৰি আহি এমাহৰ পাছত তেওঁৰ ইটানগৰৰ ঘৰত গৈ সেই ধন ঘূৰাই ল'বলৈ কওঁতে তেওঁ কৈছিল, 'বাবাক দিয়া টকা ঘূৰাই নাই লয় না'। এক কথাৰ মানুহ, এটাও টকা ঘূৰাই নল'লে। ভাবিলে, নিজকে কিবা ঋণী ঋণী যেন লাগে! এইবাৰো সেয়েহে কথাষাৰ কৈছিলো, তেওঁ ক'লে, 'ছাৰ সেই কথাটো পাহৰি যাওক না'। ছাত্রৰ এনে ব্যৱহাৰে আমাক সদায় আৱেগিক কৰি তোলে। আজিৰ দিনত আমাৰ তথাকথিত সভ্য মানুহৰ ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ গাত হাত দিয়াৰ পৰা হত্যা কৰাৰ কথাও শুনা যায়। সেইবোৰৰ তুলনাত পাহাৰীয়া এনেবোৰ মানুহ দেৱতাৰ শাৰীৰ নহয় নে? যোৱাৰ সময়ত আবেগিক হৈ ক'লো, 'তাদ', এইবাৰ আহিলে বোৱাৰীকো লৈ আহিবা, লগতে ল'ৰা দুটাকো'। তেওঁ ক'লে— 'আলেচ' (ভাল) ছাৰ। মই তেওঁৰ শিৰত হাতখন থৈ আশীৰ্বাদ দিলো।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*

## শ্বেয়াৰ বজাৰত বৃহৎ পতন, ছেনছেক্স ১৬০০ পইণ্ট হ্ৰাস পালে



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জানুৱাৰী ঃ** দেশৰ পুঁজিবজাৰত সপ্তাহৰ প্ৰথম দিনটোতে বৃহৎ বিপৰ্যয়ে দেখা দিলে। সোমবাৰে দেশৰ শ্বেয়াৰ বজাৰত অভিলেখ পতন প্ৰত্যক্ষ হ'ল। আজি পুৱা পুঁজিবজাৰ আৰম্ভ হোৱাৰ মাত্ৰ তিনি ঘণ্টাৰ পাছতে বি এছ ইৰ ছেনছেক্স ১৬০০ পইণ্টৰো অধিক অৱনমিত হয়। দুপৰীয়া দুই বজাত বি এছ ইৰ ছেনছেক্স ১৬৫২ অৱনমিত হোৱাৰ ফলত ৫৭,৩৩৮ পইণ্টলৈ হ্ৰাস পায়। আনহাতে, নিফটিও ৫০৫ পইণ্ট অৱনমিত হোৱাৰ ফলত ১৭,১১১ পইণ্টলৈ হ্ৰাস পালে। দেশৰ শ্বেয়াৰ বজাৰত সোমবাৰে হোৱা এই অৱনমনৰ ফলত বিনিয়োগকাৰীসকলৰ প্ৰায় আঠ লাখ কোটি টকাৰ লোকচান হ'ল।

## অমৰিন্দৰৰ অভিযোগ, নৱজ্যোৎ সিদ্ধুক মন্ত্ৰিত্ব দিবলৈ পাকিস্তানে দিছিল হেঁচা



**নিউজ ব্যুৰ', চণ্ডীগড়, ২৪ জানুৱাৰী ঃ** পঞ্জাৱ লোক কংগ্ৰেছৰ মুৰব্বী তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কেপ্টেইন অমৰিন্দৰ সিঙে দাবী কৰা অনুসৰি, ২০১৭ত যেতিয়া কংগ্ৰেছে পঞ্জাৱত বিপুল জয়লাভ কৰিছিল, সেই সময়ত নৱজ্যোৎ সিং সিদ্ধুক মন্ত্ৰিত্ব প্ৰদানৰ বাবে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খান আৰু তেওঁৰ ঘনিষ্ঠই যথেষ্ট হেঁচা দিছিল। অমৰিন্দৰে এই কথা প্ৰকাশ কৰি কয় যে সেই সময়ত পাকিস্তানৰ পৰা ইমৰানৰ লগতে সিদ্ধুৰ ঘনিষ্ঠ বন্ধুৱে তেওঁৰ ফোনলৈ বাৰ্তা প্ৰেৰণ কৰি সিদ্ধুক মন্ত্ৰী পাতিবলৈ পৰামৰ্শ দিছিল। 'যিহেতু ইমৰান খানক মই কেতিয়াও লগ পোৱা নাছিলো আৰু ব্যক্তিগতভাৱে পৰিচিত নাছিলো, সেয়েহে পঞ্জাৱত কংগ্ৰেছৰ জয়ৰ পাছতে পাকিস্তানৰ পৰা এনে বাৰ্তা লাভ কৰি মই কেৱল হায়ৰান হোৱাই নহয়, আচৰিত হৈছিলো। এজন ব্যক্তিক ৰাজ্যৰ মন্ত্ৰী পদ দিবলৈ কেনেকৈ আন দেশৰ প্ৰধানমন্ত্ৰী আৰু তেওঁৰ ঘনিষ্ঠ বন্ধুৱে হেঁচা দিব পাৰে সেয়া প্ৰত্যক্ষ কৰি মই অবাক হৈছিলো।' সংবাদ মাধ্যমৰ আগত অমৰিন্দৰে এইদৰে কয়।

## উত্তৰ প্ৰদেশত মহিলা প্ৰাৰ্থীৰ বিৰুদ্ধে মহিলাক প্ৰক্ষেপ বিজেপিৰ

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৪ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত আইন-শৃংখলা আৰু মহিলাৰ সুৰক্ষা বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিছে। ৰাজ্যখনৰ পৰিৱৰ্তিত ৰাজনৈতিক প্ৰেক্ষাপটলৈ লক্ষ্য ৰাখি এইবাৰ বিজেপিয়ে উত্তৰ প্ৰদেশত কে'বাগৰাকীও শক্তিশালী মহিলাক দলৰ টিকট প্ৰদান কৰিলে। সমাজবাদী পাৰ্টি, কংগ্ৰেছ, বহুজন সমাজ পাৰ্টিসহ বিৰোধী ৰাজনৈতিক দলৰ মহিলা প্ৰাৰ্থীক নিৰ্বাচনত প্ৰত্যাহ্বান জনাবলৈ বিজেপিয়ে উত্তৰ প্ৰদেশত প্ৰাৰ্থিত্ব প্ৰদান কৰিলে মৃগাংকা সিং, ৰিয়া শাক্য, অঞ্জুলা মাহৌৰ, প্ৰিয়ংকা সিং ৰাৱট, অৰ্চনা মিশ্ৰা, অদিতি সিং, অপৰ্ণা যাদৱ, সংঘমিত্ৰা মৌৰ্য আৰু প্ৰিয়ংকা মৌৰ্যক। প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ 'লড়কী হু, লড় সকতি হু' অভিযানৰ বিৰুদ্ধে বিজেপিয়ে দায়িত্ব অৰ্পণ কৰিলে চাৰি মহিলা প্ৰাৰ্থী অপৰ্ণা, অদিতি, সংঘমিত্ৰা আৰু প্ৰিয়ংকাক। উল্লেখ্য যে মুলায়ম সিং যাদৱৰ কনিষ্ঠ বোৱাৰী অপৰ্ণা যাদৱে অলপতে সমাজবাদী পাৰ্টি ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। বিজেপিয়ে প্ৰথম, দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে উত্তৰ প্ৰদেশত মুঠ ২৫ গৰাকী মহিলাক দলৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।



## আৰ্মেনিয়াৰ ৰাষ্ট্ৰপতিৰ হঠাৎ পদত্যাগ



**নিউজ ব্যুৰ', য়েৰেভান, ২৪ জানুৱাৰী ঃ** আৰ্মেনিয়াৰ ৰাষ্ট্ৰপতি আৰ্মেন চাৰ্কিৰয়ানে হঠাতে পদত্যাগ কৰিলে। আজাৰবাইজানৰ স'তে সংঘৰ্ষৰ সন্দৰ্ভত অসন্তুষ্টি প্ৰকাশ কৰি আৰ্মেনে পদত্যাগৰ কথা ঘোষণা কৰিলে। ৰাষ্ট্ৰপতিজনে তেওঁৰ পদত্যাগৰ কথা ঘোষণা কৰি কয় যে সংকটৰ সময়ত ফলপ্ৰসূ নীতি গ্ৰহণ কৰিবলৈ ব্যৰ্থ হোৱাৰ পৰিণতিত তেওঁ পদৰ পৰা ইস্তফা দিয়াৰ সিদ্ধান্ত ল'লে। উল্লেখ্য যে আৰ্মেনে বিগত চাৰি বছৰ ধৰি আৰ্মেনিয়াৰ ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। দীৰ্ঘদিন ধৰি আৰ্মেনিয়াই ৰাজনৈতিক সংকটৰ সন্মুখীন হৈ আহিছে আৰু দক্ষিণ-উত্তৰ পূবৰ বিবাদিত নাৰ্গনো কাৰাবাখ অঞ্চলক লৈ আজাৰবাইজানৰ স'তে সৃষ্টি হোৱা যুদ্ধসদৃশ পৰিস্থিতিয়ে দেশখনক শেহতীয়াভাৱে অস্থিৰ কৰি ৰাখিছে। এনে পৰিস্থিতিতে আৰ্মেনিয়াৰ ৰাষ্ট্ৰপতিৰ পদ ত্যাগ কৰিলে আৰ্মেনে।

**পুনৰ মহাযুদ্ধৰ ইংগিত দিলে বাইডেন প্ৰশাসনে ঃ পূব ইউৰোপত সৃষ্টি হ'ল এক চৰম উৎকণ্ঠাময় পৰিস্থিতিৰ**

# ইউক্ৰেইন সংকট ঃ পূব ইউৰোপলৈ সেনা প্ৰেৰণ কৰিব আমেৰিকাই

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৪ জানুৱাৰী ঃ** পুনৰ এক মহাযুদ্ধৰ সম্ভাৱনা প্ৰকট হ'ল। এফালে ৰাছিয়া আৰু আনফালে আমেৰিকা। ইউক্ৰেইন সংকটক লৈ চেপা উত্তেজনা অব্যাহত থকাৰ সময়তে পূব ইউৰোপত সৃষ্টি হ'ল এক চৰম উৎকণ্ঠাময় পৰিস্থিতিৰ। দীৰ্ঘদিন ধৰি পূব ইউৰোপৰ দেশসমূহক লৈ ৰাছিয়াৰ স'তে বিভিন্ন দেশৰ সংঘাত অব্যাহত আছে। কিন্তু শেহতীয়াকৈ ইউক্ৰেইনক কেন্দ্ৰ কৰি পূব ইউৰোপত সৃষ্টি হৈছে এক নতুন অস্থিৰ পৰিস্থিতিৰ। প্ৰকাশিত বাতৰি অনুসৰি, জ' বাইডেনৰ প্ৰশাসনে পূব ইউৰোপলৈ প্ৰায় ৫,০০০ মাৰ্কিন সৈন্য প্ৰেৰণৰ কথা বিবেচনা কৰিছে। সম্প্ৰতি এজন মাৰ্কিন প্ৰশাসনিক শীৰ্ষ বিষয়াই সংবাদ মাধ্যমৰ আগত এই কথা সদৰী কৰিছে। ইউক্ৰেইনত ৰাছিয়াৰ সম্ভাব্য আক্ৰমণৰ ক্ৰমবৰ্ধমান আশংকাৰ মাজতে এই অঞ্চললৈ স্থিতাৱস্থা উভতাই আনিবলৈ আমেৰিকাই সামৰিক হস্তক্ষেপৰ কথা বিবেচনা কৰিছে। মাৰ্কিন প্ৰশাসনৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰে। আমেৰিকাই পূব ইউৰোপলৈ প্ৰেৰণ কৰিব লগা মাৰ্কিন সেনাক ৰোমানিয়া, পোলেণ্ড, বুলগেৰিয়া আৰু হাংগেৰীত নিয়োগ কৰাৰ সম্ভাৱনা আছে। অৱশ্যে এতিয়াও বাইডেন প্ৰশাসনে এই বিষয়ত চূড়ান্ত সিদ্ধান্ত লোৱা নাই। ইউক্ৰেইনক প্ৰয়োজনীয় সামৰিক সাহায্য প্ৰদানৰ উদ্দেশ্যেৰে মাৰ্কিন সেনাই ইউৰোপৰ নাটো দেশসমূহতো বাহৰ পতাৰ সম্ভাৱনা আছে।

আমেৰিকাৰ আগশাৰীৰ সংবাদপত্ৰ 'দ্য নিউ য়ৰ্ক টাইমছ'-এ সৰ্বপ্ৰথমে পূব ইউৰোপলৈ বাইডেন প্ৰশাসনে মাৰ্কিন সেনা প্ৰেৰণৰ প্ৰস্তুতি চলোৱাৰ বাতৰি প্ৰচাৰ কৰিলে। সংবাদ পত্ৰখনৰ বাতৰি অনুসৰি, পূব ইউৰোপৰ দেশ আৰু বাল্টিক অঞ্চললৈ এহেজাৰৰ পৰা পাঁচ হেজাৰ মাৰ্কিন সৈন্যক প্ৰেৰণ কৰা হ'ব পাৰে। উল্লেখ্য যে ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলাব বুলি বিগত কে'বামাহ ধৰি জল্পনা-কল্পনা অব্যাহত আছে। ৰাছিয়াই ইউক্ৰেইনক আক্ৰমণ কৰিলে ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ আমেৰিকা সাজু আছে বুলি পূৰ্বে একাধিকবাৰ ৰাষ্ট্ৰপতি বাইডেনে সকীয়াই দিছিল। ইতিমধ্যে বাইডেন প্ৰশাসনে দুই লাখ পাউণ্ড মূল্যৰ গোলাবাৰুদ ইউক্ৰেইনলৈ প্ৰেৰণ কৰিছে। যোৱা অক্টোবৰত আমেৰিকাই ইউক্ৰেইনক ৩০টা জেভলিন এণ্টি-টেংক গাইডেড ক্ষেপণাস্ত্ৰও অৰ্পণ কৰিছিল। ইউক্ৰেইনত ইতিমধ্যে ১৫০ জনৰো অধিক মাৰ্কিন সামৰিক উপদেষ্টাও নিয়োজিত হৈ আছে। ইউক্ৰেইন সন্দৰ্ভত আমেৰিকাৰ শেহতীয়া এই প্ৰস্তুতিয়ে পুনৰ এখন মহাযুদ্ধৰ ইংগিত বহন কৰিলে।



## এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰ ক'ভিডত সংক্ৰমিত



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ জানুৱাৰী ঃ** ৰাজনীতিকৰ মাজতো কৰ'নাৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। এইবাৰ কৰ'নাত সংক্ৰমিত হ'ল এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰ। আজি পাৱাৰে টুইটাৰৰ জৰিয়তে এই কথা প্ৰকাশ কৰি কয় যে ক'ভিড পৰীক্ষণত তেওঁৰ শৰীৰত এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিলে। পাৱাৰে তেওঁৰ সংস্পৰ্শলৈ অহা সকলো ব্যক্তিকে ক'ভিড পৰীক্ষণ কৰাবলৈকো আহ্বান জনাইছে। সম্প্ৰতি পাৱাৰ ঘৰতে নিভৃতবাসত আছে।

## সংসদ ভৱনৰ ৮৭৫ কৰ্মচাৰী কৰ'নাত আক্ৰান্ত



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জানুৱাৰী ঃ** কৰ'নাৰ তৃতীয় ঢৌ আৰম্ভ হোৱাৰ পাছৰে পৰা যোৱা ২০ জানুৱাৰীলৈকে সংসদৰ কমেও ৮৭৫ জন কৰ্মচাৰী ক'ভিড-১৯ত সংক্ৰমিত হ'ল। কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰন সৃষ্ট তৃতীয় ঢৌ বিয়পি পৰাৰ পাছৰে পৰা সংসদৰ বাজেট অধিবেশন সুস্থভাৱে পৰিচালনা কৰিবলৈ সংসদৰ ২,৮৪৭ জন কৰ্মচাৰী ক'ভিড পৰীক্ষণ সম্পন্ন কৰা হৈছিল। যোৱা ২০ জানুৱাৰীলৈকে সংসদ ভৱনত কৰ্মৰত ৮৭৫ জন লোকৰ শৰীৰত কৰ'নাৰ সংক্ৰমণ চিনাক্ত কৰা হ'ল। অহা ৩১ জানুৱাৰীৰ পৰা সংসদৰ বাজেট অধিবেশন আৰম্ভ হ'ব।

## বিশ্বত দৈনিক সংক্ৰমণ ২২.২৭ লাখলৈ হ্ৰাস, মৃত্যুও কমিল ৪,৮২৯ জনলৈ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ জানুৱাৰী ঃ** বিশ্বত ২৪ ঘণ্টাত পুনৰ কৰ'নাত আক্ৰান্ত হ'ল ২২.২৭ লাখ লোক। আনহাতে, বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ প্ৰাণ কাঢ়িলে ৪,৮২৯ জন লোকৰ। নতুন সংক্ৰমণৰ ক্ষেত্ৰত শীৰ্ষত আছে ভাৰত। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল তিনি লাখ ছহেজাৰ ৬৪ জন লোক। আনহাতে, দৈনিক সংক্ৰমণৰ তালিকাত তিনি লাখ আক্ৰান্তৰে দ্বিতীয় স্থানত আছে ফ্ৰান্স। আমেৰিকাই ১.৯৭ লাখ ক'ভিড ৰোগীৰে দৈনিক সংক্ৰমণৰ তালিকাত তৃতীয় স্থানত আছে। নতুন সংক্ৰমণৰ ক্ষেত্ৰত আমেৰিকা আৰু ফ্ৰান্সত আক্ৰান্তৰ সংখ্যা যথেষ্ট হ্ৰাস পালে। বিগত ২৪ ঘণ্টাত সৰ্বাধিক ৫৭৪ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল আমেৰিকাত। ভাৰতত ৪৩৯ আৰু ফ্ৰান্সত ১১৫ জন ক'ভিড ৰোগীয়ে বিগত এদিনত প্ৰাণ হেৰুৱালে। বিশ্বত সম্প্ৰতি ৬.৬৬ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। এই মুহূৰ্তত কেৱল আমেৰিকাতে আছে ২.৬৬ কোটি ক'ভিড ৰোগী। বৰ্তমানলৈকে বিশ্বত ৩৫.১৯ কোটিৰো অধিক লোক কৰ'নাত সংক্ৰমিত হৈছে।

## সংক্ৰমণৰ শিখৰত কৰ্ণাটক, এদিনতে কৰ'নাত আক্ৰান্ত ৫০ হেজাৰ লোক



**নিউজ ব্যুৰ', বাংগালুৰু, ২৪ জানুৱাৰী ঃ** কৰ্ণাটকত কৰ'নাৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে। দক্ষিণ ভাৰতৰ এইখন ৰাজ্যত যোৱা ২৪ ঘণ্টাত ৫০ হেজাৰৰো অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। অতিমাৰীৰ আৰম্ভণিৰ পৰা এয়ে প্ৰথমবাৰ কৰ্ণাটকত এদিনত সৰ্বোচ্চ লোক কৰ'নাত সংক্ৰমিত হ'ল। ৰাজধানী বাংগালুৰুত কৰ'নাৰ সংক্ৰমণ সৰ্বাধিক হৈছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত ৫০,২১০ জন লোক কৰ'নাত সংক্ৰমিত হৈছিল। বাংগালুৰুত সোমবাৰে কৰ'নাত আক্ৰান্ত হ'ল ২৬,২৯৯ জন লোক। ৰাজ্যখনত কৰ'নাৰ সংক্ৰমণৰ হাৰ হৈছে ২২.৭ শতাংশ।

## কংগ্ৰেছত পুনৰ অঘটন, প্ৰাৰ্থিত্ব লাভৰ পাছতো দলত্যাগ অব্যাহত



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৪ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশত বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে অঘটনৰ সন্মুখীন হ'ল কংগ্ৰেছ। প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ নেতৃত্বত কংগ্ৰেছে ৰাজ্যখনত অকলে ৪০৩ সমষ্টিত প্ৰতিদ্বন্দ্বিতাৰ কথা ঘোষণা কৰিছিল। কিন্তু শেহতীয়াভাৱে কংগ্ৰেছত এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে যে দলে প্ৰাৰ্থিত্ব প্ৰদান কৰা প্ৰাৰ্থীয়েও কংগ্ৰেছ ত্যাগ কৰি আন দলত যোগদান কৰিলে। উল্লেখ্য যে প্ৰিয়ংকাক উত্তৰ প্ৰদেশৰ প্ৰভাৰী নিয়োগৰ পাছৰে পৰা একাংশ পুৰণি কংগ্ৰেছী নেতা আৰু বিধায়কে দলত্যাগ আৰম্ভ কৰিছিল। কংগ্ৰেছে শেহতীয়াভাৱে ঘোষণা কৰা প্ৰাৰ্থীৰ তালিকাত স্থান লাভ কৰা তিনিজন প্ৰাৰ্থীয়ে দলত্যাগ কৰি আন দলত যোগদান কৰিলে। কংগ্ৰেছে ছমৰৌৱা সমষ্টিত খান ইউছুফ আলীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল আৰু আলীয়ে সমাজবাদী পাৰ্টিত যোগদান কৰিলে। অৱশ্যে সমাজবাদী পাৰ্টিত টিকট লাভ নকৰাত আলীয়ে পুনৰ কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন কৰে। কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰা হাইদৰ আলী খানে দলত্যাগ কৰি অপনা দল (এছ)ত যোগদান কৰিলে। বৰেলি কেণ্টন সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থিত্ব প্ৰদান কৰা সুপ্ৰিয়া এৰনে দল ত্যাগ কৰি সমাজবাদী পাৰ্টিত যোগদান কৰিলে। বৰ্তমানলৈকে কংগ্ৰেছৰ চাৰিজন বিধায়কে দলত্যাগ কৰিলে আৰু ইয়াৰে তিনিজনে বিজেপিত আৰু এজনে আৰ এল ডিত যোগদান কৰিলে।

## ১২২ বছৰৰ পাছত সৰ্বাধিক বৃষ্টিপাত দিল্লীত, হালধীয়া সতৰ্কতা জাৰি

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জানুৱাৰী ঃ** দিল্লীত প্ৰচণ্ড শীতৰ লগতে ধাৰাষাৰ বৃষ্টিপাত অব্যাহত আছে। দেওবাৰে পুৱালৈকে ৰাজধানী চহৰখনত ৮৮.২ মিলিমিটাৰ বৃষ্টিপাত হৈছিল। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, বিগত ১২২ বছৰৰ পাছত দিল্লীত জানুৱাৰীত সৰ্বাধিক পৰিমাণৰ বৃষ্টিপাত হ'ল। ইয়াৰ পূৰ্বে ১৯৮৯ৰ জানুৱাৰীত দিল্লীত সৰ্বাধিক ৭৯.৩ মিলিমিটাৰ বৃষ্টিপাতৰ অভিলেখ আছে। প্ৰৱল বৃষ্টিপাতৰ লগতে ৰাজধানী চহৰখনত ঘন কুঁৱলীয়ে স্বাভাৱিক জীৱন প্ৰভাৱিত কৰিছে। বতৰ বিজ্ঞান বিভাগে আজি হালধীয়া সতৰ্কতা জাৰি কৰি আগন্তুক কে'বা সপ্তাহলৈকে দিল্লীত প্ৰচণ্ড শীত অব্যাহত থাকিব বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে।



## মুম্বাইত পুনৰ বৃদ্ধি শীতৰ প্ৰকোপ, ১০ বছৰৰ অভিলেখ ভংগ



**নিউজ ব্যুৰ', মুম্বাই, ২৪ জানুৱাৰী ঃ** এসপ্তাহ পাছত মুম্বাইত পুনৰ বৃদ্ধি পাবলৈ ধৰিছে শীতৰ প্ৰকোপ। যোৱা শনিবাৰে দেশৰ বাণিজ্যিক ৰাজধানীখনত হোৱা বৃষ্টিপাতৰ পাছৰ পৰা মুম্বাইত শীতৰ প্ৰকোপ বৃদ্ধি পায়। দুসপ্তাহ পূৰ্বে মুম্বাইৰ পাৰাস্তম্ভ ১৭ ডিগ্ৰী চেলছিয়াচলৈকে অৱনমিত হৈছিল। সাধাৰণতে জানুৱাৰীৰ অন্তিমভাগত মুম্বাইত তাপমাত্ৰা বৃদ্ধি পায় যদিও এইবাৰ পাৰাস্তম্ভ অৱনমিত হ'বলৈ ধৰিছে। মুম্বাইত জানুৱাৰীত শীতৰ প্ৰকোপে বিগত ১০ বছৰৰ অভিলেখ ভংগ কৰিলে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি, যোৱা নিশাটো মুম্বাইত চলিত বৰ্ষৰ সৰ্বাধিক শীত অনুভূত হৈছিল। যোৱা নিশা মুম্বাইৰ তাপমাত্ৰা ১৫ ডিগ্ৰী চেলছিয়াচলৈকে হ্ৰাস পাইছিল। ইয়াৰ পূৰ্বে ২০২০ৰ ১৭ জানুৱাৰীত মুম্বাইত সৰ্বনিম্ন তাপমাত্ৰা আছিল ২৫.৩ ডিগ্ৰী চেলছিয়াচ।

## পূৰ্বে প্ৰায়ে সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল, সমাজবাদীৰ আমোলত নিশ্চিন্ত আছিল মাফিয়া ঃ অভিযোগ যোগীৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৪ জানুৱাৰী ঃ** 'উত্তৰ প্ৰদেশত আগতে প্ৰায়ে সাম্প্ৰদায়িক সংঘৰ্ষ, হিংসাত্মক ঘটনা সংঘটিত হৈছিল। মাফিয়াসকলক নিৰাপত্তা দিছিল সমাজবাদী পাৰ্টিৰ চৰকাৰে। ২০১২ত সমাজবাদী পাৰ্টিয়ে যেতিয়া ক্ষমতাত আছিল তেতিয়া তেওঁলোকে অযোধ্যাৰ সন্ত্ৰাসবাদী আক্ৰমণৰ অভিযুক্তৰ বিৰুদ্ধে থকা গোচৰ প্ৰত্যাহাৰ কৰিছিল। মাফিয়াই বলপূৰ্বক ভূমি দখল কৰিছিল। উন্নয়নক লৈ চৰকাৰৰ কোনো দৃষ্টিভংগী নাছিল। দৰিদ্ৰই কোনো সুবিধা লাভ কৰা নাছিল।' গাজিয়াবাদত নিৰ্বাচনী প্ৰচাৰত অংশ লৈ এইদৰে পূৰ্বৰ সমাজবাদী পাৰ্টিৰ চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। মুখ্যমন্ত্ৰীজনে লগতে অভিযোগ কৰি কয় যে এসময়ত মাফিয়াই উত্তৰ প্ৰদেশত অখিলেশ যাদৱৰ চৰকাৰক ক্ষমতা দখলত সহায় কৰিছিল।

## দলত্যাগ কৰা উৎপলক সিদ্ধান্ত পুনৰ বিবেচনাৰ আহ্বান বিজেপিৰ



**নিউজ ব্যুৰ', পানাজি, ২৪ জানুৱাৰী ঃ** গোৱাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত মনোহৰ পাৰিকাৰৰ পুত্ৰ উৎপল পাৰিকাৰে বিজেপিৰ টিকট লাভৰ পৰা বঞ্চিত হোৱাৰ পাছত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উৎপলে এই সিদ্ধান্তৰ কথা ঘোষণা কৰাৰ পাছত বিজেপিয়ে তেওঁক দললৈ ওভতাই আনিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজি বিজেপিৰ সাধাৰণ সম্পাদক চি টি ৰবিয়ে কয় যে উৎপলে তেওঁৰ সিদ্ধান্তৰ কথা পুনৰ বিবেচনা কৰা উচিত। উৎপলে তেওঁৰ পিতৃৰ স্বপ্ন পূৰণ কৰাৰ বাবে বিজেপিলৈ প্ৰত্যাৱৰ্তন কৰা উচিত বুলিও ৰবিয়ে আজি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে। উল্লেখ্য যে দলৰ টিকট লাভৰ পৰা বঞ্চিত হোৱাত উৎপলে পানাজি সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ঘোষণা কৰিছিল। ৰবিয়ে উৎপলৰ এই সিদ্ধান্তৰ পুনৰ বিবেচনাৰ আহ্বান জনাই কয় যে মনোহৰ পাৰিকাৰে সদায় বিজেপিৰ জয়ৰ বাবে কাম কৰিছিল আৰু উৎপলেও পিতৃৰ আদৰ্শ গ্ৰহণ কৰা উচিত।

## উত্তৰাখণ্ডত কংগ্ৰেছে প্ৰক্ষেপ কৰিলে ১০ নতুন প্ৰাৰ্থীক



**নিউজ ব্যুৰ', ডেৰাডুন, ২৪ জানুৱাৰী ঃ** উত্তৰাখণ্ডৰ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে কংগ্ৰেছে ৫৩ সমষ্টিত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। কংগ্ৰেছে ইতিমধ্যে প্ৰাৰ্থিত্ব ঘোষণা কৰা নেতাসকলৰ মাজত ১০ গৰাকী নতুন প্ৰাৰ্থী আছে। ৰাজ্যখনৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে নতুন প্ৰাৰ্থীক দক্ষতা আৰু প্ৰভাৱৰ জৰিয়তে অগ্ৰাধিকাৰ দিছে। বিভিন্ন জাতি-জনজাতিৰ প্ৰতিনিধিত্ব সুৰক্ষিত ৰখাৰ উদ্দেশ্যেৰেও কংগ্ৰেছে এইবাৰ নতুন প্ৰাৰ্থীক দলৰ টিকট প্ৰদান কৰিলে।

## মুম্বাইত প্ৰথমৰ পৰা দ্বাদশ শ্ৰেণীলৈ মুকলি হ'ল বিদ্যালয়



**নিউজ ব্যুৰ', মুম্বাই, ২৪ জানুৱাৰী ঃ** মহাৰাষ্ট্ৰৰ ৰাজধানী মুম্বাইত আজিৰে পৰা প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ৰ দুৱাৰ পুনৰ মুকলি হ'ল। বিদ্যালয় পুনৰ মুকলি কৰাৰ পাছত আজি মহাৰাষ্ট্ৰৰ মন্ত্ৰী আদিত্য থাকৰেয়ে কয় যে সকলো বিদ্যালয় মুকলি কৰাৰ অনুমতি দিয়া হৈছে যদিও বিদ্যালয়ত শিক্ষাৰ্থীৰ শাৰীৰিক উপস্থিতি বাধ্যতামূলক কৰা হোৱা নাই। একাংশ জিলাত বিদ্যালয় মুকলি কৰা হ'ল যদিও আন একাংশ জিলাত এতিয়াও শিক্ষানুষ্ঠান বন্ধ ৰখা হৈছে। থাকৰেয়ে শিক্ষাৰ্থী আৰু শিক্ষক উভয়কে ক'ভিড বিধি সঠিকভাৱে পালন কৰি শিক্ষানুষ্ঠানত উপস্থিত হ'বলৈ অনুৰোধ জনায়।

## লণ্ডনৰ পৰা উভতি সমাজবাদীৰ টিকটত প্ৰতিদ্বন্দ্বিতা ৰূপালীৰ

**নিউজ ব্যুৰ', আগ্ৰা, ২৪ জানুৱাৰী ঃ** আগ্ৰা জিলাৰ ফটেহাবাদ বিধানসভা সমষ্টিৰ সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী ৰূপালী দীক্ষিত সম্প্ৰতি যথেষ্ট চৰ্চিত হৈছে। লণ্ডনত উচ্চ শিক্ষা গ্ৰহণ কৰা আৰু ডুবাইৰ এটা বহুজাতিক প্ৰতিষ্ঠানত কৰ্মৰত হোৱা ৰূপালীয়ে স্বদেশলৈ উভতি আহি সমাজবাদী পাৰ্টিত যোগদান কৰিছিল। উল্লেখ্য যে ৰূপালীৰ পিতৃসহ পৰিয়ালৰ চাৰিজন আত্মীয়ই হত্যাৰ এক গোচৰত দোষী সাব্যস্ত হৈ যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি লাভ কৰিছিল। ৩৪ বছৰীয়া ৰূপালীয়ে ব্ৰিটেইনত মেনেজমেণ্টৰ স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰি পৰৱৰ্তী সময়ত ডুবাইত চাকৰি কৰিছিল। কিন্তু পিতৃ অশোক দীক্ষিতসহ পৰিয়ালৰ চাৰিজন লোক হত্যাৰ গোচৰত কাৰাগাৰত বন্দী হোৱাৰ পাছত ২০১৬ত ৰূপালী স্বদেশলৈ উভতি আহিছিল। উত্তৰ প্ৰদেশৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত সমাজবাদী পাৰ্টিয়ে ৰূপালীক ফটেহাবাদ সমষ্টিত দলৰ প্ৰাৰ্থিত্ব প্ৰদান কৰে। সম্প্ৰতি ৰূপালীয়ে নিজৰ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ ব্যাপক কৰি তুলিছে।



এফালে এগৰাকী বিদেশী উচ্চ শিক্ষাৰে শিক্ষিত প্ৰাৰ্থী হিচাপে উত্তৰ প্ৰদেশৰ ৰাজনীতিত ৰূপালীয়ে সকলোৰে দৃষ্টি আকৰ্ষিত কৰাৰ সময়তে নিৰ্বাচনৰ প্ৰচাৰত তেওঁ পিতৃ তথা পৰিয়ালৰ বিৰুদ্ধে থকা অপৰাধৰ অভিযোগক লৈ সমস্যাৰ সন্মুখীন হৈছে। উল্লেখ্য যে কাৰাগাৰত বন্দী হৈ থকা ৰূপালীৰ পিতৃক ২০১৫ত শিক্ষয়িত্ৰী সুমন যাদৱক হত্যাৰ গোচৰত আদালতে দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ড বিহিছিল। তিনি হত্যাকাণ্ডসহ মুঠ ৬৯টা অপৰাধৰ গোচৰ ৰূপালীৰ পিতৃৰ বিৰুদ্ধে আছে।

## টাইৱানৰ আকাশমাৰ্গত পুনৰ অনুপ্ৰৱেশ ৩৯ খন চীনা যুঁজাৰু বিমানৰ



**নিউজ ব্যুৰ', টাইপে, ২৪ জানুৱাৰী ঃ** পুনৰ টাইৱানৰ প্ৰতিৰক্ষা বলয়ত অনুপ্ৰৱেশ কৰিলে চীনা যুঁজাৰু বিমানে। দেওবাৰে দ্বীপ ৰাষ্ট্ৰখনৰ আকাশমাৰ্গত হঠাতে অনুপ্ৰৱেশ কৰিছিল চীনৰ ৩৯ খন যুঁজাৰু বিমানে। টাইৱানৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি কালি তেওঁলোকৰ প্ৰতিৰক্ষা বলয়ত অনুপ্ৰৱেশ কৰিছিল ৩৯ খন চীনা যুঁজাৰু বিমানে। যোৱা অক্টোবৰৰ পাছত টাইৱানৰ আকাশমাৰ্গত এয়ে প্ৰথমবাৰ সবাতোকৈ বৃহৎ চীনা যুঁজাৰু বিমানৰ অনুপ্ৰৱেশ সংঘটিত হ'ল। টাইৱানৰ আকাশত এইদৰে অনুপ্ৰৱেশ কৰা চীনা বিমানৰ মাজত ৩৪ খন যুঁজাৰু জেট, চাৰিখন ইলেকট্ৰিক যুঁজাৰু বিমান আৰু এখন বোমাৰু বিমান আছিল।

# হাজোত বিল আদায়ৰ নামত ট্ৰেন্সফৰ্মাৰত বিদ্যুৎ বিচ্ছিন্ন

■ অন্ধকাৰত কে'বাটাও অঞ্চল
■ পৰীক্ষাৰ্থীৰ মাজত হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৪ জানুৱাৰী ঃ** হাজোত বিদ্যুৎ বিভাগৰ উপ-সংমণ্ডল বিষয়াৰ টোগলকী কৰ্ম-কাণ্ডত অতিষ্ঠ হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ। সম্প্ৰতি বিষয়াগৰাকীৰ নিৰ্দেশতে হাজো বিদ্যুৎ উপ-সংমণ্ডলৰ অঞ্চলকাধীন কে'বাটাও অঞ্চল বিশেষকৈ মোখনীয়া, কএগ্ৰাজেনী আৰু তিনি নম্বৰ মনাহকুছি যোৱা ২২ জানুৱাৰীৰ পৰা সম্পূৰ্ণ অন্ধকাৰত ডুবি থাকিব লগীয়াত পৰিছে। ৰাজ্যৰ শিক্ষা বিভাগে ইতিমধ্যে উচ্চ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ তাৰিখ ঘোষণা কৰা অনুসৰি অহা ১৫ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব পৰীক্ষাসমূহ। ইফালে, ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে শিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণত ব্যাঘাত জন্মাৰ সময়তে আকৌ বিদ্যুৎ বিভাগৰ এনে অবিবেচকী কৰ্ম-কাণ্ডই অসুবিধাত পেলাইছে শিক্ষাৰ্থী সমাজক। একমাত্ৰ বিভাগটোৰ লাভালাভৰ কথা চিন্তা কৰি অনাদায় বিদ্যুৎ বিল আদায়ৰ নামত মাহিলি বিদ্যুৎ বিল আদায় দিয়াসকলৰ কথা বিবেচনা নকৰি সম্পূৰ্ণভাৱে একো-একোটা অঞ্চলত ট্ৰেন্সফৰ্মাৰত বিদ্যুৎ বিচ্ছিন্ন কৰিছে। যাৰ ফলত সেই অঞ্চলসমূহ সম্পূৰ্ণ অন্ধকাৰত ডুব গৈ আছে। বিদ্যুৎ বিভাগৰ এনে অবিবেচকী কৰ্ম-কাণ্ডৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ভুক্তভোগী সৰ্বসাধাৰণ ৰাইজে।

■ মৰিগাঁও জিলা ধান কল মালিক সন্থাৰ সংবাদমেল

# প্ৰতি কুইন্টল ধান বনাৰ বাবদ লাভ কৰা ২৫ৰ পৰিৱৰ্তে ১৫০ টকা ধাৰ্যৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৪ জানুৱাৰী ঃ** প্ৰতি কুইন্টল ধান বনাৰ বাবদ মৰিগাঁও জিলা কল মালিকে লাভ কৰা ২৫ টকাৰ পৰিৱৰ্তে ১৫০ টকা ধাৰ্য কৰাৰ দাবীত আজি মৰিগাঁও জিলা মিডিয়া ক্লাবৰ সভাকক্ষত জিলা ধান কল মালিক সন্থাৰ সভাপতি দীপক পাল আৰু সম্পাদক মুকুট শৰ্মাই এক সংবাদমেল সম্বোধন কৰে। সংবামেলাযোগে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মৰিগাঁও জিলা



উপায়ুক্ত, জিলা খাদ্য অসামৰিক আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ সহকাৰী সঞ্চালকক কৃষকৰ পৰা উন্নত মানৰ ধান ক্ৰয় কৰাকে ধৰি নগাঁওলৈ চাউল দিবলৈ যোৱাৰ যাতায়াতী খৰচৰ নতুন নিৰিখ ধাৰ্য কৰাৰ বাবে দাবী জনায়। ইফালে, মৰিগাঁও জিলা ধান কল মালিক সন্থাই মৰিগাঁও জিলাৰ উপায়ুক্ত আৰু খাদ্য অসামৰিক আৰু যোগান পৰিক্ৰমা বিভাগক সন্থাই তিনি দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাজ্যৰ কৃষক ৰাইজৰ পৰা ১০ লাখ মেট্ৰিক টন ধান ক্ৰয়ৰ আঁচনিৰ বাবে সন্থাই ধন্যবাদ জ্ঞাপন কৰে। যদিহে চৰকাৰে মৰিগাঁও জিলাৰ ধান কল মালিক সন্থাৰ এই দাবী মানি নলয়, তেতিয়াহ'লে চৰকাৰৰ ধান বনা কাৰ্য স্থগিত ৰাখিব বুলি সংবাদমেলত সকীয়াই দিয়ে।

# পলাশবাৰীত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ 'পথ সঞ্চালন'



**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২৪ জানুৱাৰী ঃ** দক্ষিণ কামৰূপ জিলাৰ উদ্যোগত কালি পলাশবাৰী সমষ্টিৰ মিৰ্জাস্থিত নিজেশ্বৰী মন্দিৰ প্ৰাংগণত পথ সঞ্চালন অনুষ্ঠিত হয়। উক্ত 'পথ সঞ্চালন'ত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰায় ডেৰ শতাধিক কৰ্মীয়ে অংশগ্ৰহণ কৰে। এই পথ সঞ্চালন মিৰ্জাস্থিত নিজেশ্বৰী মন্দিৰ প্ৰাংগণৰ পৰা উপৰহালী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ প্ৰায় পাঁচ কিলোমিটাৰ পথ যাত্ৰা কৰে। অনুষ্ঠানত পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, ৰাজ্যিক বিজেপি যুৱ মৰ্চাৰ সাধাৰণ সম্পাদক হিমাংশু শেখৰ বৈশ্যই অংশগ্ৰহণ কৰাৰ উপৰি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ দক্ষিণ কামৰূপ জিলাৰ কাৰ্যনিৰ্বাহক বিৰাজ মেধি, মুখ্য বক্তাৰূপে সংঘ চালক বিশ্বনাথ গয়াৰী, কিষাণ সংঘৰ ৰাজ্যিক সাংগঠনিক সম্পাদক কৃষ্ণ কান্ত বৰা আৰু দক্ষিণ কামৰূপ জিলা বিজেপি সভাপতি ধনেশ্বৰ তালুকদাৰ উপস্থিত থাকে।

# লখিমী কবি থানেশ্বৰ বৰাৰ ওপজা দিন পালন



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৪ জানুৱাৰী ঃ** লখিমী কবি থানেশ্বৰ বৰাৰ ৭২ সংখ্যক ওপজা দিনত প্ৰকৃতিলৈ অনবদ্য অৱদান আগবঢ়ায় একাংশ গুণমুগ্ধই। দক্ষিণ যোৰহাটৰ চিনামৰাত যোৱা ২৩ জানুৱাৰীত অনুষ্ঠিত ব্যতিক্ৰমী অনুষ্ঠানত লখিমী কবিক সৃষ্টিমধু বাণী খোদিত সম্বৰ্ধনা পত্ৰ, চেলেং, সঁফুৰা, গ্ৰন্থ, গামোচা, পুষ্প আদিৰে অনুৰাগীসকলে নিজা বাসভৱনত ওলগ জনায়। নয়ন পুলি ক্ষেত্ৰৰ যুৱ কৃষক নয়নমণি গগৈৰ সহযোগত কবি থানেশ্বৰ বৰাই চিনামৰা মহাবিদ্যালয়লৈ অধ্যাপক পদ্মেশ্বৰ কাটনি, কুঁৰলী পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাবে কৰ্মচাৰী জিতুল গগৈ আৰু ৰামকৃষ্ণ নগৰ নামঘৰলৈ মামণি বৰাৰ হাতত নিমপুলি অৰ্পণ কৰে। আনহাতে, কবিৰ তত্ত্বাৱধানত থকা নিমপুলি প্ৰাকৃতিক সংস্থাই ভিন্ন ঠাইত ৰোপণেৰে প্ৰকৃতি তথা মানৱ সমাজলৈ অৱদান আগবঢ়াই অধ্যাপক ৰাণাজিৎ গগৈ আৰু যোৰহাট জিলা ইয়ং ব্ৰিগেড কংগ্ৰেছ সেৱা দলৰ সভাপতি বিকাশ গগৈয়ে প্ৰায় এশ নিমপুলি প্ৰদান কৰে। এই নিমপুলি নামনি তিমতিমীয়া নামঘৰত আয়োজিত যোৰহাট জিলাৰ সাৰ্বজনীন আঞ্চলিক ভিত্তিত অখণ্ড ভাগৱত পাঠ অনুষ্ঠানৰ ৰূপালী জয়ন্তীত ৰোপণৰ আৰম্ভ কৰিবলৈ উত্তম কুমাৰ শইকীয়াৰ হাতত তুলি দিয়ে। কবি লাটু গগৈৰ ব্যৱস্থাপনাত সৃষ্টিপ্ৰাণ বিনোদ গগৈৰ সঞ্চালনাত অনুষ্ঠিত ওলগ অনুষ্ঠান অৱসৰপ্ৰাপ্ত উপ-আৰক্ষী অধীক্ষক বংশীধৰ বৰাই বন্তি প্ৰজ্বলন আৰু শিশু ৰিতীষা শইকীয়াই মিষ্ট অৰ্পণেৰে আৰম্ভ কৰে। ঔপন্যাসিক লক্ষেশ্বৰ গগৈ, পঞ্চায়ত সেৱী প্ৰদীপ বৰা আৰু নিমপুলি প্ৰাকৃতিক সংস্থাৰ সমন্বয়সকলে বিশেষ ভূমিকা লয়। ৰফিক হুছেইন, হেমুধৰ বৰাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। লখিমা বৰা, পলী বৰা, নানু শইকীয়াই সহযোগিতা আগবঢ়ায়। দিনজুৰি শুভাকাংক্ষীয়ে শুভেচ্ছা জনাই থকাৰ মাজতে লখিমী কবিয়ে মুৰমুৰীয়া অঞ্চলৰ বিচিত্ৰা মইনা পাৰিজাতক ২৩ খন শিশু গ্ৰন্থ উপহাৰ দিয়ে। ন-পমুৱা বৰ নামঘৰত অনুষ্ঠিত অখণ্ড ভাগৱত পাঠৰ 'নৃসিংহ মুৰাৰী' ভাওনা উদ্বোধনেৰে লখিমী কবি থানেশ্বৰ বৰাই ওপজা দিনৰ কাৰ্যসূচী সামৰণি মাৰে।

# চাবুৱাত মাঘ বিহু উপলক্ষে গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**



**চাবুৱা, ২৪ জানুৱাৰী ঃ** চাবুৱা আঞ্চলিক সাহিত্য মঞ্চই মাঘ বিহু উপলক্ষে কালি এখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়। অসমীয়াৰ অন্যতম বাপতি সাহোন স্বৰূপ মাঘ বিহুক উপলক্ষ কৰি বিভিন্ন লেখকে লিখা ন টা তত্ত্ব গধুৰ প্ৰবন্ধ সন্নিবিষ্ট সংকলনটো উন্মোচন কৰে সাহিত্যিক পেঞ্চনাৰ নৰেশ্বৰ হাজৰিকাই। সংকলনটো সম্পাদনা কৰা সম্পাদক তথা কৃতী শিক্ষক ভাগ্যেশ্বৰ গগৈয়ে আঁত ধৰা উন্মোচনী সভাত সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক ত্ৰৈলোক্য গগৈ, এন ই ই আইৰ অধ্যক্ষ প্ৰশান্ত নেওগ, সাংবাদিক পেঞ্চনাৰ প্ৰফুল্ল শৰ্মা, শিক্ষক অনুপম বুঢ়াগোহাঁই, শিল্পী দিলীপ দাস, কল্যাণকে ধৰি অন্যান্যসকল উপস্থিত থাকে। কল্যাণ অফছেট কাৰ্যালয়ত অনুষ্টুপীয়াকৈ অনুষ্ঠিত উন্মোচনী সভাত উন্মোচক নৰেশ্বৰ হাজৰিকাই সম্পাদকৰ প্ৰচেষ্টাক শলাগ লয়। মাঘ বিহুক উপলক্ষ কৰি গ্ৰন্থ সংকলন প্ৰকাশ ৰাজ্যত অতি কম বুলি মন্তব্য কৰি এই গ্ৰন্থই প্ৰজন্মক মাঘ বিহু সম্পৰ্কত বহু তথ্য যোগান ধৰিব বুলি চমু বক্তব্যত উল্লেখ কৰে। সভাত উপস্থিত অন্যান্যসকলেও বক্তব্য আগবঢ়ায়। উল্লেখ্য যে সংকলটোত মাঘ বিহুৰ লগত জড়িত বিভিন্ন বিষয়ক চিন্তা-গধুৰ লেখা আগবঢ়োৱা লেখকসকল হৈছে ক্ৰমে যজ্ঞেশ্বৰ চেতিয়া, নৰেশ্বৰ হাজৰিকা, ত্ৰৈলোক্য গগৈ, বীণা গগৈ শৰ্মা, প্ৰশান্ত নেওগ, দিগন্ত বৰুৱা, অৰুণ বৰপাত্ৰগোহাঁই, অনুপম বুঢ়াগোহাঁই আৰু কল্পনা খনিকৰ গগৈ।

# বিভিন্ন সমন্বয়-সংস্কৃতিৰ প্ৰতিচ্ছবিৰে জিলিকি উঠিছে সৰুপথাৰ মহাবিদ্যালয়ৰ দেৱাল

**সৰুপথাৰ, ২৪ জানুৱাৰী ঃ** দৈয়াং ধনশিৰিৰ পৃষ্ঠভূমিত ১৯৭০তে প্ৰতিষ্ঠা লাভ কৰা সৰুপথাৰ মহাবিদ্যালয়ৰ এক গৌৰৱ উজ্জ্বল ইতিহাস আছে। অসম-নগালেণ্ড সীমান্তৰ ইতিহাস প্ৰসিদ্ধ সৰুপথাৰ মহাবিদ্যালয়খনত




বিভিন্ন জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। সকলো জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এক সুন্দৰ সমন্বয় প্ৰতিষ্ঠাৰ লক্ষ্যৰে মহাবিদ্যালয়খনৰ দেৱালত অংকন কৰা হৈছে বিভিন্ন গ্ৰাম্য জীৱনৰ কৰ্মৰাজি, অসমৰ ইতিহাস প্ৰসিদ্ধ ৰংঘৰ, শিৱদৌল, মাজুলীৰ কৃষ্টি-সংস্কৃতি, অসমৰ গৌৰৱ চাহপাত, অসমৰ বিভিন্ন জনগোষ্ঠীয় গামোচাৰ প্ৰতিচ্ছবিৰ লগতে গ্ৰামাঞ্চলৰ কিছুমান জীৱিত ছবি। সৰুপথাৰ অঞ্চলত বিভিন্ন কৃষ্টি-সংস্কৃতি, বৰ্ণ-ধৰ্ম, জাতি-জনগোষ্ঠীৰ লোকে ভৰি আছে। গতিকে সৰুপথাৰ মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা সকলো জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীক একতাৰ ডোলেৰে বান্ধ খোৱাই সকলোকে সমান গুৰুত্ব প্ৰদানৰে ধনশিৰি মহকুমাক প্ৰতিনিধিত্ব কৰাৰ মানসেৰে সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা, শিক্ষক সমাজ আৰু ছাত্ৰ একতা সভাৰ সহযোগত লোৱা হৈছে এই পদক্ষেপ। ভৱিষ্যতে যাতে সকলো ছাত্ৰ-ছাত্ৰীয়েই মহাবিদ্যালয়খনত এক মুকলি আৰু আনন্দ মনেৰে প্ৰৱেশ কৰি সমন্বয়ৰ মাজেৰে মিলিজুলি থাকিব পাৰে তাৰ উদ্দেশ্যৰেই এইসমূহ চিত্ৰ অংকন কৰা হৈছে বুলি মহাবিদ্যালয়খনৰ সাধাৰণ সম্পাদক শিৱাশীষ শৰ্মাই জানিবলৈ দিয়ে। দেৱালত অংকন কৰা প্ৰতিখন ছবিৰেই স্বকীয় সত্তা থকাৰ লগতে প্ৰতিটো জাতি-জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিছে।

# চাবুৱাত সদৌ অসম মটক ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ২৪ জানুৱাৰী ঃ** মটক জনগোষ্ঠীটোৰ সকলো প্ৰকাৰৰ উত্তৰণৰ স্বাৰ্থত ধাৰাবাহিক কাৰ্যপন্থা গ্ৰহণ কৰি অহা জনগোষ্ঠীয় সংগঠনসমূহৰ অন্যতম সংগঠন হৈছে সদৌ অসম মটক ছাত্ৰ সন্থা। কালি সন্থাৰ ২৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে চাবুৱা শাখা সাহিত্য সভাৰ ভৱনত আয়োজিত এক অনুষ্ঠানতে তিনিচুকীয়া আৰু চাবুৱাৰ কে'বাজনো সাংবাদিকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ক'ভিড পৰিস্থিতিৰ সাপেক্ষে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া নীতি মানি সীমিত কৰ্মকৰ্তাৰ উপস্থিতিত পুৱা ২৫ খন পতাকা আৰু মূল পতাকা উত্তোলন কৰে কেন্দ্ৰীয় সভাপতি সঞ্জয় হাজৰিকাই। সাধাৰণ সম্পাদক সুলভজ্যোতি হাজৰিকাই স্মৃতি তৰ্পণৰ পাছত বৃক্ষৰোপণ কৰে প্ৰাক্তন সভাপতি তথা মটক স্বায়ত্ত পৰিষদৰ পাৰিষদ নীৰেণ শইকীয়াই। পাছত সম্বৰ্ধনা অনুষ্ঠানত সাংবাদিকসকলক সম্বৰ্ধনা জ্ঞাপন কৰে সন্থাই। সম্বৰ্ধনা অনুষ্ঠানত মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ স্বৰূজ গোহাঁয়ে মটক জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে সাংবিধানিকভাৱে প্ৰদান কৰিবলগীয়া পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। জ্যেষ্ঠ সাংবাদিক তথা 'নিউজ লাইভ'ৰ তিনিচুকীয়া ব্যুৰ' ৰঞ্জিত দত্তই কয় যে মটক ছাত্ৰ সন্থাই বিগত বহু বছৰ ধৰি



জনগোষ্ঠীটোৰ হকে বিভিন্ন ধৰণ কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ লগতে সমাজৰ বাবে নিৰন্তৰে সেৱা আগবঢ়াই অহা ব্যক্তিসকলক চিনাক্ত কৰি সন্মান জনোৱা কাৰ্যই সেৱা কৰা ব্যক্তিসকলক অধিক অনুপ্ৰাণিত কৰা কাৰ্য মহান। দত্তৰ লগতে মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ স্বৰূজ গোহাঁই, মটক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি নীৰেণ শইকীয়া, মটক যুৱ-ছাত্ৰ পৰিষদৰ সম্পাদক উজ্জ্বল বৰুৱা, তিনিচুকীয়াৰ সাংবাদিক লালন চাহানী, চাবুৱাৰ সাংবাদিক ক্ৰমে দিব্যজ্যোতি লাহন, ৰাজীৱ সিং, বাপন পাল, বিশ্বজিত ফুকন, অনুপম বুঢ়াগোহাঁই, অৰুণ বৰপাত্ৰ গোহাঁই, দিবাকৰ দত্তকে ধৰি কেইগৰাকীক সমাজৰ হকে নীৰৱে সেৱা কৰি অহাৰ বাবে সন্থাই বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে।

# ওদালগুৰিত পালনামৰ সামৰণি

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২৪ জানুৱাৰী ঃ** ওদালগুৰিৰ শ্ৰীমন্ত শংকৰদেৱ সত্ৰত কালি অনুষ্ঠিত ছয় ঘন্টীয়া পালনাম পুৱা ৯-৩০ৰ অখণ্ড পালনাম ভাগত মুখ্য পাঠকৰূপে অংশগ্ৰহণ কৰি পালনাম ভাগ পৰিচালনা কৰে গুৱাহাটী পাণবজাৰ শংকৰদেৱ শাখা সত্ৰৰ শৰণাচাৰ্য বীৰেন পাঠকে। ক'ভিড সংক্ৰমণৰ সময়ত সকলোৱে যাতে কুশলে জীৱন অতিবাহিত তাৰ বাবে প্ৰতিজনে নেদেখা জনক ওচৰত মূৰ দোৱাই প্ৰাৰ্থনা জনাই। পালনাম ভাগ ১০ ঘন্টীয়া কৰাৰ কথা আছিল যদিও ক'ভিড বিধিৰ পৰিপ্ৰেক্ষিতত ছয় ঘন্টালৈ হ্ৰাস কৰা হয়।

# পূব নলবাৰী যুৱ-ছাত্ৰৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৪ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ অন্তৰ্গত পূব নলবাৰী আঞ্চলিক সমিতিৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ২৩ জানুৱাৰীত অনুষ্ঠিত হয়। স্থানীয় বালিকুছি মজলীয়া বিদ্যালয়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পূব নলবাৰী আঞ্চলিক সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত এশৰো অধিক সদস্য উপস্থিত থাকে। কাৰ্যনিৰ্বাহক সভাত সভাপতিত্ব কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতিৰ উপদেষ্টা যোগেশ কলিতাই। সভাত উপস্থিত থাকে নলবাৰী জিলা সমিতিৰ সমাজসেৱা সম্পাদক নয়নমণি কলিতা। পূব নলবাৰী আঞ্চলিক সমিতিৰ সম্পাদক নৱজিত কলিতাই আঁত ধৰা সভাখনত সৰ্বসন্মতিক্ৰমে সংগ্ৰামী যুৱ নেতা লুটফুৰ ৰহমানক আঞ্চলিকৰ সভাপতি দায়িত্ব অৰ্পণ কৰা হয়। লগতে সভাত পূব নলবাৰী আঞ্চলিক সমিতিয়ে জাতীয়তাবাদী চিন্তাধাৰাক অধিক শক্তিশালী কৰি তোলাৰ সংকল্প গ্ৰহণৰ লগতে কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# সামাজিক সৌজন্যতাও সাহিত্যত থাকিব লাগিব

## কবি মিন্টু সাগৰ দাসৰ' ফুল চন্দন তুলসী' শীৰ্ষক কাব্যগ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৪ জানুৱাৰী ঃ** জাতীয় চেতনা সন্নিবিষ্ট কৰি সাহিত্য সৃষ্টি কৰিব পাৰিলেহে সাহিত্যই স্থায়িত্ব পাব। অৱশ্যে সাহিত্যত চিন্তা আৰু চেতনাকো সংযোগ ঘটাব পাৰিব লাগিব। এই মন্তব্য 'আউলিঙৰ জুই' উপন্যাসৰ লেখক তথা ঔপন্যাসিক অনুৰাগ মহন্তৰ। ২০২১ৰ সঁজাল বঁটা প্ৰাপক কবি মিন্টু সাগৰ দাসৰ কাব্য গ্ৰন্থ 'ফুল চন্দন তুলসী' উন্মোচন কৰি ঔপন্যাসিক মহন্তই কালি কবি মিন্টু সাগৰ দাসক সম্ভাৱনাপূৰ্ণ কবি হিচাপে ৰাজ্যৰ কাব্য জগতত স্বীকৃতি পোৱা বুলি মন্তব্য কৰে। আজি দুপৰীয়া এক আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজেৰে প্ৰতিষ্ঠিত যুৱ কবি মিন্টু সাগৰ দাসৰ বাসগৃহত অনুষ্ঠিত হোৱা উক্ত কাব্য গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে সুবক্তা তথা সাহিত্যকৰ্মী নৱনিত হাজৰিকা আৰু সাংস্কৃতিক কৰ্মী মন্টু কলিতাই। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বিশিষ্ট নিবন্ধকাৰ, কবি, সাহিত্যিক চামচুল বাৰিকে ভাষণত কবিতাও এবিধ কলা বুলি যায়। পাৰিপাৰ্শ্বিকতাক বাদ দি কেতিয়াও কবিতা সৃষ্টি নহয় বুলি তেওঁ মন্তব্য কৰে। বাৰিকে লগতে কয় যে সামাজিক সৌজন্যতাও সাহিত্যিত থাকিব লাগিব। ইয়াৰ উপৰি গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ গল্পকাৰ তথা শিক্ষক প্ৰশান্ত কুমাৰ নেওগ, শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকা, শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি ব্ৰজেন দাস, চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যাপিকা ৰীতা বৈৰাগী উপস্থিত থাকি ভাষ্য প্ৰদান কৰে। কবি মিন্টু সাগৰ দাসে আদৰণি আৰু উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোৰ বিশিষ্ট কবি মনোজ কুমাৰ পাণ্ডে, নৱনীত হাজৰিকা আৰু ভাৰ্গৱ দাসে কবিতা আবৃত্তিৰে জীপাল কৰি তোলে। উল্লেখ্য যে কবি মিন্টু সাগৰ দাসৰ নিজান ৰাতিৰ নিশা আৰু কেনে লাগে এই বাটত শীৰ্ষক দুখনকৈ কাব্য সংকলন ইতিমধ্যে প্ৰকাশ পোৱাৰ লগতে 'ওলমা মৌ' নামে আন এখন শিশু গদ্যৰ সংকলনো দাসৰ সম্পাদনাত প্ৰকাশ পাইছে।



# ডিমৌত গণৰাজ্য দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২৪ জানুৱাৰী ঃ** ডিমৌ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ উদ্যোগত আৰু সমূহ ডিমৌবাসী ৰাইজৰ সহযোগত ডিমৌ ৰাজহুৱা খেলপথাৰত ২৬ জানুৱাৰীত গণৰাজ্য দিৱস উদ্‌যাপন কৰা হ'ব। গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি পুৱাৰ ভাগত দেশপ্ৰেমমূলক গীত-মাত পৰিৱেশন, সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পাছতে ডিমৌ ৰাজহুৱা খেলপথাৰৰ কাষৰ মহাত্মা গান্ধী প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰিব ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হিতেশ্বৰ বৰগোহাঁয়ে। ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰিব ডিমৌ ৰাজহ চক্ৰ সংলগ্ন চক্ৰ বিষয়া মেৰি ভি ৰালচনে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব ডিমৌ ৰাজহ চক্ৰ বিষয়া পিলিছ ভি এল এইছ ৰাংচালে। অনুষ্ঠানত উপস্থিত থাকিব থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, নগৰ পানী যোগান আৰু পয় প্ৰণালী ব'ৰ্ডৰ অধ্যক্ষ কুশল দুৱৰীৰ লগতে আন কে'বাজনো বিশিষ্ট ব্যক্তি। ডিমৌ আদৰ্শ চিকিৎসালয়ৰ ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰা হ'ব।

# শ্ৰদ্ধাঞ্জলি সাবিত্ৰী তালুকদাৰ



**মৃত্যু** অৱশ্যম্ভাৱী বুলি জানিও কিছু লোকৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে পৰিয়ালৰ সপোন চূৰমাৰ কৰাৰ লগতে আত্মীয়-স্বজনকো শোক সাগৰত পেলাই থৈ যায়। তেনে এগৰাকী ধৰ্মপ্ৰাণা মহিলা মোৰ শাহু মা সাবিত্ৰী তালুকদাৰ। যোৱা ১৬ জানুৱাৰীত ইহলীলা সম্বৰণ কৰা শাহু মাই তিনি পুত্ৰ, দুগৰাকী কন্যাক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি এক আদৰ্শবান মাতৃৰূপে পৰিচয় দিবলৈ সক্ষম হৈছে, যাৰ বাবে তেওঁৰ কথা আজিও একেমুখে স্বীকাৰ কৰে। স্বামীৰ অৱৰ্তমানত ঘৰখনক আজি বহু বছৰ 'ঘৰ' কৰি ৰখাৰ যি দায়িত্ব মূৰ পাতি লৈছিল সেই কথা আমিও ক'বই লাগিব। নাম-প্ৰসংগত আগভাগ লোৱা, অতিথিক আপ্যায়ন কৰা, আত্মীয়-স্বজনৰ সকাম-নিকামত পাৰ্যমানে অংশ লোৱা, চাফ-চিকুণতাৰে দিন অতিবাহিত কৰা, নিৰ্জু ব্যৱহাৰেৰে মানুহক সম্বোধন কৰা শাহু মাৰ জীৱনৰ উল্লেখ্য বৈশিষ্ট্য। হেলচাৰ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰে পৰিপূৰ্ণ ঘৰখন বান্ধি ৰাখি প্ৰতিপল অতিবাহিত কৰিছিল জীৱনৰ ৰঙীণ দিনবোৰ। অসুখ-বিসুখৰ বাহিৰে কাহিলিপুৱাতে শোৱাপাটী ত্যাগ কৰি কাম-বনবোৰ কৰি দিনবোৰ সজীৱ কৰি ৰখাত শাহু মাৰ অৰিহণা কোনোগুণে কম নহয়। তাৰ মাজতে জ্ঞাতি-কুটুমৰ খবৰ ল'বলৈ পাহৰা নাছিল। গাঁওখনৰ প্ৰতিগৰাকী মহিলাৰে আপোন শাহু মা হঠাৎ ধৰা এৰি বৈকুণ্ঠগামী হ'ব বুলি কোনোৱে কল্পনা কৰা নাছিল। কিন্তু নিয়তিৰ ওচৰত হাৰ মানি চিৰদিনৰ বাবে চকু মুদিলেও তেওঁৰ কৰ্মৰ চানেকি সদায় আমাৰ মাজত জীয়াই থাকিব। হৃদযন্ত্ৰৰ ক্ৰিয়া বিকল হৈ বিয়োগ বৰণ কৰা শাহু মাৰ আজি পবিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা অশ্ৰুভৰা শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ উপৰি স্বৰ্গগত আত্মাৰ চিৰশান্তি কামনা কৰিলো।

**প্ৰদীপ কুমাৰ বৰ্মন**

# ডিগবৈত তীব্ৰবেগী বাহনৰ খুন্দাত থিতাতে নিহত এজন

**ডিগবৈ, ২৪ জানুৱাৰী ঃ** ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত ডিগবৈ তিনিচুকীয়া সংযোগী ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত ৰামনগৰত অচিনাকি তীব্ৰবেগী বাহনৰ খুন্দাত থিতাতে এজন যুৱক মৃত্যু হয়। তথ্য অনুসৰি, যোৱা নিশা প্ৰায় ১০-৩০ বজাত দুৰ্ঘটনাত থিতাতে নিহত হোৱা যুৱকজন ডিগবৈ এক নম্বৰ বৰবিলৰ নিবাসী নাজিম মানচুৰী (২১)। নিশা কোনো তীব্ৰবেগী বাহনৰ খুন্দাত থিতাতে নিহত হোৱাত ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিতে মৃতদেহ পৰি ৰয়। নিশা পৰিত্যক্ত অৱস্থাত মৃতদেহটো পৰি থকা প্ৰত্যক্ষ কৰি স্থানীয় লোকে ডিগবৈ আৰক্ষীক খবৰ দিয়াত ততাতৈয়াকৈ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি তিনিচুকীয়ালৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# দুলীয়াজানত তিহাৰ বিদায় সমাৰোহ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ২৪ জানুৱাৰী ঃ** দুলীয়াজানৰ গোৰ্খা সমাজৰ উদ্যোগত যোৱা ২২ জানুৱাৰীত তৈলনগৰী দুলীয়াজানৰ বিহুতলী প্ৰাংগণত তিহাৰ বিদায় সমাৰোহ অনুষ্ঠিত হয়। ক'ভিড-১৯ৰ প্ৰকোপ অত্যধিক হোৱাৰ বাবে সংগঠনটোৱে সীমিত কাৰ্যসূচীৰে তিহাৰ সমাৰোহৰ সমাপ্তি ঘটায়। প্ৰথম কাৰ্যসূচী হিচাপে পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি কুমাৰ ৰায়ে। ছহিদ তৰ্পণ কৰে অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক ক্ৰমে বিশালজিৎ খাপাংগী আৰু ভৰত শৰ্মাই। ইয়াৰ পাছত ড° ভূপেন হাজৰিকাৰ সমাধিস্থলত বন্তি প্ৰজ্বলন কৰে অভ্যৰ্থনা সমিতিৰ মুখ্য ব্যৱস্থাপক ছবিৰ সোনাৰে। ডিব্ৰুগড় জিলা গোৰ্খা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য সন্তোষ কুমাৰ লিম্বুক সম্বৰ্ধনা অনুষ্ঠানেৰে কাৰ্যসূচীৰ সামৰণি পৰে। উক্ত কাৰ্যসূচীত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি সঞ্জীৱ কুমাৰ লিম্বু, সাধাৰণ সম্পাদক নোমল ছেত্ৰী, সাংগঠনিক সম্পাদক মণি কুমাৰ লিম্বু, প্ৰচাৰ সম্পাদক ৰাকেশ লামা, কাৰ্যালয় সম্পাদক বিকাশ শৰ্মা, কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে মোহন বিশ্বকৰ্মা, কুলবাহাদুৰ তামাং, ডিব্ৰুগড় জিলা গোৰ্খা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰতন ছেত্ৰী, সাধাৰণ সম্পাদক অমৰ লিম্বু, উপ-সভাপতি ৰাজেন্দ্ৰ ৰচাইলি, প্ৰচাৰ সম্পাদক বিকি বিশ্বকৰ্মা, কাৰ্যনিৰ্বাহক সদস্য ক্ৰমে কুমাৰ ৰাই, কৃষ্ণ সোণ দাস উপস্থিত থকাৰ লগতে তিনিচুকীয়া জিলা গোৰ্খা ছাত্ৰ সন্থাৰ উপ-সভাপতি ভৰেশ নেয়াৰ, সদস্য নৰেশ শৰ্মা আৰু বিভিন্ন ভ্ৰাতৃ দল-সংগঠনৰ বিষয়ববীয়া উপস্থিত আছিল।



# ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নামতি, ২৪ জানুৱাৰী ঃ** ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটে 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদ্‌যাপন কৰা হয়। সভা মুকলি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। ৰাষ্ট্ৰীয় কন্যা শিশু দিৱসৰ তাৎপৰ্য আগবঢ়ায় উপাধ্যক্ষ ড° নীলাক্ষী ফুকন বৰগোহাঁয়ে। কন্যা শিশু দিৱসত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়া ক্ষেত্ৰত নামতি অঞ্চলৰ পৰা জিলিকি উঠা কল্যাণী গগৈ আৰু পিংকী গগৈক অভিনন্দন জনোৱা হয়। সভাত বক্তব্য ৰাখে অধ্যাপিকা ছেহিদা খাতুন আৰু ড° উমাকান্ত হাজৰিকাই। সভাৰ আঁত ধৰে ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱকদ্বয় হিৰণ্ময়ী দুৱৰা আৰু ইয়াৰুজ হুছেইনে।

## ■ ভুৱা সংঘৰ্ষৰে চমক দিয়া নগাঁও আৰক্ষীৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ

# চাৰিমাহে গ্ৰেপ্তাৰ নহ'ল মহাপ্ৰৱঞ্চক মৃদুপৱন



তেজপুৰত ডাইনীৰ বিৰুদ্ধে ৰাইজৰ সজাগতা সভা, সোমবাৰে।

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৪ জানুৱাৰী ঃ** ড্ৰাগছ মাফিয়া-দুৰ্ধৰ্ষ ডকাইতক এনকাউণ্টাৰ কৰি কৃতিত্ব জাহিৰ কৰা নগাঁও আৰক্ষীয়ে অনাহকত প্ৰাক্তন ছাত্ৰ নেতা কীৰ্তিকমল বৰাক গুলীয়াই আহত কৰাৰ পাছতে নগাঁও আৰক্ষীৰ বিফলতাৰ কেতবোৰ দিশো পোহৰলৈ আহিছে। কীৰ্তিকমলৰ দৰে সাধাৰণ যুৱকক গুলীয়াই বীৰত্ব প্ৰদৰ্শন কৰা নগাঁও আৰক্ষীয়ে কিন্তু বিগত চাৰিটা মাহে গ্ৰেপ্তাৰ কৰিব পৰা নাই মৃদুপৱন নেওগৰ দৰে কুখ্যাত প্ৰৱঞ্চকক। উল্লেখ্য যে এখন বিলাসী বাহন বিক্ৰী কৰিব বুলি প্ৰৱঞ্চনাৰে এজন লোকৰ পৰা প্ৰায় ৩১ লাখ টকা আত্মসাৎ কৰিছিল মৃদুপৱন নেওগ নামৰ প্ৰৱঞ্চকজনে। সেই সময়তে প্ৰৱঞ্চকজনৰ বিৰুদ্ধে ২৩২৮/২১ নম্বৰত আৰু ভাৰতীয় দণ্ড বিধিৰ ৪০৬/৪২০/১৭১/৫০৬/৩৪ ধাৰাত নগাঁও সদৰ আৰক্ষী থানাত গোচৰ ৰুজু হৈছিল। লোকজনে এখন বিলাসী ফৰচোনা বাহন বিক্ৰীৰ নামত নগাঁৰৰ নেহা কাৰ বাজাৰ নামৰ এটা প্ৰতিষ্ঠানৰ পৰা প্ৰায় ৩১ লাখ টকা আত্মসাৎ কৰিছিল। পাছত নেহা কাৰ বাজাৰ প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষই নগাঁও সদৰ আৰক্ষী থানাত মৃদুপৱন নেওগৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰিছিল। এই এজাহাৰৰ ভিত্তিত নগাঁও আৰক্ষীয়ে মৃদুপৱনৰ গুৱাহাটীৰ কাহিলীপাৰাস্থিত বাসগৃহত অভিযান চলাইছিল। আৰক্ষীৰ অভিযানৰ সময়তেই মৃদুপৱনে পলায়ন কৰিবলৈ সক্ষম হৈছিল। অভিযানকাৰী দলটোৱে মৃদুপৱনৰ ফ্লেটত তালাচী চলাই জব্দ কৰিছিল এটা ৩.২ পিষ্টল, ২০ জাঁই সক্ৰিয় গুলি, এপিএছ, আইপিএছ বিষয়াৰ বেজ, আঠ বিদেশী মুদ্ৰা, গৃহমন্ত্ৰণালয়ৰ তিনিটা ষ্টাম্প পেড, অশোক স্তম্ভ থকা ভাৰত চৰকাৰৰ ফলক, এটা ছ'নী লেপটপ, এটা ডিএছএলআৰ কেমেৰা, অশোক স্তম্ভ থকা ভিজিটিং কাৰ্ড, চেক বুক, বেংক পাছবুক, সোণৰ চেইনকে ধৰি বহু আপত্তিজনক নথিপত্ৰ। নিজকে কেন্দ্ৰীয় গৃহমন্ত্ৰণালয়ৰ বিষয়া বুলি পৰিচয় দি নিৰাপত্তাৰক্ষী লৈ ফুৰিছিল

১৩ পৃষ্ঠাত চাওক

## ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত নাম সন্নিবিষ্ট সৃজনগ্ৰামৰ ভানুৰাণী বসুমতাৰীৰ

### ■ আঠটাকৈ নৃত্যৰ ওপৰত চিডি আৰ্টৰে অভিলেখ



**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২৪ জানুৱাৰী ঃ** ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত নিজৰ নাম সন্নিবিষ্ট কৰি উজলি উঠিছে বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ এগৰাকী ছাত্ৰী। জিলাখনৰ সৃজনগ্ৰাম উন্নয়ন খণ্ড কাৰ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী গোলাপ বসুমতাৰী আৰু মায়াৰাণী বসুমতাৰীৰ কন্যা ভানুৰাণী বসুমতাৰীয়ে আঠটাকৈ নৃত্যৰ ওপৰত চি ডি আৰ্টৰ জৰিয়তে এই অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। উত্তৰ শালমাৰাৰ তুলুঙীয়াস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰী ভানুৰাণী। ছাত্ৰীগৰাকীৰ এই সাফল্যত এতিয়া আনন্দিত হৈ পৰিছে সৃজনগ্ৰামৰ লগতে বঙাইগাঁওবাসী। উল্লেখ্য যে কোনো আনুষ্ঠানিক শিক্ষাগ্ৰহণ নকৰাকৈয়ে ছাত্ৰীগৰাকীয়ে ইতিমধ্যে বিভিন্ন ছবি অংকন কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আজি ছাত্ৰীগৰাকীৰ চৰকাৰী আৱাসগৃহলৈ গৈ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ জিলা আৰু আঞ্চলিক সভাপতি ক্ৰমে নাৰায়ণ মেধি আৰু নিৰ্মল ৰায়কে ধৰি আক্ৰাছুৰ স্থানীয় সভাপতি গিৰীণ কিশোৰ ৰায়, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ স্থানীয় সভাপতি ছফিকুল আলম শ্বেইখকে ধৰি বিভিন্নজনে ভানুৰাণীক সম্বৰ্ধনা জনায়।

## গণৰাজ্য দিৱসত দিল্লীৰ পেৰেড পেৰাচেলি-সাংস্কৃতিক অনুষ্ঠানত ৰাগিনী



**অগ্ৰদূত বাৰ্তা**
**লংকা, ২৪ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ প্ৰাক্ক্ষণত অসমবাসীৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে হোজাই জিলাৰ লংকাৰ এগৰাকী কিশোৰীয়ে। এইবাৰ গণৰাজ্য দিৱসৰ দিল্লীৰ পেৰেড পেৰাচেলেঙত ভাগ ল'ব অসম কন্যা তথা লংকাৰ জীয়ৰী ৰাগিনী প্ৰিয়া মহন্তই। লগতে গণৰাজ্য দিৱস উপলক্ষে ভাৰতৰ কে'বাখনো ৰাজ্যৰ মাজত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানৰ ভিতৰত দিল্লীৰ হৈ অসমৰ কৃষ্টি-সংস্কৃতি তথা অসমৰ জাতীয় সাজপাৰ পৰিধানেৰে দিল্লীক প্ৰতিনিধিত্ব কৰিব অসম ৰাগিনীয়ে। ইয়াৰ উপৰি এন চি চিৰ দু-সাহসিক ক্ৰীড়া প্ৰদৰ্শন কৰিব দিল্লীৰ পেৰেড প্ৰগামত। বৰ্তমানো দিল্লীৰ পেৰেড পেৰাচেলঙৰ অনুশীলনত ব্যস্ত ৰাগিনী। দিল্লীত অধ্যয়নতত কিশোৰী ৰাগিনীয়ে নিজৰ অধ্যয়ন কৰাৰ লগতে বহু কষ্ট আৰু সাধনাৰ ফলত গণৰাজ্য দিৱসত এনেদৰে প্ৰতিনিধিত্ব কৰাৰ সুবিধা লাভ কৰাৰ বাবে উৎফুল্লিত হৈ পৰিছে ৰাগিনীৰ মাতৃ যামিনী গোস্বামী মহন্ত আৰু পিতৃ অশ্বিনী মহন্তই।

## চৰকাৰী সাহায্যৰ পৰা বঞ্চিত ৰোগাক্ৰান্ত নাট্যশিল্পী

### ■ ১৮ বছৰ ভ্ৰাম্যমাণ নাট্য জগতৰে জড়িত হৈয়ো উপেক্ষিত মৰাণবাৰীৰ বিক্ৰম বৈশ্য



**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ২৪ জানুৱাৰী ঃ** ১৮ বছৰ ভ্ৰাম্যমাণ নাট্য জগতৰ লগত জড়িত হৈ থকাৰ পাছত হঠাৎ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱা গহপুৰৰ এগৰাকী প্ৰবীণ অভিনেতা, সংগীত শিল্পীয়ে আজি পৰ্যন্ত লাভ কৰিবলৈ সক্ষম নহ'ল কোনো ধৰণৰ চৰকাৰী সা-সুবিধা। ১৯৮৪তে অভিনেতাৰূপে গহপুৰৰ ভ্ৰাম্যমাণ নাট্যদল 'অলংকাৰ থিয়েটাৰ'ৰ যোগেদি নাট্য জগতৰ যাত্ৰা আৰম্ভ কৰিছিল গহপুৰ মহকুমাৰ বৰঙাবাৰীৰ মৰাণবাৰীৰ গাঁৰৰ বিক্ৰম বৈশ্যই। ভ্ৰাম্যমাণ থিয়েটাৰত প্ৰথমতে অভিনেতা, তাৰ পাছত কণ্ঠশিল্পী তথা সংগীত শিল্পীৰূপে কৰ্ম সম্পাদন কৰা বৈশ্যই অলংকাৰ থিয়েটাৰৰ পাছত ক্ৰমে দিব্যবাণী থিয়েটাৰ, শংকৰ-মাধৱ, জ্যোতিৰূপা, সুৰদেৱী, ঈগল, ইন্দ্ৰাণী, পাঞ্চজন্য আদি থিয়েটাৰত ১৮ বছৰ কাল অতিবাহিত কৰে। ২০২০ত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বৰ্তমান কিছু পৰিমাণে সুস্থ হোৱা এইজন ভ্ৰাম্যমাণ শিল্পীয়ে নিজৰ দুৰ্দিনৰ সময়তো এজন শিল্পীৰূপে কোনো ধৰণৰ চৰকাৰী সাহায্য লাভ কৰিবলৈ সমৰ্থ নোহোৱাটো অতি পৰিতাপৰ বিষয়ৰূপে পৰিগণিত হৈছে। উল্লেখ্য যে ভ্ৰাম্যমাণ নাট্যদলৰ শিল্পীৰূপেই জীৱন-জীৱিকাৰ পথত আগবঢ়া বৈশ্যই ভ্ৰাম্যমাণ জগতৰ পৰা অব্যাহতি লৈ বৰঙাবাৰী অঞ্চলত দুখনকৈ সংগীত প্ৰশিক্ষণ বিদ্যালয় চলাই লাভ কৰা অৰ্থৰে পত্নী, দুই কন্যাসহ নিজৰ পৰিয়াল চলাই

১৩ পৃষ্ঠাত চাওক

## ভাঙুৰী-মদাহীৰ আড্ডালৈ ৰূপান্তৰিত শুৱালকুছিৰ একাধিক মন্দিৰৰ চৌহদ

■ নীৰৱ আৰক্ষী প্ৰশাসন
■ ক্ষোভিত স্থানীয় ৰাইজ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২৪ জানুৱাৰী ঃ** ১০৩ নম্বৰ পূব শুৱালকুছি গাঁও পঞ্চায়তৰ বামুণ শুৱালকুছি ৰাজঘাট আৰু শিলাঠুৰি অঞ্চলৰ মহাবাহুৰ পাৰতে প্ৰতিষ্ঠা হোৱা শ্মশানৰ ঐতিহাসিক 'ক'লী মন্দিৰ' আৰু 'ভোলেবম' মন্দিৰ এতিয়া ভাঙুৰী মদাহীৰ ৰম্যভূমি হৈ পৰিছে। প্ৰকৃতিৰ ৰূপ চাবলৈ অহা পৰ্যটকৰ বাবে এনে দৃশ্যই সমস্যাৰ সৃষ্টি কৰিছে। মন্দিৰত নাম কীৰ্তন কৰিবলৈ অহা আয়তীসকলে কেতিয়াবা যুৱ উচ্ছৃংখলতাৰ বাবে উভতি আহিব লগা অৱস্থা হয়। তেওঁলোকৰ অশ্লীল ভাষাৰ বাবে কোনো লোক যাব নোৱাৰা সদৃশ পৰিৱেশৰ সৃষ্টি হৈছে। মহাবাহু ব্ৰহ্মপুত্ৰ আৰু প্ৰকৃতিৰ মনোৰম তথা অঞ্চলটোৰ ভিতৰতে নিৰিবিলি ঠাইখনত বৰ্তমান অশান্তিয়ে বাস লৈছে। এই ক্ষেত্ৰত বাধা দিব গ'লেও একাংশ সচেতন লোকে গালি খাব লাগে। মহাবাহু ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ পৰা সমগ্ৰ শুৱালকুছিবাসীক ৰক্ষা কৰি থকা ৰাজঘাট শিলাঠুৰী পাহাৰক এই কৰাল গ্ৰাসৰ পৰা মুক্ত কৰাৰ বাবে জলসম্পদ বিভাগ, আৰক্ষী কৰ্তৃপক্ষ

১৩ পৃষ্ঠাত চাওক

## ছাত্ৰ নেতাক প্ৰহাৰ

## উপ-আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ কাকপথাৰত



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২৪ জানুৱাৰী ঃ** যোৱা নিশা কাকপথাৰত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কাকপথাৰ আঞ্চলিক সমিতিৰ উপদেষ্টা মনোজ তালুকদাৰক তিনিচুকীয়া জিলাৰ উপ-আৰক্ষী অধীক্ষক হেমন্ত বড়োৱে প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। পৰিষদৰ নেতা তালুকদাৰৰ ভাষ্য অনুসৰি, কালি কাকপথাৰত সকলো স্থানীয় দল-সংগঠনৰ কৰ্মকৰ্তাসকলে একগোট হৈ এক প্ৰীতিভোজৰ আয়োজন কৰিছিল। সেই ভোজ শেষ কৰি তালুকদাৰে চহৰৰ মাজমজিয়াত অৱস্থিত ব্যৱসায়িক প্ৰতিষ্ঠানলৈ আহি থকাৰ সময়তে প্ৰতিষ্ঠানৰ সন্মুখত গাড়ী ৰখোৱাৰ পাছত দৰ্জাৰ বাহিৰলৈ উলিয়াই তেওঁক ছয়-সাতটা চৰ মাৰে আৰু তাৰ পাছতে উপ-আৰক্ষী অধীক্ষকজনৰ দলটো গাড়ীৰ পৰা নামি পৰিচয় দাঙি ধৰেহি। পৰৱৰ্তী সময়ত স্থানীয় কাকপথাৰ আৰক্ষী থানাৰ আৰক্ষীৰ উপস্থিতিত তালুকদাৰক এৰি গুচি যায়। ইয়াৰ পাছতে যুৱ-ছাত্ৰ পৰিষদৰ নেতাজনক নিৰ্মমভাৱে প্ৰহাৰৰ অভিযোগত কাকপথাৰৰ সমূহ দল-সংগঠনৰ কৰ্মকৰ্তা ওলাই আহি কাকপথাৰ আৰক্ষী থানা ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক সুৰজিত মৰাণৰ লগতে সমূহ দল-সংগঠনৰ সন্মুখত অতিৰিক্ত আৰক্ষী অধীক্ষক ৰিপুঞ্জয় কাকতিয়ে উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আনহাতে, আজি পুৱাই পুনৰ কাকপথাৰ আৰক্ষী থানাৰ সন্মুখত যুৱ-ছাত্ৰ পৰিষদ, আছু, মৰাণ ছাত্ৰ সন্থা, মটকৰ লগতে বিভিন্ন দল-সংগঠনৰ কৰ্মীসকল ওলাই আহি

১৩ পৃষ্ঠাত চাওক

## খুমটাইত কুড়মালি ভাষাত অসমৰ জাতীয় সংগীত উন্মোচন-গ্ৰন্থ উন্মোচনী সভা



**খুমটাই, ২৪ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ খুমটাইত যোৱা ২৩ জানুৱাৰীত অসম কুড়মালি সাহিত্য সভাৰ উদ্যোগত গোলাঘাট জিলা কুড়মালি সাহিত্য সভাৰ সহযোগত কুড়মালি ভাষাৰ প্ৰাক প্ৰাথমিক, প্ৰাৰম্ভিক শিক্ষাৰ পাঠ্যপুথি, কুড়মালি ভাষাত অনুবাদ কৰা অসমৰ জাতীয় সংগীত উন্মোচন আৰু বিশেষ সম্বৰ্ধনা সভা অনুষ্ঠান অনুষ্ঠিত হয়। অসম কুড়মালি সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি জীৱনজ্যোতি কুড়মিৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম কুড়মালি সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা কুড়মালি ভাষাৰ, 'প্ৰাক-প্ৰাথমিক আৰু প্ৰাৰম্ভিক শিক্ষাৰ পাঁচখন পাঠ্যপুথি উন্মোচন কৰে লোগাঠা জিলা সাহিত্য সভাৰ সভাপতি পৰিত্ৰ বৰবৰাই। আনহাতে, নাজিৰা চাহ মজদুৰ সংঘৰ সম্পাদক তথা শিল্পী বদ্ৰ ৰাজোৱাৰে কুড়মালি ভাষাত অনুবাদ অসমৰ জাতীয় সংগীতটি উন্মোচন কৰা হয়। কুড়মালি ভাষাত স্থানীয় শিল্পীসকলে পৰিবেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা মুকলি সভাত কুড়মালি সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতিৰ তৰফৰ পৰা সাহিত্যিক তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সঞ্জয় কুমাৰ তাঁতী, শিল্পী ভদ্ৰ ৰাজৱাৰ, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি ধীৰাজ গোৱালাক কুড়মালি ভাষাৰ অসমৰ দ্বিতীয়জন স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা আদিত্য ৰঞ্জন কুড়মি, শিল্পী অম্বিকা কুড়মিলৈ এখনকৈ সম্বৰ্ধনাপত্ৰ, জাপি, গ্ৰন্থৰ টোপোলাৰে বিশেষ সম্বৰ্ধনা জনায়।

## যুৱ-ছাত্ৰ পৰিষদৰ শাখা পৰ্যবেক্ষক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৪ জানুৱাৰী ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বৰভাগ আঞ্চলিক সমিতিয়ে কালি এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰে। ছহিদ মুকুন্দ কাকতি বিদ্যাপীঠ, ৰণাকুছিত অনুষ্ঠিত উক্ত সভাত বৰভাগ আঞ্চলিক সমিতিয়ে এখন শাখা পৰ্যৱেক্ষক সমিতি গঠন কৰে। সভাত বৰভাগ আঞ্চলিক সমিতিৰ সভাপতি চিন্ময় পৰাশৰ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থ প্ৰতিম শৰ্মা, উপদেষ্টা নিৰোদ দাস, উপ-সভাপতি তথা আঞ্চলিক সমিতিৰ উপদেষ্টা সঞ্জয় কলিতা, সাংস্কৃতিক সম্পাদক ধীৰাজ কলিতা নলবাৰী জিলা সমিতিৰ পৰ্যবেক্ষক হেমচন্দ্ৰ গোস্বামী, ব্ৰজেন চৌধুৰী আৰু কে'বাজনো সদস্য উপস্থিত থাকে।

## ডিমৌৰ ৰজাবাৰীত নৈশ যাত্ৰীবাহী বাছ দুৰ্ঘটনাগ্ৰস্ত

### দৈবক্ৰমে প্ৰাণৰক্ষা ৩০ যাত্ৰীৰ



**অগ্ৰদূত বাৰ্তা**
**ডিমৌ, ২৪ জানুৱাৰীঃ** ডিমৌৰ দিচাং ৰজাবাৰীৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি পুৱতি নিশা এখন নৈশ যাত্ৰীবাহী বাছ দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাটোত দৈব্যক্ৰমে বাছখনত থকা ৩০ জন যাত্ৰীৰ প্ৰাণৰক্ষা পৰে। প্ৰাপ্ত তথ্য অনুসৰি 'এক্সটিকা' নামৰ গুৱাহাটীৰ পৰা দুলীয়াজান অভিমুখী ০১-৭৯৪২ নম্বৰৰ নৈশ বাছখনৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাত পথৰ ওপৰতে বাগৰি পৰে বাহনখন। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে নৈশ বাছখনৰ চালক আৰু হেণ্ডিমেনজনে পলায়ন কৰে। পাছত স্থানীয় লোকে ঘটনাৰ বিষয়ে অৱগত হৈ বাছখনৰ গ্লাছ ভাঙি যাত্ৰীসকলক উদ্ধাৰ কৰে। দুৰ্ঘটনাটোত কে'বাজনো যাত্ৰী সামান্য পৰিমাণে আহত হয়। পৰৱৰ্তী সময়ত আন বাহনৰ যোগেদি যাত্ৰীসকল উজনিৰ বিভিন্ন স্থানলৈ ঘৰমুৱা হয়। বাছখনৰ এগৰাকী যাত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি ঘন কুঁৱলীৰ বাবেই বাছখনৰ চালকজনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰে। ফলত যাত্ৰীসকলৰ মাজত আতংকৰ সৃষ্টি হয়। পাছত বাছখনৰ গ্লাছ ভাঙি ওলাই আহিবলৈ সক্ষম হয় যাত্ৰীসকল।

# বৃত্তিত কোনো ধৰ্মৰ প্ৰসংগ উত্থাপিত নহয়

### ■ 'স্বাৱলম্বিতা-নৱ প্ৰজন্ম' শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠান

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৪ জানুৱাৰী ঃ** 'পেছা বা বৃত্তিত কোনো ধৰ্মৰ প্ৰসংগ নাহে। মানুহে জীয়াই থাকিবলৈ নিজৰ পছন্দৰ পেছা যিকোনো ধৰ্মৰ লোকে গ্ৰহণ কৰিব পাৰে।' অসমৰ এগৰাকী উদ্যোগী মহিলা ৰুনা ৰফিকে আন্তঃৰাষ্ট্ৰীয় এক বক্তৃতানুষ্ঠানত এইদৰে কয়। স্নেহবন্ধন, ডি এইছ এছ কানৈ মহাবিদ্যালয়, নগাঁও মহাবিদ্যালয় আৰু মৰিগাঁও মহাবিদ্যালয়ৰ উদ্যোগত কালি আবেলি অনলাইন মাধ্যমত অনুষ্ঠিত 'স্বাৱলম্বিতা আৰু নৱ প্ৰজন্ম' শীৰ্ষক বিষয়ত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি তেওঁ কয়, 'অসমত অনেক সম্পদ আছে। সেই সম্পদসমূহ এতিয়াও অসমৰ নৱ প্ৰজন্মই ব্যৱহাৰ কৰিবলৈ শিকা নাই।' তেওঁ কয় যে ব্যৱসায়ত যিহেতু কোনো ধৰ্ম নাথাকে সেয়ে তেওঁ ইছলাম ধৰ্মৰ হ'লেও বহু বাধা-বিঘিনি আঁতৰাই গাহৰি ব্যৱসায় কৰি এক নতুন অভিজ্ঞতা লাভ কৰিলে। অসমত গাহৰি পালন উদ্যোগক 'ছানৰাইজ্ ছেক্টৰ' বুলি উল্লেখ কৰি কয়, 'উদ্যোগ মৰিব পাৰে, কিন্তু উদ্যোগী কেতিয়াও নমৰে। ব্যৱসায়ত পোনে পোনে মুনাফা নহ'বও পাৰে, বিফলতাও থাকে। অসমীয়া মানুহৰ ব্যৱসায়ত সাধুতা কম, সাধুতা আৰু নৈতিকতাইহে ব্যৱসায়ক দোপত-দোপে আগুৱাই নিব পাৰে।' অসমত গাহৰি, কুকুৰা ব্যৱসায়ৰ অযুত সম্ভাৱনা আছে বুলি উল্লেখ কৰি কয় যে তেওঁ উচ্চ শিক্ষা লাভ কৰাৰ পাছতো চাকৰি ত্যাগ কৰি ব্যৱসায়ত মনোনিৱেশ কৰে। স্নেহবন্ধনৰ সভানেত্ৰী তথা লেষ্টাৰ মহাবিদ্যালয়ৰ অধ্যাপিকা মঞ্জিৰা চৌধুৰীয়ে সঞ্চালনা কৰা অনুষ্ঠানত অসমীয়া যুৱক-যুৱতীয়ে অলপ কাম কৰি বহুত কাম কৰা বুলি মন্তব্য কৰি ৰফিকে কয় যে আচলতে কঠোৰ পৰিশ্ৰম মানে কি, অসমীয়া যুৱক-যুৱতীয়ে বুজিকে নাপায়। তেওঁ কোনো 'এণ্টিবায়টিক' ব্যৱহাৰ নকৰাকৈ বিভিন্ন প্ৰকাৰৰ মুৰ্গীৰ উৎপাদন কৰাৰ কথা সদৰী কৰি কয়, 'অসমত ব্যৱসায়ৰ বাবে অনেক সুবিধা আছে আৰু সেই সুবিধা অসমৰ নৱ প্ৰজন্মই অনুভৱ কৰা প্ৰয়োজন। কানৈ মহাবিদ্যালয়ৰ অধ্যাপক

১৩ পৃষ্ঠাত চাওক

## নৱ গঠিত তামুলপুৰ জিলাত গণৰাজ্য দিৱসৰ প্ৰস্তুতিঃ উৎফুল্লিত তামুলপুৰবাসী

### ■ তামুলপুৰ জিলা ইউপিপিএলৰ উদ্যোগত নাগৰিক সভা

**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ২৪ জানুৱাৰী ঃ** তামুলপুৰ জিলাত প্ৰথমবাৰৰ বাবে উদ্‌যাপন হ'বলগীয়া গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তত উৎফুল্লিত হৈ পৰিছে তামুলপুৰবাসী ৰাইজ। গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত কালি তামুলপুৰ জিলা ইউপিপিএলৰ মুখ্য কাৰ্যালয় প্ৰাংগণত পুৱা এক নাগৰিক সভাৰ আয়োজন কৰা হয়। তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীৰ সঞ্চালনাত অনুষ্ঠিত নাগৰিক সভাত তামুলপুৰৰ ভিন্ন প্ৰান্তৰ পৰা অহা জ্যেষ্ঠ নাগৰিক তথা দল-সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। সভাত বিধায়ক জলেন দৈমাৰীয়ে আদৰণি ভাষণ প্ৰদান কৰি তামুলপুৰক জিলা হিচাপে ঘোষণা কৰাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিআৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ধন্যবাদ জনায়। বিধায়কজনে কয় যে নৱ গঠিত জিলাখন ঘোষণা হোৱাৰ পাছত তামুলপুৰবাসীয়ে গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাজহুৱা স্থানসমূহত বন্তি প্ৰজ্বলন কৰাৰ লগতে ২৬ জানুৱাৰীৰ দিনা তামুলপুৰত ক'ভিড নিমম মানি বিজয় উৎসৱ পালনৰ বাবে আহ্বান জনায়। নাগৰিক সভাত উপস্থিত থাকি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে কয় যে তামুলপুৰ জিলা ঘোষণা হোৱাৰ লগে লগে তামুলপুৰবাসীৰ বহুদিনীয়া এটি সপোনে পূৰ্ণাংগ ৰূপ পালে। তামুলপুৰ জিলা হোৱাৰ লগে লগে এই অঞ্চলৰ উন্নয়ন আৰু বৃদ্ধি পাব। তেওঁ পুনৰ কয় যে এখন জিলা হৈছে গণতান্ত্ৰিক পদ্ধতিৰ এক অংশ। জিলাখনক প্ৰশাসনীয় কাম-কাজৰ লগতে সকলো ক্ষেত্ৰতে সুপৰিকল্পিতভাৱে আগবঢ়াই লৈ যোৱাৰ লগতে তামুলপুৰ জিলাখন ৰাজ্যৰ ভিতৰতে এখন অন্যতম জিলা হিচাপে গঢ়ি তোলাৰ বাবে সকলোকে তেওঁ আহ্বান জনায়। নতুন জিলা হিচাপে আন্তগাঁথনিৰ ক্ষেত্ৰত কিছু অসুবিধা থাকিলেও মুখ্যমন্ত্ৰী ড° শৰ্মাৰ সহযোগত শীঘ্ৰেই তামুলপুৰ জিলাক পূৰ্ণপৰ্যায়ৰ জিলা হিচাপে গঢ়ি তোলা হ'ব বুলিও সদৰী কৰে বিটিআৰ প্ৰধানজনে। সমাগত গণৰাজ্য দিৱসৰ দিনটো তামুলপুৰৰ বাবে এটা ঐতিহাসিক দিন হিচাপে পৰিগণিত হ'ব বুলি বিটিআৰ প্ৰধানজনে গণৰাজ্য দিৱসৰ আগদিনা সন্ধিয়া

১৩ পৃষ্ঠাত চাওক

## জিণ্টু হাজৰিকাৰ মৃত্যুত শোক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৪ জানুৱাৰী ঃ** সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন উপদেষ্টা নাট্যকাৰ, অভিনেতা, কবি, নকছাৰী জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাপক, গোমধৰ কোঁৱৰ স্মৃতি উদ্যান সমিতিৰ মুখ্য সঞ্চালক ড° জিণ্টু হাজৰিকাৰ মৃত্যুৰ গভীৰ শোক প্ৰকাশ কৰিছে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই। এক বিবৃতিত জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈ, সাধাৰণ সম্পাদক দীপ দত্ত, আছুৰ সহকাৰী সাধাৰণ সম্পাদক জুল খাউণ্ডে কয় যে হাজৰিকাৰ মৃত্যু সমগ্ৰ জিলাখনৰ সামাজিক, সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি। হাজৰিকাৰ নশ্বৰ দেহত আছুৰ পতাকা অৰ্পণ কৰাৰ লগতে জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ১৬ খন আঞ্চলিক ছাত্ৰ সন্থাই নিজ নিজ সাংগঠনিক অঞ্চলত আছুৰ পতাকা তিনিদিনলৈ অৰ্ধনমিত কৰি তিনিদিনীয়া শোক পালন কৰিব।

## পৰ্যটনৰ দিশত বাৰেকুৰিক আগুৱাই নিয়াৰ লক্ষ্য

### ■ মটাপুং মাগুৰি বিলৰপাৰত পৰ্যটন মেলা-২০২২'ৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ২৪ জানুৱাৰী ঃ** গ্ৰাম্য পৰ্যটনৰ দিশত প্ৰচুৰ সম্ভাৱনাৰ থল থকা বাণিজ্যিক চহৰ তিনিচুকীয়াৰ দাঁতিকাষৰীয়া অঞ্চল বৃহত্তৰ বাৰেকুৰি অঞ্চলত প্ৰথমবাৰৰ কাৰণে অনুষ্ঠিত কৰা হয় 'বাৰেকুৰি পৰ্যটন মেলা-২০২২'। বিলুপ্তপ্ৰায় হলৌ বান্দৰক ঘৰচীয়া ৰূপত, বিখ্যাত মটাপুং মাগুৰি বিলৰ অগণন আলহী পক্ষী, ধনেশ পক্ষী, বাৰেকুৰি ধৰ্মীয় নামঘৰৰ লগতে বহুতো সুকীয়া মাদকতাৰে ভৰপূৰ বাৰেকুৰি অঞ্চল। অঞ্চলটোক বিশ্বত পৰিচয় কৰি দিয়াৰ লক্ষ্যৰে বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ উদ্যোগত পুৰণি মটাপুং কৰ্মবীৰ যুৱ সংঘ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ পুৰণি মটাপুং শাখা সমিতি, সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শিলিখা-বেবেজীয়া প্ৰাথমিক গোট আৰু বাৰেকুৰিবাসী ৰাইজৰ সহযোগত যোৱা ২০ৰ পৰা ২৩ জানুৱাৰীলৈ প্ৰথম বাৰ্ষিক 'বাৰেকুৰি পৰ্যটন মেলা-২০২২' শ্ৰীশ্ৰী অষ্টভুজ সমন্বয় ক্ষেত্ৰ মটাপুং মাগুৰি বিলৰ পাৰত অনুষ্ঠিত কৰে। ক'ভিডকালীন পৰিস্থিতিৰ বাবে প্ৰশাসনে সকলো কাৰ্যসূচী বাতিল কৰিবলৈ নিৰ্দেশ দিছিল যদিও ৰাইজৰ স্বতঃস্ফূৰ্ত সঁহাৰিয়ে উদ্যোক্তাসকলক মেলা অনুষ্ঠিত কৰিবলৈ বাধ্য কৰে। প্ৰথম দিনটোৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰাৰ লগতে কে'বাগৰাকীও জনপ্ৰিয় কণ্ঠশিল্পীৰ সংগীতানুষ্ঠান আৰু সাংস্কৃতিক দলৰ অনুষ্ঠান প্ৰদৰ্শন কৰে। শেষৰ দিনটোত কালি এখন মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত আঁত ধৰে বাৰেকুৰি আঞ্চলিক যুৱক সংঘৰ সম্পাদক মানৱ চুতীয়াই। সভাপতিত্ব কৰে সংঘৰ সভাপতি দিব্য বৰগোহাঁয়ে। বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ সম্পাদক মানৱ চুতীয়াই উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাত আদৰণি ভাষণ দিয়ে বাৰেকুৰি পৰ্যটন মেলা পৰিচালনা সমিতিৰ সম্পাদক নিকুঞ্জ চুতীয়াই। মুকলি সভাত আমন্ত্ৰিত, বিশিষ্ট ব্যক্তিৰূপে টেঙা গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ড° নীলিম কলিতাই জনগণৰ পাৰভঙা উছাহ দেখি অভিভূত হোৱা বুলি উল্লেখ কৰি কাৰ্বি আংলঙৰ তাৰালাংছ'ত

১৩ পৃষ্ঠাত চাওক



মাজুলীত ফেৰীযাত্ৰীৰ প্ৰতিষেধক পত্ৰ পৰীক্ষা, সোমবাৰে।

# নিৰপৰাধীক গুলীয়াবলৈ অনুমতি দিয়া নহয়

## ■ কোকৰাঝাৰত এবছুৰ প্ৰাক্তন নেতা মনেশ্বৰৰ ৰাজকীয় বিবাহত মুখ্যমন্ত্ৰী

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৪ জানুৱাৰী ঃ** এখন বিবাহক কেন্দ্ৰ কৰি আজি কোকৰাঝাৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। যিখন বিয়াত অভ্যাগতৰ আসন শুৱনি কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হেলিকপ্টাৰযোগে উপস্থিত হ'লহি কোকৰাঝাৰত। মুখ্যমন্ত্ৰীৰ লগতে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, বিধায়ক লৰেঞ্চ ইছলাৰীকে ধৰি আন কে'বাজনো বিধায়ক, বিটিচিৰ কাৰ্যবাহী সদস্য, নিৰ্বাচিত সদস্যও বিবাহথলীত উপস্থিত থাকে। তদুপৰি সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই দৰাক আশীৰ্বাদ দিবলৈ কালিয়ে বিবাহস্থলীত উপস্থিত হৈছিল।

উল্লেখ্য যে এবছুৰ প্ৰাক্তন নেতা মনেশ্বৰ দৈমাৰীৰ বিবাহক কেন্দ্ৰ কৰি আগতেই যথেষ্ট আকৰ্ষণ সৃষ্টি হৈছিল। স্বয়ং মুখ্যমন্ত্ৰীৰ পৃষ্ঠপোষকতাতে এই বিবাহৰ মহা আয়োজন কৰা হয়। কোকৰাঝাৰৰ খাৰগাঁৱত অনুষ্ঠিত হোৱা মনেশ্বৰৰ বিবাহখনে আজি বহুতৰে দৃষ্টি আকৰ্ষণ কৰে। কিয়নো এবছুৰ অক্লান্ত কৰ্মী মনেশ্বৰ দেখাত সৰু ল'ৰা যেন লাগিলেও তেওঁ এজন সাহসী, দৃঢ় মনৰ, আত্মবিশ্বাসী নেতা। বহু ঘাত-প্ৰতিঘাতেৰে জীৱন অতিবাহিত কৰা মনেশ্বৰ সম্প্ৰতি কোকৰাঝাৰৰ খাৰগাঁৱৰ বাসিন্দা। দেখাত কণমানি মনেশ্বৰৰ বিয়াক লৈ আজি কোকৰাঝাৰত ৰজাঘৰীয়া-প্ৰজাঘৰীয়াৰ মাজত ব্যাপক ব্যস্ততা গ'ল। সম্পূৰ্ণ বাথৌ ধৰ্মীয় ৰীতি-নীতিৰে দৰা মনেশ্বৰে আজি কইনা চম্পা বড়োৰ স'তে যুগ্ম জীৱনৰ পাতনি মেলে। হেজাৰ হেজাৰ শুভাকাংক্ষীয়ে আজি বিবাহথলীত উপস্থিত থাকি বড়ো বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীধাৰী চম্পা আৰু এবছুৰ প্ৰাক্তন নেতা মনেশ্বৰৰ যুগ্ম জীৱন সুখৰ হ'বলৈ শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দৰা-কইনাক অন্তৰ উজাৰি আশীৰ্বাদ দি যুগ্ম জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। খাদ্যৰ মান অতি উত্তম হোৱা বুলিও মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। আনহাতে, অসম বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে দৰা মনেশ্বৰ তেওঁৰ বন্ধু বুলি মন্তব্য কৰি যুগ্ম জীৱনৰ সফলতা কামনা কৰে।



উল্লেখ্য যে যোৱা নিশা বিবাহস্থলীত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ভট্টাচাৰ্যই উপস্থিত হৈ নৱ-দম্পতীক আশীৰ্বাদ প্ৰদান কৰিছিল। ক'ভিডকালীন পৰিৱেশৰ মাজতে অতি জাকজমকতাৰে অনুষ্ঠিত হোৱা মনেশ্বৰ-চম্পাৰ প্ৰীতিভোজ অনুষ্ঠানত হেজাৰ হেজাৰ জনতাৰ সোঁত বয়।

**নগাঁও কাণ্ডৰ দোষীয়ে শাস্তি পাব, নিৰপৰাধীক অলিয়ে-গলিয়ে গুলীয়াবলৈ দিয়া নহয় ঃ মুখ্যমন্ত্ৰী**

ইপিনে, নগাঁও কাণ্ড সন্দৰ্ভত পুনৰ খুলিছে মুখ্যমন্ত্ৰী ড° শৰ্মাই। আজি মুখ্যমন্ত্ৰীয়ে কোকৰাঝাৰত সাংবাদিকৰ এক প্ৰশ্নোত্তৰত কয়, 'কোনোবা নিৰপৰাধী মানুহক অলিয়ে-গলিয়ে গুলীয়াবলৈ কেতিয়াও অনুমতি দিয়া নহয়। এইমুহূৰ্তত দোষী কোন সেয়া ক'বলৈ দিগদাৰ যদিও যদিহে আৰক্ষী বিষয়া দোষী সাব্যস্ত হয়, তেনেহ'লে দোষী আৰক্ষীৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব। আমাৰ সংগ্ৰাম 'অৰ্গেনাইজড্ ক্ৰাইম'ৰ বিৰুদ্ধেহে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কোনোবা নিৰপৰাধী মানুহক অলিয়ে-গলিয়ে গুলীওয়াটো কোনোপধ্যে মানি লোৱা নহ'ব।

**ইউপিপিএলৰ দৰে বিপিএফৰে মিত্ৰতা হোৱা নাই**

ৰাজ্যৰ ৰাজনৈতিক মহলত বিপিএফ-বিজেপিৰ মিত্ৰতাক লৈ ব্যাপক চৰ্চা অব্যাহত থকাৰ মাজতে আজি বিষয়টোক লৈ মুখ্যমন্ত্ৰীয়ে নিজৰ স্থিতি স্পষ্ট কৰি দিয়ে। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত কয় যে বিপিএফ-বিজেপি-ইউপিপিএল আৰু অগপই বিধানসভাৰ মজিয়াত চৰকাৰী পক্ষত বহিব। ইউপিপিএলৰ স'তে যেনেদৰে বিজেপিৰ ৰাজনৈতিক মিত্ৰতা হৈছে, বিপিএফৰ স'তে তেনেধৰণৰ কোনো ৰাজনৈতিক মিত্ৰতা বিজেপিৰে হোৱা নাই বুলিও তেওঁ কয়। এয়া মাথো বিধানসভাৰ ভিতৰৰ মিত্ৰতা বুলি মন্তব্য কৰি ৰাজ্যসভাৰ নিৰ্বাচন কেতিয়া অনুষ্ঠিত হয় সেয়া ঠিক হোৱা নাই যদিও ৰাজ্যসভাৰ নিৰ্বাচনৰ পূৰ্বে মাজুলী বিধানসভা সমষ্টিৰ নিৰ্বাচন অনুষ্ঠিত হ'লে ভাল বুলি কয় মুখ্যমন্ত্ৰীয়ে।

## ভাঙুৰী-মদাহীৰ আড্ডালৈ ৰূপান্তৰিত

*১২ পৃষ্ঠাৰ পৰা* আৰু গাঁওখনৰ প্ৰতিজন সচেতন লোকক কাতৰ অনুৰোধ জনাইছে স্থানীয় ৰাইজে। অঞ্চলটোৰ সমাজকৰ্মী তথা পূৰ্বাঞ্চল সাহিত্য সভাৰ সভাপতি নৰেশ শৰ্মাই এই সন্দৰ্ভত মন্তব্য আগবঢ়াই কয় যে কাৰোৰে প্ৰতি ব্যক্তিগত বিৰোধ নাই কিন্তু অসামাজিক কামবোৰ বন্ধ হ'ব লাগে। অঞ্চলটো সুন্দৰ হ'ব লাগে। এই ক্ষেত্ৰত জালুকবাৰী সমষ্টিৰ বিধায়ক তথা ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিহিত ব্যৱস্থা গ্ৰহণ কৰি অঞ্চলটোত এক শান্তিৰ বাতাবৰণ সৃষ্টি কৰাৰ বাবে তেওঁ আহ্বান জনাইছে। তেওঁ শুৱালকুছিৰ আৰক্ষী আৰু প্ৰশাসনৰ ভূমিকাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। জিলা প্ৰশাসনক এই ক্ষেত্ৰত কঠোৰ হৈ অঞ্চলটোৰ পূৰ্বৰ শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ দাবী জনাইছে।

## চাৰিমাহে গ্ৰেপ্তাৰ নহ'ল মহাপ্ৰৱঞ্চক

*১২ পৃষ্ঠাৰ পৰা* প্ৰতাৰক মৃদুপৱনে। সেইজন প্ৰতাৰকক আজি পৰ্যন্ত নগাঁও আৰক্ষীয়ে কৰায়ত্ত কৰিব নোৱাৰা কাৰ্য সম্প্ৰতি চৰ্চিত হৈছে। আনহাতে, নগাঁৱত ড্ৰাগছকে ধৰি অপৰাধমূলক কাৰ্যকলাপ ৰোধ কৰিবলৈ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰৰ নেতৃত্বত গঠন হোৱা এন্টিনাৰক'টিক স্কোৱাডে সন্ত্ৰাস সৃষ্টি কৰি নিৰীহ লোকক হাৰাশাস্তি কৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ছ'চিয়েল মিডিয়াত এতিয়া তীব্ৰ সমালোচনাৰ পাত্ৰ হৈ পৰা নগাঁও আৰক্ষীয়ে প্ৰথম অৱস্থাত লজ্জা নিবাৰণৰ বাবে নিৰীহ ছাত্ৰ কীৰ্তিকমল বৰাক সুৰামত্ত অৱস্থাত আছিল বুলি প্ৰচাৰ চলাইছিল যদিও এতিয়া মৌনতা অৱলম্বন কৰিছে নগাঁও আৰক্ষীয়ে। আনকি কালিৰে পৰা চেলিব্ৰেটি আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই এই ঘটনা সন্দৰ্ভত মৌনতা অৱলম্বন কৰি আহিছে। এনে পৰিস্থিতিত স্বাভাৱিকতে ঘটনাই আৰক্ষীৰ ওপৰত অধিক সন্দেহৰ দৃষ্টি নিক্ষেপ কৰিছে। ইপিনে, আনন্দ মিশ্ৰৰ কাৰ্যকালত জিলাখনত ১১ টাকৈ এনকাউন্টাৰ সংঘটিত কৰি সৃষ্টি কৰা চমকৰ পাছত শেহতীয়াকৈ ছাত্ৰ নেতাক টাৰ্গেট কৰি মহাসংকটত পৰা নগাঁও আৰক্ষী এতিয়া ৰাজহুৱা বৰ্জনৰো সন্মুখীন হ'ব লগা পৰিৱেশৰ সৃষ্টি হৈছে। আজি নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাই সংবাদ মাধ্যমৰ আগত ভৱিষ্যতে নগাঁও মহাবিদ্যালয়ৰ কোনো অনুষ্ঠানতে নগাঁও জিলা আৰক্ষী অধীক্ষকসহ কোনো আৰক্ষীকে নিমন্ত্ৰণ জনোৱা অথবা সম্বৰ্ধনা জনোৱা নহ'ব বুলি স্পষ্ট কৰে।

## নৱ গঠিত তামুলপুৰ জিলাত গণৰাজ্য

*১২ পৃষ্ঠাৰ পৰা* জিলাখনৰ প্ৰতিটো পৰিয়ালৰ পদূলিত এগছিকৈ চাকি জ্বলাবলৈ আহ্বান জনায়। বিটিআৰ প্ৰধানজনে কয়, বিগত ১৭ বছৰৰ দুৰ্নীতি-অপশাসনৰ অন্তত এতিয়া বিটিআৰ অঞ্চললৈ শান্তি আৰু প্ৰগতি উভতি আহিছে। সমগ্ৰ বিটিআৰতে পৰিৱৰ্তনৰ ঢৌ নামিছে। তাৰ জ্বলন্ত উদাহৰণ তামুলপুৰ জিলা হিচাপে ঘোষণা কৰাটো। গণৰাজ্য দিৱসৰ প্ৰাক্ক্ষণত তামুলপুৰ জিলা সদৰ অঞ্চলক ইতিমধ্যে সজাই পৰাই তোলাৰ ব্যৱস্থা কৰা হৈছে বুলিও সদৰী কৰে বিটিআৰ প্ৰধানজনে। আজিৰ নাগৰিক সভাত উপস্থিত কে'বা গৰাকী জ্যেষ্ঠ নাগৰিকে তামুলপুৰক জিলা হিচাপে ঘোষণা কৰাৰ ক্ষেত্ৰত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে ।

উল্লেখ্য যে ইতিমধ্যে অসম চৰকাৰে সীমান্ত কুমাৰ দাসক উপায়ুক্ত হিচাপে নিযুক্তি দিয়া নৱ গঠিত তামুলপুৰ জিলা সদৰস্থিত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিব মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই।

## উপ-আৰক্ষী অধীক্ষকৰ বিৰুদ্ধে উত্তাল

*১২ পৃষ্ঠাৰ পৰা* প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীৰ পৰা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোণমণি চলিহাই কয় যে তিনিচুকীয়াত আৰক্ষীৰাজ নচলাব, আইনীৰাজ চলাওক । নগাঁৱত এজন ছাত্ৰ নেতাক কোনো কাৰণ নোহোৱাকৈ গুলীয়াইছে আৰু কাকপথাৰত পুনৰ আমাৰ ল'ৰাক কোনো কাৰণ নোহোৱাকৈ মাৰধৰ কৰিছে । এনে কোনো কথা থাকিব নোৱাৰে, এনেদৰে আৰক্ষীৰ মন গ'লেই ৰাজপথত গুলীয়াব, মন গ'লেই মাৰিব। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এনে কাৰ্য সহ্য নকৰে। হেমন্ত বড়ো নামৰ আৰক্ষী বিষয়াজনে নিজৰ ভুল স্বীকাৰ নকৰা পৰ্যন্ত আমাৰ প্ৰতিবাদ অব্যাহত থাকিব বুলি তেওঁ হুংকাৰ দিয়ে। পৰৱৰ্তী সময়ত তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক দেৱজিৎ দেউৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দিনৰ ভাগত জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোণমণি চলিহা আৰু সাধাৰণ সম্পাদক কাঞ্চন বৰাৰ নেতৃত্বত কাকপথাৰৰ সমূহ দল-সংগঠনৰ নেতৃত্বৰ লগতে ভুক্তভোগী তালুকদাৰ উপস্থিত হয়। তাতে উপ-আৰক্ষী অধীক্ষক বড়োৱে সকলোৰে সন্মুখত হঠাৎ তেনেদৰে হাত উঠাব নালাগিছিল বুলি ভু ল স্বীকাৰ কৰা বুলি সদৰী কৰে সংগঠনকেইটাৰ নেতৃত্বই।

## চৰকাৰী সাহায্যৰ পৰা বঞ্চিত ৰোগাক্ৰান্ত

*১২ পৃষ্ঠাৰ পৰা* থকাৰ সময়তে প্ৰথমতে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাৰ সমান্তৰালকৈ উপাৰ্জনৰ একমাত্ৰ পথ স্বৰূপ সংগীত বিদ্যালয় দুখন ক'ভিড পৰিস্থিতি তথা তলাবন্ধৰ বাবে বন্ধ হৈ পৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। নিজৰ সঞ্চিত ধন, ধাৰ-ঋণ আদি লৈ দুৰাৰোগ্য ৰোগৰ চিকিৎসা কৰি বৰ্তমান কিছু পৰিমানে সুস্থ অনুভৱ কৰিছে যদিও সংগীত চৰ্চাৰ ক্ষেত্ৰত থমকি ৰ'ব লগা হৈছে। দুবছৰজোৰা ব্যয়বহুল চিকিৎসাৰ অন্তত ৰোগবিধৰ উপশম ঘটিছে যদিও সম্পূৰ্ণ ৰূপে আৰোগ্য হৈ সংগীতৰ চৰ্চা কৰিবলৈ বৈশ্যক এবছৰ মান জিৰণি ল'বলৈ পৰামৰ্শ প্ৰদান কৰিছে চিকিৎসকে। ৬০ বছৰ বয়স অতিক্ৰম কৰাৰ পাছতো গহপুৰৰ এইজন ভ্ৰাম্যমাণ নাট্য জগতৰ অভিনেতা তথা সংগীত শিল্পীয়ে লাভ কৰা নাই শিল্পী পেঞ্চন। শিল্পী পেঞ্চনতো দূৰৈৰ কথা এগৰাকী শিল্পীৰূপে ন্যূনতম চৰকাৰী সা-সুবিধাও লাভ কৰা নাই দুটা বছৰ ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বৰ্তমান সুস্থ পৰ্যায়লৈ গতি কৰা বৈশ্যৰ আশা-ৰোগবিধৰ পৰা সম্পূৰ্ণৰূপে আৰোগ্য হোৱাৰ পাছতে নিজৰ সংগীত বিদ্যালয় দুখন পুনৰুজ্জীৱিত কৰি জীৱন-জীৱিকাৰ পথত অগ্ৰসৰ হ'বলৈ সমৰ্থবান হ'ব।

## পৰ্যটনৰ দিশত বাৰেকুৰিক আগুৱাই

*১২ পৃষ্ঠাৰ পৰা* অনুষ্ঠিত কৰা কাৰ্বি যুৱ মহোৎসৱে কেনেকৈ দেশ-বিদেশত জনপ্ৰিয় হৈ পৰিছে সেই বিষয়ে সদৰী কৰে। তেওঁ কাৰ্বি যুৱ মহোৎসৱৰ দৰে বাৰেকুৰি পৰ্যটন মেলাও দেশ-বিদেশত জনপ্ৰিয় হৈ উঠাৰ লগতে বাৰেকুৰিৰ পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে কামনা কৰে। সভাত সাংবাদিক প্ৰণৱ ফুকনে বাৰেকুৰিত গ্ৰাম্য পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তা আৰু ইয়াত থকা সমলসমূহৰ বিষয়ে উল্লেখ কৰি এক সু-পৰিকল্পনাৰে গ্ৰাম্য পৰ্যটন গঢ় দিলে বাৰেকুৰিৰ অৰ্থনৈতিক দিশ সবল হোৱাৰ লগতে নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপনৰ বাট মুকলি হ'ব বুলি কয়। মুকলি সভাতে স্মৃতিগ্ৰন্থ 'ডিবৰু' উন্মোচন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা অসম চৰকাৰৰ অসম যুৱ আয়োগৰ উপাধ্যক্ষ অৰুণজ্যোতি মৰাণে। স্মৃতিগ্ৰন্থ উন্মোচন কৰি তেওঁ বাৰেকুৰিৰ সামগ্ৰিক বিকাশত বাৰেকুৰি আঞ্চলিক যুৱ সংঘৰ অৱদানৰ কথা উল্লেখ কৰে। লগতে তেওঁ চৰকাৰক বাৰেকুৰিৰ পৰ্যটন ক্ষেত্ৰ উন্নয়নৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনায়। সভাত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সম্পাদক মুনিন দুৱৰাই বাৰেকুৰিৰ পৰ্যটনৰ ক্ষেত্ৰত থকা অপাৰ সম্ভাৱনীয়তা আৰু বাৰেকুৰিৰ কীৰ্তিচিহ্নসমূহ আৰু মাগুৰি মটাপুং বিলৰ লগতে বাৰেকুৰিৰ হলৌৰ সংৰক্ষণৰ বাবে চৰকাৰক দাবী জনায়। সভাত সদৌ তাই আহোম ছাত্ৰ সন্থাৰ যুটীয়া সম্পাদক মিলন বুঢ়াগোহাঁয়ে সহস্ৰ লোক উপস্থিত হোৱাটোৱে বাৰেকুৰিত যে পৰ্যটনৰ সম্ভাৱনীয়তা আছে তাকে প্ৰমাণ কৰা বুলি উল্লেখ কৰে। সভাৰ মাজতে মৰাণ লগ বিহুৰ প্ৰদৰ্শনীয়ে সকলোকে আপ্লুত কৰে। মুকলি সভাত জাতি-জনগোষ্ঠীয় সংগঠনৰ বহুকেইজন ব্যক্তি উপস্থিত থাকি সভাখন সৰ্বাংগসুন্দৰ কৰি তোলাৰ লগতে নিশালৈ জনপ্ৰিয় কণ্ঠশিল্পী কুসুম কৈলাশ, দিগন্ত গোহাঁই, ৰমেন দানহ, ৰণ্টু খাতুৱাল, তুলিকা চাউৰকৰ সংগীতানুষ্ঠান অনুষ্ঠিত হয় ।

## বৃত্তিত কোনো ধৰ্মৰ প্ৰসংগ উত্থাপিত

*১২ পৃষ্ঠাৰ পৰা* ড° জ্যোতি প্ৰসাদ ফুকনে আঁতধৰা অনুষ্ঠানটিত মহিলা উদ্যোগী হাড়গিলা বাইদেউ নামে জনপ্ৰিয় পূৰ্ণিমা দেৱী বৰ্মনে কয়, 'অসমৰ নৱ প্ৰজন্মই নিজে নিজৰ বাট উলিয়াব লাগিব। ৰাষ্ট্ৰপতিৰ পৰা 'নাৰী শক্তি পুৰস্কাৰ', গ্ৰেট বৃটেইনৰ ৰাজকুমাৰীৰ পৰা 'গ্ৰীণ অস্কাৰ বঁটা'কে ধৰি দেশ-বিদেশৰ অনেক বঁটা, সন্মানেৰে সন্মানিত উদ্যোগী মহিলাগৰাকীয়ে কয়, 'কোনোবাই চামুচেৰে খুৱাই দিব বুলি ভবাটো ভুল। তেওঁ কয় যে হাড়গিলা চৰাইৰ সংৰক্ষণৰ মাজেৰে তেওঁ গৱেষণা, সমাজ একত্ৰিকৰণ, সংস্কৃতি সংৰক্ষণ, সভ্যতা, মানৱতাৰ বিকাশ, মহিলা সৱলীকৰণ কৰি দেশে-বিদেশত প্ৰকৃতিৰ সংৰক্ষণত সজাগতাৰ সৃষ্টি কৰি আহিছে। বৰ্মনে কয় যে হাড়গিলাৰ সংৰক্ষণৰ সজাগতা সৃষ্টি কৰি ১০ হেজাৰ মহিলাক একত্ৰিকৰণ কৰাৰ লগতে উৎপাদনমুখী কাম-কাজ যেনে গমোছা, কুচন ক'ভাৰ, কুৰ্টা, ৰেপাৰ, জেকেট, বিছনা চাদৰ ইত্যাদিৰ মাধ্যমত মহিলাক নিয়োজিত কৰি আত্মনিৰ্ভৰশীলতাৰ পথ দেখুৱাইছে। তেওঁ গৰ্ভৱতী অৱস্থাত মহিলাসকলৰ যি পঞ্চামৃত অনুষ্ঠান অনুষ্ঠিত কৰা হয় ঠিক তেনেদৰে হাড়গিলা চৰাইৰো পঞ্চামৃত অনুষ্ঠান অনুষ্ঠিত কৰি এক বিৰল চানেকি দাঙি ধৰিছে। ডি এই এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা স্নেহবন্ধনৰ সাধাৰণ সম্পাদক ড° শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰি কয়, 'সৰু সৰু কামৰ মাজেৰে নৱ প্ৰজন্মক কেনেকৈ আত্মনিৰ্ভৰশীল কৰিব পাৰি, নৱ প্ৰজন্মক উৎসাহিত কৰিব পাৰি, তাৰ পথ দেখুৱাবলৈকে এনেধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।' লণ্ডন নিবাসী ভৱানী কাকতিয়ে তেওঁৰ কন্যাই এগৰাকী উদ্যোগী মহিলা হিচাপে কেনেকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ পৰা সন্মান লাভ কৰিবলৈ সক্ষম হ'ল সেই বিষয়ে অৱগত কৰে। অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি তথা নগাঁও কলেজৰ অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে উদ্বোধন কৰা অনুষ্ঠানটোত স্নেহবন্ধনৰ উপদেষ্টা ড° বলেন্দ্ৰ কুমাৰ দাস, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড° যোগেন চন্দ্ৰ কলিতা, স্নেহবন্ধনৰ উপ-সভানেত্ৰী স্কটলেণ্ড গ্লাছগ' নিবাসী নিৰলা বৰুৱা, স্নেহবন্ধনৰ সহকাৰী সম্পাদক ক্ৰমে দক্ষিণ আফ্ৰিকা প্ৰিটৰীয়া নিবাসী, বিশিষ্ট বিজ্ঞানী ড° মুকুট গোহাঁই, ছুইজাৰলেণ্ড নিবাসী বিশিষ্ট চিকিৎসক, লেখক, কবি ডাঃ ডেইজী লেখাৰু, ডন বস্ক' বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বুলজিৎ বুঢ়াগোহাঁই, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ নৱজ্যোতি দাস, ৰেলৰে বিষয়া অনুপম মহন্তকে ধৰি দেশ-বিদেশৰ ভালেসংখ্যক প্ৰৱাসী অসমীয়াৰ লগতে বহুসংখ্যক সমাজ সচেতক ব্যক্তি, ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি মত বিনিময় কৰে।

## ৰঙিয়াৰ তনুজ সমাদ্দাৰক কৃতী শিশুৰ বঁটা প্ৰধানমন্ত্ৰীৰ

**অগ্ৰদূত বাৰ্তা**



**ৰঙিয়া, ২৪ জানুৱাৰী ঃ** অসমসহ দেশমাতৃৰ মুখ উজলাই তোলা ৰঙিয়াৰ সু-সন্তান তনুজ সমাদ্দাৰসহ দেশৰ ৬১টি কৃতী শিশুক আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰেৰে সন্মানীত কৰে। নিজৰ হাতৰ যাদুৰে দেশ-বিদেশৰ পৰা সন্মান বুটলি আনি বিশ্বত অসমৰ গৌৰৱ বৃদ্ধি কৰা তনুজে ২০২১ত কলা আৰু সংস্কৃতি শাখাত অসমৰ একমাত্ৰ শিশুৰূপে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু বঁটাৰ বাবে নিৰ্বাচিত হৈছিল। আজি প্ৰধানমন্ত্ৰী মোদীয়ে নতুন দিল্লীৰ পৰা ব্লক চেইন পদ্ধতিৰে বুটাম টিপি ২০২১ আৰু ২০২২ৰ মুঠ ৬১টি শিশুলৈ প্ৰমাণপত্ৰ আৰু নগদ ধন প্ৰেৰণ কৰে। কামৰূপৰ উপায়ুক্ত কৈলাশ কাৰ্তিক এনৰ প্ৰচেষ্টাত আমিনগাঁৱৰ উপায়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে এই বঁটা আৰু নগদ ধন প্ৰদান কৰা হয়। নতুন দিল্লীত অনুষ্ঠিত অনুষ্ঠানত কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী স্মৃতি ইৰাণীও উপস্থিত থাকে। প্ৰতি বছৰে দেশৰ গণৰাজ্য দিৱসত নতুন দিল্লীলৈ আমন্ত্ৰণ কৰি দেশৰ গৌৰৱ এই শিশুসকলক পুৰস্কৃত কৰা হয়। অৱশ্যে দেশত কৰ'নাৰ ক্ৰমবৰ্ধমান সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি বিগত দুবছৰে কেন্দ্ৰীয় চৰকাৰে নতুন দিল্লীত আমন্ত্ৰণ কৰাৰ পৰা বিৰত থাকে। দুবছৰৰ অন্তত অৱশেষত এইবাৰ ভিডিঅ' কনফাৰেন্সযোগে বঁটাসমূহ বিতৰণ কৰা হয়। উল্লেখ যে কৃতী শিশু তনুজে ইতিমধ্যে বিদেশৰ পৰা ৩৫ আৰু দেশৰ বিভিন্ন ঠাইৰ পৰা প্ৰায় ৭৫টা বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ বিশেষকৈ ফ্ৰান্স, আমেৰিকা, ব্ৰিটেইন, জাপান, বুলগেৰিয়া, তুৰ্কী, নেপাল, কাজাখস্তান, দক্ষিণ কোৰিয়া, ইৰানসহ বিভিন্ন দেশৰ পৰা সন্মান বুটলিবলৈ সক্ষম হৈছে। তেওঁক পিকাছো আৰ্ট ফাউণ্ডেছন গ'ল্ডেন আৰ্টিষ্ট, ভূটানে ইন্টাৰনেছনেল এম্বেছেডৰ অফ পীচ আৰু কানাডাই প্লেনেট এম্বেছেডৰ উপাধি প্ৰদান কৰে। ইয়াৰ উপৰি তেওঁক দক্ষিণ কোৰিয়াৰ আইডব্লিউপিজিয়ে লাভিং পীচ ইন্টাৰনেছনেল আৰ্ট প্ৰতিযোগিতাত বিচাৰকৰূপে নিযুক্তি দিয়াৰ উপৰি জানুৱাৰীৰ 'পাৰ্চ্ছন অৱ দ্য মান্থ'ৰূপে সন্মানিত কৰে। তেওঁক ফাইন আৰ্ট আমেৰিকা, ফাইন আৰ্ট ইউ কে আৰু পেইন্টাৰ্ছ অন লাইন ইন্টাৰনেছনেল ফাউণ্ডেছনে সান্মানিক সদস্যৰ লগতে ক্লীপাৰ্ছ চাইল্ড কাউন্সিল অৱ ইণ্ডিয়াই ব'ৰ্ড সদস্যৰূপে মনোনীত কৰে। ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ তনুজৰ এই বিৰল প্ৰতিভা তথা সাফল্যত ৰঙিয়াৰ বিভিন্ন দল-সংগঠন আৰু ব্যক্তিবিশেষে অভিনন্দন জ্ঞাপন কৰে।

## মুছলপুৰত যুৱকৰ আত্মহত্যা, চিঠি ছপা কৰিও পতা নহ'ল বিবাহ

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৪ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ মুছলপুৰ সদৰ থানাৰ অন্তৰ্গত বুনবাৰী গাঁৱত বিবাহ পাত্ৰ এজন যুৱকৰ আত্মহত্যাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, বুনবাৰী গাঁৱৰ তিলক দাস নামৰ যুৱকজনে আজি পুৱা প্ৰায় পাঁচ বজাত ছাগলী এৰাল দিবলৈ ওলাই গৈ বহু সময় ধৰি উভতি নহাত ঘৰৰ মানুহৰ সন্দেহ হয়। পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ কৰি ঘৰৰ ওচৰৰ বাৰীত চিপজৰী লৈ থকা অৱস্থাত যুৱকজনৰ মৃতদেহ প্ৰত্যক্ষ কৰে। যুৱকজনৰ বিয়ালৈ মাত্ৰ ১০ দিন বাকী থকা অৱস্থাত যুৱকজনে কিয় আত্মহত্যা কৰিলে তাৰ প্ৰকৃত ৰহস্য বৰ্তমানলৈ উদ্ধাৰ হোৱা নাই। অতি কৰ্ম উদ্যমী নিৰ্জু স্বভাৱৰ যুৱকজনৰ মৃত্যুৰ পাছতে পৰিয়ালবৰ্গৰ লগতে চুবুৰীয়া লোক কান্দোনত ভাঙি পৰে। ইপিনে, যুৱকজনৰ নিকটৱৰ্তী গাঁৱৰ কইনা গৃহতো এক কৰুণ পৰিৱেশে বিৰাজ কৰে। ঘটনাৰ কেইঘণ্টামান পাছত ঘটনাস্থলীত মুছলপুৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে কি কাৰণত যুৱকজনে আত্মহত্যা কৰিলে তাৰ ৰহস্য বিচাৰি তদন্ত আৰম্ভ কৰিছে।

## বেংতলত পথ দুৰ্ঘটনাত নিহত এক

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৪ জানুৱাৰী ঃ** চিৰাঙৰ বেংতল আউজাৰত আজি দুপৰীয়া ১২ বজাত এ এছ-১৯ জিৰো-৬১৫৪ নম্বৰৰ বাহনেৰে বেংতল মহাবিদ্যালয়ৰ কৰ্মচাৰী বিপুল নাৰ্জাৰীয়ে পথচাৰীক মহটিয়াই নিয়াত এজনৰ মৃত্যু হোৱাৰ লগতে আন চাৰিজন আহত হয়। ঘটনাস্থলীতে নেহাৰী নাৰ্জাৰী (৫৪) নামৰ এগৰাকী মহিলা নিহত হোৱাৰ লগতে একে গাঁৱৰ নেমশ্ৰী নাৰ্জাৰী (৫০), গৌমশ্ৰাং নাৰ্জাৰী (সাত), মেৰিয়ণ নাৰ্জাৰী (৩০) আৰু বিবুংছাৰ বৰগয়াৰী (তিনি) আহত হয়। পাছত আহতসকলক কাজলগাঁৱৰ জেএছবি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ইপিনে, দুৰ্ঘটনা সংঘটিত কৰি পলায়ন কৰা বিপুলে খন্তেক পাছত বেংতল আৰক্ষী চকীত বাহনসহ উপস্থিত হয়।

## যোগ্যতা নিৰূপক অসমীয়া

*এক পৃষ্ঠাৰ পৰা* চৰকাৰক বাতিল কৰিবলৈ দাবী জনোৱাৰ সমান্তৰালভাৱে অধিবক্তা সিদ্ধাৰ্থ শৰ্মাই ২০ ডিচেম্বৰত কেবিনেট সিদ্ধান্তক প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। ৮৯/২০২১ নম্বৰৰ এই লেখ আবেদনৰ শুনানি আজি মুখ্য ন্যায়াধীশ সুধাংশু ঢুলীয়াৰ খণ্ড বিচাৰপীঠে গ্ৰহণ কৰি উল্লিখিত ৰায় প্ৰদান কৰে। অৱশ্যে আয়োগে যোগ্যতা নিৰূপক বাধ্যতামূলক ভাষা প্ৰশ্নকাকত অবিহনে মূল পৰীক্ষা অনুষ্ঠিত কৰিব পাৰিলেও নিযুক্তি প্ৰক্ৰিয়া ন্যায়ালয়ৰ অনুমতি অবিহনে সম্পূৰ্ণ কৰিব নোৱাৰিব বুলি নিৰ্দেশ জাৰি কৰিছে। আবেদনকাৰীৰ হৈ আজি জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে যুক্তি দাঙি ধৰে আৰু ৰাজ্য চৰকাৰেও এই লেখ আবেদনক প্ৰত্যাহ্বান জনাই এখন প্ৰতিবেদন দাখিল কৰিব বুলি ন্যায়ালয়ক অৱগত কৰে।

## অষ্টম শ্ৰেণী পৰ্যন্ত ৰাজ্যৰ সকলো

*এক পৃষ্ঠাৰ পৰা* কৰিব লাগিব। আজি অসম চৰকাৰে জাৰি কৰা নতুন নিৰ্দেশাৱলীত এই নিয়ম বান্ধি দিয়া হয়। ক'ভিড পৰিস্থিতি অধিক জটিল হৈ পৰাত আজি জাৰি কৰা এই নতুন নিৰ্দেশাৱলী অনুসৰি সকলো জিলাতে নৰম আৰু তাৰ ওপৰৰ শ্ৰেণীত বিকল্প দিনত পাঠদান শ্ৰেণীকোঠাত অব্যাহত থাকিব। তদুপৰি আগন্তুক গণৰাজ্য দিৱস উদ্‌যাপনত ৰাষ্ট্ৰীয় পতাকা উত্তোলন, সন্মানীয় অতিথিৰ ভাষণ আৰু আনুষ্ঠানিক পেৰেডতে কাৰ্যসূচী সীমাবদ্ধ ৰাখিব লাগিব। সাংস্কৃতিক কাৰ্যসূচী, বঁটা প্ৰদান আদি এৰাই চলিব লাগিব। তদুপৰি এই কাৰ্যসূচীত প্ৰতীকপট প্ৰদৰ্শন কৰিব নোৱাৰিব। মহানগৰ জিলাত গণৰাজ্য দিৱস উদ্‌যাপনত অধিকতম এহেজাৰজন, জিলা পৰ্যায়ৰ অনুষ্ঠানত পাঁচশজন আৰু অন্যান্য পৰ্যায়ত দুশজন সমৱেত হ'ব পাৰিব। গণৰাজ্য দিৱসৰ প্ৰাকমুহূৰ্তৰ আৰু ইয়াৰ পাছৰ উদ্‌যাপন এৰাই চলিব লাগিব। পেৰেডত কেৱল প্ৰশিক্ষিত আৰু সম্পূৰ্ণ প্ৰতিষেধকপ্ৰাপ্ত আৰক্ষী, নিৰাপত্তাৰক্ষী আৰু গৃহৰক্ষীয়ে অংশগ্ৰহণ কৰিব পাৰিব। কোনো স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুমতি দিব নোৱাৰিব। নৈশ সান্ধ্য আইন নিশা ১০ৰ পৰা পুৱা ছবজালৈ বাহাল থাকিব।

## ১৫৬ পৃষ্ঠাৰ অভিযোগনামাত ৰৌনক-পত্নীসহ

*এক পৃষ্ঠাৰ পৰা* ডিআইজি ৰৌণক আলী হাজৰিকাৰ গোচৰৰ আজি চূড়ান্ত অভিযোগনামা আদালতত দাখিল কৰে তদন্তকাৰী বিষয়া তথা উপ-আৰক্ষী অধীক্ষক হিতেশ ঠাকুৰীয়াই। ১০৯ দিনত ০৬/২০২১ নম্বৰৰ এই গোচৰৰ তদন্ত সম্পূৰ্ণ কৰি হাজৰিকা, তেওঁৰ পত্নী নুচৰত ৰৌণক হাজৰিকা আৰু সহযোগী ফৰিদ আলীক অভিযুক্ত কৰি ১৫৬ পৃষ্ঠাজোৰা চূড়ান্ত পৰিপূৰক অভিযোগনামা দাখিল কৰিছে তদন্তকাৰী বিষয়াই। উল্লেখ্য যে চূড়ান্ত অভিযোগনামাখনত নিলম্বিত ডিআইজিজনক ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি), দুৰ্নীতি প্ৰতিৰোধ আইনৰ আৰ ডব্লিউ চেকচন ১৩(১) (বি)/১৩ (২) আৰু অ'এছএ আইনৰ আৰ ডব্লিউ চেকচন ৩ (চি)/(১)/৫ ধাৰাত অভিযুক্ত কৰা হৈছে। একেদৰে তেওঁৰ সহযোগী ফৰিদৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি), দুৰ্নীতি প্ৰতিৰোধ আইনৰ ধাৰা ১৩ (২) আৰু পত্নী নুচৰতক ভাৰতীয় দণ্ড বিধিৰ ১২০ (বি), দুৰ্নীতি প্ৰতিৰোধ আইনৰ ১২/১৩ (২) ধাৰাত অভিযুক্ত কৰা হৈছে। মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষৰ অধীক্ষক ৰজী কলিতাই সদৰী কৰা অনুসৰি তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত ধৃত বিষয়াজনৰ আয়তকৈ ১৮২.১৯ শতাংশ অধিক সম্পত্তিৰ তথ্য পোহৰলৈ আহিছে।

## অসম-মেঘালয় সীমান্তত ক্ষোভৰ জুই

*একপৃষ্ঠাৰ পৰা* মাজে মাজে পথৰ অৱস্থা বেয়া যদিও বাখালাপাৰা গাঁৱৰ সন্মুখ পৰ্যন্ত পকী পথেৰে সংযুক্ত। পথৰ অৱস্থা অনুসৰি মটৰ চাইকেলেৰে গ'লে দুইৰ পৰা আঢ়ৈ ঘণ্টাৰ দূৰত্ব। গতিকে স্বাভাৱিকতে প্ৰশ্ন হয়, অসমৰ অন্যান্য ঠাইৰ তুলনাত ৰাজধানী দিছপুৰৰ পৰা দুই-আঢ়ৈ ঘণ্টীয়া দূৰত্বত অৱস্থিত বাখালাপাৰা প্ৰকৃততেই ইমান দুৰ্গম নে? ৰাজধানী মহানগৰীৰ পৰা মাথোঁ দুই-আঢ়ৈ ঘণ্টাত গৈ পোৱা বাখালাপাৰাত চুবুৰীয়া মেঘালয়ৰ লগত অন্তৰ্ভুক্ত কৰাৰ পদক্ষেপ সঁচাই সমৰ্থনযোগ্য নে?

বাখালাপাৰা গাঁও গাঁওবুঢ়া দ্বীপাংকৰ ৰাভাই 'দৈনিক অগ্ৰদূত'ৰ আগত কয় যে বৃহত্তৰ বাখালাপাৰা অঞ্চলটোক অসমৰ বুলি দাবী কৰিব পৰাকৈ সকলো চৰকাৰী তথ্যপাতি, ঐতিহাসিক দলিল আৰু অনুষ্ঠান-প্ৰতিষ্ঠান আছে যদিও কোনো দুষ্টচক্ৰই ষড়যন্ত্ৰমূলকভাৱে চৰকাৰক ভুল ব্যাখ্যা কৰি মেঘালয়ত অন্তৰ্ভুক্ত কৰাৰ অপচেষ্টা কৰিছে। উল্লেখ্য যে বাখালাপাৰা বাটাবাৰী প্ৰাথমিক বিদ্যালয়খন ১৯০৯ত, বাখালাপাৰা বাটাবাৰী মাধ্যমিক বিদ্যালয়খন ১৯৭৫ত আৰু ৮০ৰ দশকতে বাখালাপাৰা সামূহিক স্বাস্থ্য কেন্দ্ৰটো স্থাপন কৰা হৈছিল।

বাখালাপাৰাৰ চৰকাৰী গাঁওবুঢ়া ৰাভাই কয়, 'অসম-মেঘালয় সৃষ্টিৰ আগতেই ১৯০৯ত ব্ৰিটিছে আমাৰ গাঁৱত বিদ্যালয় স্থাপন কৰি থৈ গ'ল। ১৯৪৭ত ভাৰত স্বাধীন হোৱাৰ দিন ধৰি আজি পৰ্যন্ত অসমীয়া ভাষাতে আদিপাঠ শিকিলো। ক, খ, গ, ঘ শিকিলো। কে'বাটাও প্ৰজন্ম গ'ল, আহিল। উপহাৰ হিচাপে আমি কি পালো? আজি আমি হেনো অসমীয়া নহয়, আমাক মেঘালয়ৰ লগত অন্তৰ্ভুক্ত কৰিব। ইয়াতকৈ ডাঙৰ প্ৰতাৰণা আমাক পূৰ্বৰ কোনো চৰকাৰে কৰি থৈ নগ'ল।'

তাৎপৰ্যপূৰ্ণ যে অসম চৰকাৰৰ তথ্য আৰু গণসংযোগ তথা জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ নেতৃত্বত কামৰূপ জিলাৰ উপায়ুক্ত আৰু আন আন চৰকাৰী বিষয়াৰ লগতে মেঘালয়ৰ চৰকাৰী প্ৰতিনিধি আৰু বিধায়ক যোৱা ডিচেম্বৰত বাখালাপাৰালৈ আহি সীমান্তৰ পৰিস্থিতিৰ বুজ লৈছিল। মন্ত্ৰী হাজৰিকাৰ উক্ত সীমান্ত পৰিদৰ্শনৰ কথা উল্লেখ কৰি বাখালাপাৰাৰ জ্যেষ্ঠ নাগৰিক প্ৰশান্ত ৰাভাই কয়, 'চৰকাৰী দলটোৱে আহি অসম-মেঘালয় সীমান্তৰ দুয়োপাৰৰ গাঁৱৰ স্থানীয় বাসিন্দাৰ লগত ১৫ মিনিট সময় মত-বিনিময় কৰে। তুলনামূলকভাৱে, উক্ত সভাৰ বিষয়ে কোনো পূৰ্বানুমান নথকা হেতুকে বাখালাপাৰাৰ বাসিন্দা ১০ গৰাকীৰ অধিক উপস্থিত নাছিল। ইয়াৰ বিপৰীতে মেঘালয়ৰ গাঁৱৰ বাসিন্দা শিশু-বৃদ্ধ নিৰ্বিশেষে অংশগ্ৰহণ কৰিছিল। তেনেতে চৰকাৰী দলটোৱে হঠাৎ 'আপোনালোকে অসমত থাকিব নে মেঘালয়ত থাকিব?' বুলি প্ৰশ্ন কৰে। তাৎক্ষণিকভাৱে মেঘালয়ৰ শতাধিক বাসিন্দাই হাত দাঙি দিয়ে কিন্তু আমি মাথোঁ ১০ গৰাকী ব্যক্তিয়ে হাত দাঙো। ফলস্বৰূপে আমাক এতিয়া মেঘালয়ত অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া চলাইছে। গতিকে আমি অসম চৰকাৰক প্ৰশ্ন কৰিছো, কোনোবাই হাত দাঙিলেই যদি অসম-মেঘলায়ৰ সীমা নিৰ্ধাৰণ হৈ যায়, তেন্তে চৰকাৰী দলিল, তথ্যপাতি, প্ৰশাসনিক ইতিহাস, চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ মূল্য ক'ত?'

গাঁওখনৰ বয়োজ্যেষ্ঠ নাগৰিক ৰাভাই উল্লেখ কৰা মতে, ১৯৮৫তহে চুবুৰীয়া মেঘালয় চৰকাৰে বাখালাপাৰাৰ কাষৰীয়া পাহাৰত প্ৰথমখন প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে ৰাভাই লগতে প্ৰকাশ কৰে যে চুবুৰীয়া ৰাজ্য চৰকাৰখনে ১৯৮৫ৰ পাছৰ পৰা গুমছবৰা, ৰাৰমাচাও আদি সকলো গাঁৱতে আগ্ৰাসী ৰূপত স্কুল স্থাপন কৰাৰ লগতে পঞ্চায়ত, উন্নয়ন খণ্ড, স্বাস্থ্য কেন্দ্ৰ আদিৰ লগতে আন আন উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰিবলৈ আৰম্ভ কৰে আৰু এই ধাৰা আজিও অব্যাহত আছে। বাখালাপাৰা গাঁৱৰ চৰকাৰী গাঁওবুঢ়া দ্বীপাংকৰ ৰাভাই 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, সীমান্তৰ বৃহত্তৰ বাখালাপাৰা অঞ্চলৰ জিমিৰি, জিমিৰি এন চি, বাটাবাৰী পথাৰ, বাটাবাৰী এন চি, কুণ্ডিল নগৰ, ভালখোৱা, লুংকুং, লংছাই, শালসেৰ, পাঠগাঁও, বিলপাৰা আৰু ওমছং আদি গাঁওসমূহে ব্ৰিটিছ আগমনৰ বহু বছৰ আগৰ পৰাই অসমীয়া গাঁও হিচাপেই পৰিচয় লৈ জীয়াই আছে আৰু আজি পৰ্যন্ত অসমীয়াৰ পৰিচয় অখ্যাত আছে। ৰাভাই দিয়া তথ্য অনুসৰি বৰ্তমান বাখালাপাৰাৰ মুঠ পৰিয়ালৰ সংখ্যা (ঘৰৰ হিচাপত) ১০৮, জিমিৰিত ৯৫, লুংকুঙত ৭৫ আৰু কুণ্ডিল নগৰত ৩৫। ৰাভাই কয়, 'দক্ষিণ ফুলগাঁও পঞ্চায়ত, ৰাণী উন্নয়ন খণ্ড, পলাশবাৰী ৰাজহ চক্ৰ আৰু কামৰূপ জিলা, অসম, এয়াই আমাৰ পিতৃপুৰুষৰ পৰা চলি অহা স্থায়ী ঠিকনা যিটো এতিয়া অসম চৰকাৰে মানচিত্ৰৰ পৰা মচি পেলাব বিচাৰিছে। এনে আত্মঘাতী চৰকাৰী সিদ্ধান্ত আমি কোনোদিন দেখা নাই, শুনা নাই।'

বাখালাপাৰাৰ আন এগৰাকী বয়োজ্যেষ্ঠ প্ৰায় ৯০ বছৰীয়া টুনিৰাম ৰাভাই অসম চৰকাৰৰ শেহতীয়া সিদ্ধান্তত আশ্চৰ্য প্ৰকাশ কৰি কয়, 'বাখালাপাৰা চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ দেৱালয়ত বৃহৎ আকাৰৰ লাচিত বৰফুকনৰ ছবি অংকন কৰি থোৱা আছে। এইখন স্কুলতেই আমাৰ কণ কণ ল'ৰা-ছোৱালীয়ে 'অ' মোৰ আপোনাৰ দেশ' জাতীয় সংগীত পৰিৱেশন কৰি আহিছে। দুৰ্ভাগ্যজনকভাৱে, লাচিত বৰফুকনৰ ছবি অংকন কৰি ৰখা বিদ্যালয়ৰ প্ৰাংগণতে থিয় হৈ অসম চৰকাৰৰ প্ৰতিনিধি দলে আমাক সুধিছিল—'আপোনালোকে অসমত থাকিব নে মেঘালয়ত থাকিব?' ইয়াতকৈ ডাঙৰ অপমান, প্ৰতাৰণা আৰু ভ্ৰাতৃৰ প্ৰতি থকা ইতিকিং আমি কোনোদিন পোৱা নাই। কি চৰকাৰ আহিল, আমাক কি দিন দেখুৱাইছে!'

বৃহত্তৰ বাখালাপাৰা অঞ্চলক দুভাগ কৰি অসম-মেঘালয়ত বিভক্ত কৰিলে একোটা পৰিয়াল, জ্ঞাতি-কুটুম্ব, আত্মীয়-স্বজন সকলো ভাগ ভাগ হৈ পৰিব বুলি ক্ষোভ প্ৰকাশ কৰি টুনিৰাম ৰাভাই লগতে কয় যে মেঘালয়ৰ মাথোঁ দুখন গাঁও আছে। বিপৰীতে অসমীয়া গাঁও কে'বাখনো আছে। গোটেইকেইখন গাঁৱেই ৰাজহ গাঁও বুলি উল্লেখ কৰি তেওঁ লগতে কয়, 'অসম চৰকাৰে যি সূত্ৰত বাখালাপাৰাক বিভক্ত কৰিবলৈ ওলাইছে ই বাস্তৱ ৰূপ পালে অসমীয়া বাসিন্দাৰ সমুদায় কল, তামোল, আনাৰস, সুমথিৰা, পাণৰ বাগান আৰু কচু খেতি মেঘালয়ত অন্তৰ্ভুক্ত হ'ব। আমি কেৱল মানুহখিনি জঁকা হৈ অসমত জীয়াই থাকিব লাগিব।'

জীৱনৰ অন্তিম বেলাত মেঘালয়ত অন্তৰ্ভুক্ত হৈ খাচি-গাৰো ভাষা শিকি, নতুন ৰাজ্যৰ ঠিকনা লৈ নতুন জীৱন সংগ্ৰাম কৰাৰ বেথা পৃথিৱীৰ কোনো জাতিয়ে সহিব নোৱাৰে বুলিও তেওঁ লগতে আক্ষেপেৰে কয়। উল্লেখ্য যে বৃহত্তৰ বাখালাপাৰা অঞ্চলৰ অসমীয়া গাঁৱৰ ৰাইজে মেঘালয় ৰাজ্যৰ সৃষ্টি দিন ধৰি আৰ্থিকভাৱে চুবুৰীয়া ৰাজ্যখনৰ ওপৰত নিৰ্ভৰশীল হৈ আহিছে।

বাখালাপাৰাৰ এগৰাকী মহিলা মিলিকি ৰাভাই কয় যে বৃহত্তৰ অঞ্চলটোৰ প্ৰায় ১০ শতাংশ পৰিয়ালৰ সদস্য মেঘালয় আৰক্ষী, পঞ্চায়তকে ধৰি বিভিন্ন চৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰী। তদুপৰি গাঁওখনৰ, বিশেষকৈ গৰিষ্ঠসংখ্যক মহিলাই চুবুৰীয়া ৰাজ্যখনৰ এম জি এনৰেগা আঁচনিৰ কামৰ ওপৰত নিৰ্ভৰশীল। মিলিকি ৰাভাই কয়, 'স্বাধীনোত্তৰ ভাৰতত আজি পৰ্যন্ত আমি সৰ্বতোপ্ৰকাৰৰ উন্নয়ন আৰু জনকল্যাণমূলক আঁচনিৰ পৰা অসম চৰকাৰে আমাক বঞ্চিত কৰি আহিছে। আমাৰ জীৱন-জীৱিকা সকলো মেঘালয়ৰ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল। আমি ভাবিছিলো, অসম চৰকাৰৰ আঁচনি বাখালাপাৰালৈও আহিব; কিন্তু সপোন সপোন হৈয়েই ৰল। জীৱনকালত মাতৃৰ কোলাৰ পৰা ভ্ৰাতৃক আঁতৰাই অজান দেশলৈ গতিয়াই দিয়া প্ৰথমখন চৰকাৰ দেখিলো।'

উল্লেখ্য যে সমগ্ৰ বাখালাপাৰাবাসীয়ে মাতৃভূমিৰ ঠিকনা হেৰুওৱাৰ বেদনাত ক্ষোভ প্ৰকাশ কৰি কয় যে চৰকাৰে সীমা সমস্যা সমাধান কৰিব বিচাৰিছে কৰক, বাখালাপাৰাবাসীয়েও চৰকাৰৰ এনে সদিচ্ছাক আদৰণি জনাইছে, কিন্তু উদ্দেশ্য যদি কেৱল চমক সৃষ্টি কৰা আৰু সীমান্তত সংঘাত ৰোপণ কৰা তেন্তে পৰিস্থিতি আৰু পৰিণাম ভয়ংকৰ হ'ব।

# আইচিচিয়ে নিষিদ্ধ কৰিলে জিম্বাব'ৱেৰ প্ৰাক্তন ক্ৰিকেটাৰ ব্ৰেণ্ডন টেইলৰক

## স্পট ফিক্সিঙৰ গুৰুতৰ অপৰাধ



**ডুবাই, ২৪ জানুৱাৰী ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে জিম্বাব'ৱে দলৰ প্ৰাক্তন সদস্য ব্ৰেণ্ডন টেইলৰক স্পট ফিক্সিঙৰ অপৰাধত নিষিদ্ধ ঘোষণা কৰিছে। উল্লেখ্য যে টেইলৰৰ বেংক একাউণ্টত বুকীৰ যোগেদি ১৫ হেজাৰ আমেৰিকান ডলাৰ জমা হৈছিল। সেই অপৰাধতে আজি আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে জিম্বাব'ৱে দলৰ প্ৰাক্তন সদস্যজনক নিষিদ্ধ ঘোষণা কৰে। উল্লেখ্য যে টেইলৰে ২০১৯ ত ভাৰতীয় ব্যৱসায় এজনৰ লগত ফিক্সিং বিষয় লৈ আলোচনা কৰিছিল। সেইসময়তে টেইলৰৰ বেংক একাউণ্টত বুকীৰ যোগেদি ১৫ হেজাৰ আমেৰিকান ডলাৰ জমা হৈছিল। ইতিমধ্যে আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ লোৱা টেইলৰে জিম্বাব'ৱে দলৰ হৈ ৩৪ খন টেষ্ট, ২০৫ খন এদিনীয়া আৰু ৪৫ খন টি-২০ মেচ খেলিছে।

ঝুলন গোস্বামীৰ পাছত দ্বিতীয় ভাৰতীয় মহিলা ক্ৰিকেটাৰৰূপে গৌৰৱৰ লাভ

# মান্ধানালৈ আইচিচিৰ বৰ্ষশ্ৰেষ্ঠ বঁটা

**ডুবাই, ২৪ জানুৱাৰী ঃ** ভাৰতীয় পুৰুষ ক্ৰিকেট দলে দক্ষিণ আফ্ৰিকাত ব্যৰ্থ হোৱাৰ সময়তে ভাৰতৰ মহিলা ক্ৰিকেটাৰ স্মৃতি মান্ধানাই গৌৰৱময় সন্মান লাভ কৰি দেশলৈ আনন্দ লৈ আনিছে। উল্লেখ্য যে আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ মহিলা ক্ৰিকেটাৰ বঁটা লাভ কৰিছে স্মৃতি মান্ধানাই। আজি আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে এই কথা আনুষ্ঠানিকভাবে ঘোষণা কৰে। উল্লেখ্য যে আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ মহিলা ক্ৰিকেটাৰ বঁটা লাভ কৰা মান্ধানা ভাৰতৰ দ্বিতীয়গৰাকী ক্ৰিকেটাৰ। ইয়াৰপূৰ্বে ঝুলন গোস্বামীয়ে লাভ কৰিছিল আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ মহিলা ক্ৰিকেটাৰ বঁটা। ২০০৭ বৰ্ষত ঝুলনে বৰ্ষশ্ৰেষ্ঠ মহিলা ক্ৰিকেটাৰ বঁটা লাভ কৰাৰ পাছত এইবাৰ ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ ক্ৰেকেটাৰ বঁটা লাভ কৰে মান্ধানাই। উল্লেখ্য যে ইয়াৰপূৰ্বে ভাৰতৰ স্মৃতি মান্ধানাই বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-২০ দলতো স্থান লাভ কৰিছিল। ভাৰতৰ একমাত্ৰ সদস্যা হিচাপে স্মৃতি মান্ধানাই ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-২০ দলত স্থান লাভ কৰে। আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা দলত আছে ইংলণ্ডৰ পাঁচগৰাকী মহিলা ক্ৰিকেটাৰ। ইফালে, আই চি চিৰ এদিনীয়া দলত স্থান লাভ কৰিছে ভাৰতৰ দুই মহিলা ক্ৰিকেটাৰ মিতালী ৰাজ আৰু ঝুলন গোস্বামীয়ে। উল্লেখ্য যে ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টেষ্ট দলত ভাৰতৰ তিনিগৰাকী ক্ৰিকেটাৰে স্থান লাভ কৰিছে যদিও এদিনীয়া দলত এজনো ভাৰতীয় সদস্যাই স্থান লাভ নকৰিলে। ইয়াৰপূৰ্বে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) বিগত বৰ্ষৰ টি-২০ দলটো ঘোষণা কৰিছিল। কিন্তু ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-২০ দলত নাছিল এজনো ভাৰতীয় ক্ৰিকেটাৰ। উল্লেখ্য যে যোৱাবৰ্ষত ভাৰতীয় ক্ৰিকেট দলে আই চি চি টি-২০ বিশ্বকাপৰ লগতে অন্য শৃংখলাতো আশানুৰূপ প্ৰদৰ্শন কৰা নাছিল। যাৰবাবে টীম ইণ্ডিয়াৰ এজনো ক্ৰিকেটাৰ আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা এদিনীয়া আৰু টি-২০ ৰ ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ দলত অন্তৰ্ভুক্ত নহ'ল।



## বিমুখ হ'ল ভাৰতৰ পুৰুষ ক্ৰিকেটাৰ

# ইংলণ্ডৰ অধিনায়ক জ' ৰুট টেষ্টৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ



**ডুবাই, ২৪ জানুৱাৰী ঃ** ইংলণ্ড ক্ৰিকেট দলৰ অধিনায়ক জ' ৰুটে ২০২১ বৰ্ষৰ আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ টেষ্ট ক্ৰিকেটাৰ বঁটা লাভ কৰিছে। উল্লেখ্য যে এইবাৰ শ্বাহীন আফ্ৰিদীয়ে আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ ক্ৰিকেটাৰ বঁটা লাভ কৰাৰ লগতে পাকিস্তানৰ বাবৰ আজমে বৰ্ষশ্ৰেষ্ঠ এদিনীয়া ক্ৰিকেটাৰ হোৱাৰ বিপৰীতে মহম্মদ ৰিজৱানে বৰ্ষশ্ৰেষ্ঠ টি-২০ ক্ৰিকেটাৰ নিৰ্বাচিত হয়। কিন্তু ভাৰতৰ কোনো এজন পৰুষ ক্ৰিকেটাৰে আই চি চিৰ সন্মান লাভ নকৰিলে। অৱশ্যে ভাৰতৰ তিনিগৰাকী ক্ৰিকেটাৰ ৰোহিত শৰ্মা, ৰবিচন্দ্ৰন অশ্বিন আৰু ঋষভ পণ্টে ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টেষ্ট দলত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) ইয়াৰপূৰ্বে ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ পুৰুষৰ টেষ্ট দলটো ঘোষণা কৰিছিল। দলৰ অধিনায়ক হ'ল নিউজিলেণ্ডৰ কেন উইলিয়ামছন। আনহাতে, ঘোষিত দলত আছে কৰুণাৰত্নে, লাবুচেং, জ' ৰুট, আলম, জেমিছন, হাছান আলী আৰু শ্বাহীন আফ্ৰিদী।


# আজিৰে পৰা জজ খেলপথাৰত আৰম্ভ উত্তৰ-পূব মিডিয়া ক্ৰিকেট

**গুৱাহাটী, ২৪ জানুৱাৰী ঃ** জজ ফিল্ডত মঙ্গলবাৰৰ পৰা আৰম্ভ হ'ব তৃতীয় ৰাইচমোদী নুনিছা সোঁৱৰণী উত্তৰ পূব মিডিয়া ক্ৰিকেট চেম্পিয়নছ ট্ৰফী ২০২২ । এভাৰগ্ৰীণ গ্ৰুপৰ দ্বাৰা আয়োজিত এই টুৰ্ণামেণ্টখন অন্ত পৰিব অহা চাৰি ফেব্ৰুৱাৰীত ।প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা মুঠ ১২ টা দলক চৰিটা গ্ৰুপত ভাগ কৰা হৈছে ।গ্ৰুপ 'এ'ত আছে ডি ডি কে , এন ডি ২৪, শ্বিলং প্ৰেছ ক্লাব; গ্ৰুপ 'বি' ত আছে এন কে টি ভি , নিউজ টাইম অসম , কাৰ্বি আংলং প্ৰেছ ক্লাব ; গ্ৰুপ 'চি' ত আছে প্ৰতিদিন টাইম , অসমীয়া প্ৰতিদিন , শিলচৰ প্ৰেছ ক্লাব আৰু গ্ৰুপ 'ডি 'ত আছে ডি এ নিউজ প্লাছ , প্ৰাগ নিউজ আৰু মাই নিউজ এন ই । মঙ্গলবাৰৰ প্ৰথম মেচত মাই নিউজ এন ইয়ে প্ৰাগ নিউজৰ বিৰুদ্ধে খেলিব ।দিনৰ ১১.৩০ বজাত এক চমু উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে । ইয়াৰ পাছতে ডি ডি কে আৰু শ্বিলং প্ৰেছ ক্লাবৰ মাজত দ্বিতীয়খন মেচ আৰম্ভ হব । ২৬ জানুৱাৰীত কোনো মেচ নহয় । প্ৰতিযোগিতাৰ দুই ফেব্ৰুৱাৰীত দুয়োখন ছেমি ফাইনেল আৰু চাৰি ফেব্ৰুৱাৰীতা ফাইনেল অনুষ্ঠিত হ'ব । লক্ষণীয়ভাবে এই প্ৰতিযোগিতাৰ সময়তে প্ৰীতি ক্ৰিকেট মেচো অনুষ্ঠিত হ'ব । প্ৰাক্তন ৰঞ্জি দল, জনসংযোগে মিডিয়া আৰু প্ৰাইভেট আই টি এণ্ড টেলিকম এছচিয়েচনে খেলিব মিডিয়া ছুপাৰ কিংছৰ বিৰুদ্ধে।

# অষ্ট্ৰেলিয়ান অপেনৰ পৰা বিদায় ল'লে ছিমনা হালেপে



**মেলবৰ্'ৰ্ণ, ২৪ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ পৰা বিদায় লৈছে তাৰকা ছিমনা হালেপে। আজি চতুৰ্থ ৰাউণ্ডৰ মেচত হালেপ ৬-৪, ৩-৬, ৬-৪ ৰ ব্যৱধানত পৰাস্ত হয়। ইয়াৰপূৰ্বে মহিলাৰ একক শাখাৰ তৃতীয় ৰাউণ্ডৰ মেচত প্ৰাক্তন গ্ৰেণ্ডশ্লাম বিজয়ী ছিমনা হালেপে ৬-২, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল ডানকা ক'ভিনিকক। কিন্তু আজি চতুৰ্থ ৰাউণ্ডত নিজৰ জয়যাত্ৰাৰ যৱনিকা পেলায়। উল্লেখ্য যে পূৰ্বৰ মেচত হালেপে ৬-৪, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈছিল। হালেপ, অ'ছাকা আদি তাৰকাৰ বিদায়ৰ পাছত এতিয়া খিতাপৰ দাবিদাৰ হৈ পৰিছে অষ্ট্ৰেলিয়াৰ বাৰ্টি। বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ মহিলা টেনিছ খেলুৱৈ অষ্ট্ৰেলিয়াৰ বাৰ্টি ইতিমধ্যে চলিত অষ্ট্ৰেলিয়ান অপেনৰ মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চতুৰ্থ ৰাউণ্ডৰ মেচত বাৰ্টিয়ে ৬-৪, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে আমান্দাক। উল্লেখ্য যে আমান্দাৰ হাতত পৰাস্ত হৈয়ে অষ্ট্ৰেলিয়ান অপেনৰ পৰা বিদায় লৈছিল বিগত বৰ্ষৰ মহিলাৰ চেম্পিয়ন জাপানৰ নাওমি অ'ছাকাই। আমান্দাই তৃতীয় ৰাউণ্ডৰ মেচত তিনিটা ছেটৰ অন্তত অ'ছাকাক ৪-৬, ৬-৩, ৭-৬ ৰ ব্যৱধানত পৰাস্ত কৰিছিল। উল্লেখ্য যে তৃতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে ৬-২, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে কামিলাক। ইয়াৰপূৰ্বে মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল ইটালীৰ লুছিয়াক। ঘৰুৱা সমৰ্থকৰ সন্মুখত খেলা বাৰ্টিয়ে মাত্ৰ ৫২ মিনিটতে দ্বিতীয় ৰাউণ্ডৰ মেচখনত জয়লাভ কৰে। উল্লেখ্য যে প্ৰতিযোগিতাৰ প্ৰথমদিনা মহিলাৰ একক শাখা[illegible] বাৰ্টিয়ে [illegible] ৬-১ ৰ [illegible]



# দ্বিতীয় মেচত জয়ী হৈ শৃংখলা নিশ্চিত কৰিলে আফগানিস্তানে

**ডোহা, ২৪ জানুৱাৰী ঃ** আফগানিস্তানে নেদাৰলেণ্ডছৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটোৰ দ্বিতীয়খন মেচতো জয়লাভ কৰি ২-০ ৰ অগ্ৰগতি লৈ শৃংখলা জয় নিশ্চিত কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা শৃংখলাৰ দ্বিতীয়খন মেচত আফগানিস্তানে ৪৮ ৰাণত জয়লাভ কৰে। পোনতে বেটিং কৰি গুৰবাজৰ (১০৩ৰ শতকৰে আফগানিস্তানে ছয় উইকেটত ২৩৭ ৰাণ কৰে। প্ৰত্যুত্তৰত, নেদাৰলেণ্ডছে ১৮৯ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ৰেহমানে দখল কৰে চাৰিটা উইকেট। উল্লেখ্য যে ইয়াৰপূৰ্বে আফগানিস্তানে এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত ৩৬ ৰাণত জয়লাভ কৰিছিল। উল্লেখ্য যে এই জয়ৰে আফগানিস্তানে তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লয়। ডোহাত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি আফগানিস্তানে ন উইকেটত ২২২ ৰাণ কৰে। দলৰ হৈ শ্বাহে ৭০ ৰাণ আৰু শ্বাহিদীয়ে ৭৩ ৰাণ কৰে। প্ৰত্যুত্তৰত, নেদাৰলেণ্ডছে ৪৮ অভাৰত ১৮৬ ৰাণ কৰি ইনিংছ সামৰে।

# শ্বাহিন বৰ্ষশ্ৰেষ্ঠ, বাবৰ এদিনীয়াৰ, ৰিজৱান টি-২০ ৰ শ্ৰেষ্ঠ তিনিটা বঁটা পাকিস্তানৰ ক্ৰিকেটাৰলৈ



**ডুবাই, ২৪ জানুৱাৰী ঃ** ২০২১ বৰ্ষৰ আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ ক্ৰিকেটাৰ বঁটা লাভ কৰিছে পাকিস্তানৰ পেচ বলাৰ শ্বাহীন আফ্ৰিদীয়ে। উল্লেখ্য যে আজি আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ২০২১ বৰ্ষৰ বঁটাসমুহ আনুষ্ঠানিকভাবে ঘোষণা কৰে। এইবাৰ শ্বাহীন আফ্ৰিদীয়ে আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ পুৰুষ ক্ৰিকেটাৰ বঁটা লাভ কৰাৰ লগতে পাকিস্তানৰ বাবৰ আজম আৰু মহম্মদ ৰিজৱানেও আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ বঁটা লাভ কৰে। বাবৰ আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ এদিনীয়া ক্ৰিকেটাৰ হোৱাৰ বিপৰীতে ৰিজৱান আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ টি-২০ ক্ৰিকেটাৰ নিৰ্বাচিত হয়। উল্লেখ্য যে বাবৰ আজমে আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ (২০২১ৰ এদিনীয়া দলৰ অধিনায়কৰ দায়িত্ব লাভ কৰৰ লগতে তেওঁ নিৰ্বাচিত হৈছিল ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-২০ দল অধিনায়ক হিচাপেও। উল্লেখ্য যে আই চি চিয়ে ঘোষণা কৰা ২০২১ বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ এদিনীয়া দলটোৰ অন্য সদস্যসকল হ'ল ষ্টাৰলিং, মালান, ফখৰ জামান, ডুচান, ছাকিব, মুছফিকুৰ, হাছাৰাংগা, মুস্তাফিজুৰ, চমিৰা আৰু চিমি সিং। আনহাতে, আই চি চিৰ টি-২০ ৰ বৰ্ষশ্ৰেষ্ঠ দলতো বাবৰ আজম (অধিনায়ক) ৰ লগত আছে পাকিস্তানৰ মহম্মদ ৰিজৱান আৰু শ্বাহীন আফ্ৰিদী। অন্য সদস্যসকল হ'ল-জ'ছ বাটলাৰ, মাৰ্কৰাম, মিচেল মাৰ্শ্ব, ডেভিদ মিলাৰ, ছামছি, জ'ছ হাজলউদ, হাছাৰাংগা আৰু মিস্তাফিজুৰ ৰহমান।



## দ্বিতীয় টি-২০ মেচ

# ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে এক ৰাণত জয়ী ইংলণ্ড

**ব্ৰীজটাউন, ২৪ জানুৱাৰী ঃ** ইংলণ্ডে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টি-২০ মেচত এক ৰাণত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত ১-১ ত সমতা স্থাপন কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি ইংলণ্ডে আঠ উইকেটত ১৭১ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে আঠ উইকেটত ১৭০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এচেজ শৃংখলা ৪-০ ৰ ব্যৱধানত হেৰুৱাই বিধ্বস্ত হোৱা ইংলণ্ডে ৱেষ্ট ইণ্ডিজ ভ্ৰমণৰ প্ৰথমখন টি-২০ মেচত লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈছিল। ব্ৰীজটাউনত অনুষ্ঠিত হোৱা প্ৰথমখন টি-২০ মেচত ৱেষ্ট ইণ্ডিজে ন উইকেটত ইংলণ্ডক পৰাস্ত কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ইংলণ্ডে মাত্ৰ ১০৩ ৰাণতে ইনিংছ সামৰে। ৱেষ্ট ইণ্ডিজৰ হৈ জেছন হ'ল্ডাৰে সাত ৰাণত চাৰিটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে এটা উইকেট হেৰুৱাই ১০৪ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। দলৰ হৈ কিঙে




# দক্ষিণ আফ্ৰিকাত ৰোহিত, জাডেজা, হাৰ্দিকৰ অভাৱ অনুভৱ কৰিছো ঃ দ্ৰাৱিড়

**কেপটাউন, ২৪ জানুৱাৰী ঃ** 'দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা এদিনীয়া শৃংখলাত আমি তিনিজন খেলুৱৈৰ অভাব অনুভৱ কৰিছো। অপেনাৰ ৰোহিত শৰ্মাৰ লগতে দুই অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজা আৰু হাৰ্দিক পাণ্ডিয়া। যদি এই তিনিজন ক্ৰিকেটাৰ দলত থাকিলহেতেন তেন্তে ফলাফল নিশ্চিতভাবে বিপৰীত হ'লহেতেন। ' এই মন্তব্য ভাৰতীয় দলৰ প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ৰ। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে শৃংখলা দখল কৰিছে। এই ব্যৰ্থতাৰ পাছতে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে দ্ৰাৱিড়ে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাই প্ৰথম দুখন মেচত জয়ী হৈয়ে তিনিখনীয়া এদিনীয়া শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈ শৃংখলা হস্তগত কৰিছিল। কিন্তু সন্মান ৰক্ষাৰ তৃতীয় মেচতো ভাৰত চাৰি ৰাণত পৰাস্ত হয়। ইয়াৰপূৰ্বে পাৰ্লত হোৱা শৃংখলাৰ প্ৰথম মেচখনত দক্ষিণ আফ্ৰিকাই ৩২ ৰাণত পৰাস্ত কৰিছিল ভাৰতক। আনহাতে, দ্বিতীয় মেচখনত ভাৰতক সাত উইকেটত পৰাস্ত কৰি শৃংখলা দখল নিশ্চিত কৰিছিল দক্ষিণ আফ্ৰিকাই। ইয়াৰপূৰ্বে প্ৰথম টেষ্টত জয়লাভ কৰাৰ পাছতো দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টেষ্ট শংখলাটো ২-১ ৰ ব্যৱধানত হেৰুৱাই ভাৰতীয় ক্ৰিকেট দলে। যাৰবাবে ভাৰতীয় ক্ৰিকেট দলে আই চি চিৰ শেহতীয়া টেষ্ট ৰেংকিঙত শীৰ্ষ স্থান হেৰুৱাইছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তিনিখনীয়া টেষ্ট শংখলা হেৰুওৱাৰ পাছতে টেষ্ট ৰেংকিঙত শীৰ্ষ স্থান হেৰুৱাইছে ভাৰতীয় ক্ৰিকেট দলে। বিপৰীতে এচেজ শৃংখলা ৪-০ ত দখল কৰি আই চি চিৰ টেষ্ট ৰেংকিঙৰ শীৰ্ষ স্থান অধিকাৰ কৰিছে অষ্ট্ৰেলিয়াই। ভাৰতীয় ক্ৰিকেট দলে তৃতীয় স্থানলৈ অৱনমিত হোৱাৰ বিপৰীতে দ্বিতীয় স্থানত আছে নিউজিলেণ্ড।



গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেন

# পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ডানিল

**মেলবৰ্'ৰ্ণ, ২৪ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে ৰাছিয়াৰ ডানিল মেডভেদেৱে। আজি পুৰুষৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত মেচত ডানিল জয় হয় ৬-২, ৭-৬, ৬-৭, ৭-৫ ৰ ব্যৱধানত। ইয়াৰপূৰ্বে তৃতীয় ৰাউণ্ডৰ মেচত ডানিলে মাত্ৰ ৫৫ মিনিটত ৬-৪, ৬-৪, ৬-২ ৰ ব্যৱধানত জয়লাভ কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, মেডভেদেৱে দ্বিতীয় ৰাউণ্ডৰ মেচত জয়লাভ কৰি হেলাৰঙে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। নিকৰ বিৰুদ্ধে ৭-৬, ৬-৪, ৪-৬, ৬-২ ৰ ব্যৱধানত জয়লাভ কৰে ডানিলে।



তদুপৰি প্ৰথম ৰাউণ্ডৰ মেচত ডানিলে ৬-১, ৬-৪, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল হেনৰীক। খিতাপৰ যুঁজ ডানিল আৰু নাডালৰ মাজত হোৱাৰে সম্ভাৱনা আছে। উল্লেখ্য যে নাডালে চতুৰ্থ ৰাউণ্ডৰ মেচত ৭-৬, ৬-২, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে এড্ৰিয়ানক। এতিয়া কোৱাৰ্টাৰ ফাইনেলত নাডাল মুখামুখি হ'ব ডেনিছ ছাপ'ভাল'ভৰ। উল্লেখ্য যে চতুৰ্থ ৰাউণ্ডৰ মেচত ডেনিছে ৬-৩, ৭-৬, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি আলেজান্দাৰ জেৰভক বিদায় দিয়ে। বিশ্ব টেনিছৰ তাৰকা ৰাফেল নাডালে তৃতীয় ৰাউণ্ডৰ মেচত ৬-৩, ৬-২, ৩-৬, ৬-১ ৰ ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত স্পেইনৰ তাৰকাজনে ৬-২, ৬-৩, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হানমানক। কেৰিয়াৰৰ ২১ সংখ্যক গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ জয়ৰ লক্ষ্য লৈ মেলবৰ্ণলৈ আহিছে নাডাল। বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনৰ প্ৰথমদিনাৰ খেলত [redacted] ৬-৪, ৬-২ ৰ ব্যৱধানত পৰাস্ত কৰিছিল মাৰ্কাছক।

## বিলাসনন্দন চ'ৰা



# ৰিস্কলেছ মিত্ৰতা

**কলেজত** পঢ়ি থকা দুজন যুৱক। যুৱক বুলি ক'লে ভুল হ'ব! দুয়ো সাংঘাতিক অধ্যয়নশীল, পঢ়া-শুনা কৰি বৰ ভাল পায়। বাকীবোৰে এবছৰ পঢ়িয়ে এটা ক্লাছৰ পৰা আন এটা ক্লাছলৈ গুচি যায়। এই যুৱক দুজন তেনেকুৱা নহয়। সিহঁতে বৰ বেছিকৈ খৰচি মাৰি পঢ়ি মাক-বাপেকৰ খৰচ বৃদ্ধি কৰাত মনোনিৱেশ কৰে কাৰণেই একেটা ক্লাছত তিনি-চাৰি বছৰলৈ পঢ়ে। একেটা ক্লাছত বেছিকৈ পঢ়া কাৰণেই বাকী ষ্টুডেণ্টবোৰে সিহঁত দুয়োকে খুড়া-মামা-পেহাকে ধৰি বিভিন্ন সম্বোধনেৰে মাতে। কিন্তু যুৱক দুজন দৃঢ় প্ৰতিজ্ঞ ককা মাতটো নুশুনাকৈ সিহঁতে কলেজ নেৰে। এই ক্ষেত্ৰত অনুজ্জ্বলদা সিহঁতৰ কাৰণে 'ইণ্ডিয়ান আইডল'। কেৱল এয়াই নহয়, দুয়োটাই আৰু বহু গুণৰ অধিকাৰী। ইমান বেছি গুণ আছে যে কলেজৰ বহুতে সিহঁতক গুণদা বুলিও মাতে। গুণদা বুলি মাতোতে মাতোতে সিহঁতৰ এতিয়া এটা কম'ন আইডেনটিটী হৈ গৈছে—গুণ্ডা।

ইটোৱে সিটোৰ তামাম প্ৰতিদ্বন্দ্বী আছিল। তামাম কাজিয়াও কৰিছিল। আইডেনটিটী ৰক্ষাৰ কাৰণে তামাম গুণ্ডামিও কৰিছিল। এটাই যদি ডালে ডালে, আনটাৱে পাতে পাতে। বগাবলৈ যদি ডাল বা পাত নাপায়, তেন্তে লতা হৈয়ে বগাই গৈছিল। তথাপি বগাবই! কোনোপধ্যে ইটোৱে সিটোক ময়দান খালী কৰি নিদিয়ে। এনেকৈ ফেপেৰি পাতোতে পাতোতে এদিন দুয়োটাৰে ভাগৰ লাগিল. গাৰ বলো কমি আহিল। মাজতে দুয়োটাই পজিটিভো নিগেটিভো হ'ল। পজিটিভ হৈ পাছত নিগেটিভ হোৱাৰ পাছত দুয়োটাই সিদ্ধান্ত ল'লে—নহয়, পজিটিভ হোৱাই ভাল। এটেনছন পোৱা যায়। ঘৰৰ মানুহেও মাছে-মঙহে খুৱায়। নিগেটিভ হৈ থাকিলে কোনেও



গণ্তিতে নধৰে। কিন্তু পজিটিভ হৈ থাকিলে চিধাই কাউণ্টিঙো হৈ যায়।

এনে বহু কথা ভাবি-গুণি দুই গুণ্দাই মিত্ৰতা কৰাৰ সিদ্ধান্ত ল'লে। মিত্ৰতা কৰিবলৈ দুয়োটাই টেবুলত বহিল সঁচা, কিন্তু ঠিক কৰিব পৰা নাই কি ধৰণৰ মিত্ৰতা বা বন্ধুত্ব কৰিব! ইটোৱে সিটোক সুধিলে—'কি কৰা যায়?'

ঃ ময়ো তাকেই সুধিব খুজিছো— কি কৰা যায়?

ঃ মই কিন্তু হাত মিলাবলৈ ৰেডি!

ঃ হাতত ময়ো ছেনিটাইজাৰ লগাই আহিছো।

ঃ মিলাই দিওঁ নেকি?

ঃ মিলাই দিব পাৰি। কিন্তু...

ঃ কিন্তু কি?

ঃ বাকীবোৰে যদি সোধে যে আমাৰ কি ধৰণৰ বন্ধুত্ব হ'ল, কি বুলি ক'বা?

ঃ আসন বুজাবুজিৰ মিত্ৰতা হোৱা বুলি কম! কেনে হ'ব।

ঃ নহ'ব নহয়।

ঃ কিয়?

ঃ কলেজত বহিবলৈ দেখোন আমাৰ আসনেই নাই! আমাক ক্লাছত দেখিলেই ছাৰবোৰে খাড়া কৰাই থৈ দিয়ে। আমাৰ আৰু ক'ত আসন বুজাবুজি হ'ব!

ঃ তেনেহ'লে এটা কাম কৰো দিয়া।

ঃ কি?

ঃ হাতী হওঁ।

ঃ মানে?

ঃ মানে হাতীয়ে যেনেকৈ নিজৰ গাৰ বলৰ কথা পাহৰি গৈ আনৰ ওচৰত বন্ধুত্বৰ খাতিৰত নিজকে সপি দিছে, ঠিক তেনে বন্ধুত্ব আমিও কৰিব পাৰো।

ঃ মই তেনে বন্ধুত্ব নকৰো দেই!

ঃ কিয়?

ঃ দেখা নাই—ট্ৰেংকুলাইজাৰ মাৰি হাতীটোক কেনেকৈ অচল কৰি থৈ দিছে!

ঃ তুলতুলদাইঁত দেখোন চলিয়ে আছে!

ঃ এটা ডিপাৰ্টমেণ্টতহে চলি আছে। বাকী ডিপাৰ্টমেণ্টৰ এন্ট্ৰীকে মাৰিব নোৱৰা কৰি থৈ দিছে।

ঃ কি ডিপাৰ্টমেণ্টত চলি আছে।

ঃ হয়ভৰ ডিপাৰ্টমেণ্ট! বন্ধুৰ ভুলে-শুদ্ধই সৱ কথাতে হয়ভৰ দিয়াই কাম! মই তেনে বন্ধু হ'ব নোৱাৰো দেই!

অৱশেষত দুই বন্ধুৱে থিৰাং কৰিলে—সেইবোৰ সৱ বাদ! হাংগামা দাদাই যি ধৰণৰ বন্ধুত্ব কৰে, ইহঁত দুয়োটায়ো সেই ধৰণৰ বন্ধুত্বই কৰিব। এনে বন্ধুত্বত কোনো ধৰণৰ ৰিস্ক নাই। নিজৰ সুবিধা মতে বন্ধু হ'লে হ'ল, খামখেয়ালি হ'লে শত্ৰু হ'লে হ'ল, পাছত ছেগ বুজি আকৌ বন্ধু হ'লে হ'ল। সিহঁতৰ মতে, এই মিত্ৰতা যিমান ৰিস্কলেছ, সিমানে ছেমলেছো!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*


# অ'মিক্ৰনৰ গোষ্ঠী সংক্ৰমণৰ মাজতে স্বস্তিৰ বাৰ্তা

## দেশৰ ক'ভিডগ্ৰাফ নিম্নমুখী হোৱা বুলি জনালে কেন্দ্ৰই

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ জানুৱাৰী ঃ** কৰ'না ভাইৰাছৰ নতুন প্ৰজাতি অ'মিক্ৰনে ইতিমধ্যেই দেশত গোষ্ঠী সংক্ৰমণ আৰম্ভ কৰিছে। ইয়াৰ মাজতে সামান্য স্বস্তিৰ বতৰা শুনালে কেন্দ্ৰই। সপ্তাহৰ প্ৰথম দিনটোত সামান্য নিম্নমুখী হৈছে দেশৰ ক'ভিড-১৯ৰ ৰেখাচিত্ৰ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে জনাইছে যে বিগত ২৪ ঘণ্টাত নতুনকৈ কৰ'না ভাইৰাছত আক্ৰান্ত হৈছে তিনি লাখ ছহেজাৰ ৬৪জন। মৃত্যু হৈছে ৪৩৯জনৰ। ইয়াৰ বিপৰীতে কৰ'নাৰ কবলৰ পৰা মুক্ত হৈছে দুই লাখ ৪৩ হেজাৰ ৪৯৫জন। সুস্থতাৰ হাৰ ৯৩ শতাংশৰ সামান্য বেছি। এই মুহূৰ্তত দেশত সক্ৰিয় ক'ভিড ৰোগী আছে ২২ লাখ ৪৯ হেজাৰ ৩৩৫জন।

স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যাত দেখা গৈছে যে দেওবাৰৰ তুলনাত দৈনিক সংক্ৰমণ কমিছে ২৭ লাখ ৪৬৯জন। সংক্ৰমণৰ হাৰ ২০.৭৫ শতাংশ, যাৰ ঊৰ্ধ্বমুখী হাৰ অব্যাহত। বিগত ২৪ ঘণ্টাত ১৪ লাখ ৭৪ হেজাৰ ৭৫৩টা নমুনা পৰীক্ষা কৰা হৈছে। যাৰ ভিতৰত পজিটিভৰ হাৰ ২০ শতাংশৰ বেছি।

ইপিনে, বিশেষজ্ঞসকলে দাবী কৰিছে যে শেহতীয়াকৈ মূৰ দাঙি উঠিছে অ'মিক্ৰনৰ উপ-প্ৰজাতি 'বিএ.২১' যিটো আৰটি-পিচিআৰ পৰীক্ষাতো ধৰা পৰা নাই। ফলত বিপদ বাঢ়িছে। ডেনমাৰ্কত প্ৰথমবাৰলৈ এই উপ-প্ৰজাতিটোৰ সন্ধান পোৱা গৈছে। এইবাৰ ইংলণ্ড, ভাৰতসহ কে'বাখনো দেশত এই উপ-প্ৰজাতিৰ জৰিয়তেই সংক্ৰমণ বৃদ্ধি পোৱা বুলিও বিশেষজ্ঞই দাবী কৰিছে।



দেওবাৰে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে সতৰ্ক কৰি দিছিল যে অ'মিক্ৰন গোষ্ঠী সংক্ৰমণৰ পৰ্যায়ত উপনীত হৈছে। স্বাস্থ্য মন্ত্ৰণালয়ৰ বিশেষজ্ঞ কমিটীয়ে জনাইছে যে যিহেতু অ'মিক্ৰনে গোষ্ঠী সংক্ৰমণৰ ৰূপ ধাৰণ কৰিছে, সেয়ে এতিয়া আৰু বিদেশৰ পৰা অহা যাত্ৰীসকলৰ পৰা এই নতুন প্ৰজাতি সংক্ৰমিত হোৱাৰ আশংকা অমূলক। কমিটীয়ে লগতে জনাইছে যে মাস্ক পিন্ধা, ভিৰ পৰিহাৰ, ছেনিটাইজাৰ ব্যৱহাৰৰ দৰে কৰ'নাৰ বিধি-নিষেধসমূহ আৰু টিকাকৰণেই সাম্প্ৰতিক পৰিস্থিতিত ক'ভিডৰ স'তে যুদ্ধৰ সময়ত একমাত্ৰ ঢাল হ'ব পাৰে।

ইতিমধ্যেই দেশৰ ১৬৫ কোটিৰ অধিক লোকৰ টিকাকৰণ সম্পন্ন হৈছে। ১৫ৰ পৰা ১৮ বছৰৰ ভিতৰৰ কিশোৰ-কিশোৰীৰ টিকাকৰণৰ কামো অব্যাহত আছে। কো-ম'ৰ্বিডিটী যুক্ত প্ৰবীণ লোকসকলক বুষ্টাৰ ড'জ দিয়াৰ প্ৰক্ৰিয়াও অব্যাহত আছে। ইয়াৰ জোৰতে দেশখন ক'ভিড যুদ্ধ আগবাঢ়ি যোৱা বুলি আশা কৰিছে স্বাস্থ্য বিশেষজ্ঞসকলে।




*সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা প্ৰদান অনুষ্ঠাত নৃত্য প্ৰদৰ্শন, সোমবাৰে।*

## অৰুণাচলত এনএছচিএনৰ যোগাযোগকাৰীক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ২৪ জানুৱাৰী ঃ** অৰুণাচল প্ৰদেশৰ নামপং থানাৰ অন্তৰ্গত এক অটব্য অৰণ্যত অভিযান চলাই এনএছচিএন(কে ৱাই এ)ৰ এজন দুৰ্ধৰ্ষ সদস্যক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ২২ আৰু ২৩ জানুৱাৰীত চলোৱা অভিযানত নিশা সন্দেহযুক্ত এজন লোক ঘূৰিফুৰা দেখি ১৭১ নম্বৰ চিআৰপিএফ আৰু ১৯ আছাম ৰাইফলছ তথা নামপং থানাৰ আৰক্ষীয়ে সোধ-পোছ কৰি নামপং থানালৈ আনে। পাছত আৰক্ষী এনএছচিএন(কেৱাইএ)ৰ এছএছচেপকাম লুংপি বুলি নিশ্চিত হয়।

# কৰ্কট আক্ৰান্ত মহিলাৰ জিভাত লাগিল উৰুৰ পেশী



## সুস্থ হোৱাৰ পাছতো ভুগিছে আশ্চৰ্যকৰ সমস্যাত

**নিউজ ব্যুৰ'**
**ক'ল'ৰাডো, ২৪ জানুৱাৰী ঃ** আমেৰিকাৰ এগৰাকী মহিলাৰ জিভাত প্ৰায় এবছৰৰ পূৰ্বে বগা দাগে দেখা দিছিল। পৰৱৰ্তী সময়ত চিকিৎসকে জনায় যে তেওঁৰ জিভাত কৰ্কটে চতুৰ্থ পৰ্যায়ত উপনীত হৈছে। চিকিৎসাৰ অংশৰূপে জিভাৰ একাংশ কাটি প্ৰতিস্থাপন কৰা হয় উৰুৰ পেশীৰে। সেই প্ৰতিস্থাপনৰ পাছত তেওঁৰ জিভালৈ অহা পৰিৱৰ্তনেই এতিয়া বিশেষ চৰ্চা লাভ কৰিছে।

আমেৰিকাৰ ক'ল'ৰাডোৰ বাসিন্দা কেমেৰ'ন নিউছম। এটি সন্তানৰ মাতৃগৰাকীয়ে বিগত কিছু বছৰ ধৰিয়ে জিভাৰ সমস্যাত ভুগিছিল। অৱশ্যে দুবাৰ বায়'প্সি কৰা সত্ত্বেও কৰ্কট ধৰা পৰা নাছিল। কোনো সাধাৰণ সংক্ৰমণ হোৱা বুলি চিকিৎসকসকলে ধাৰণা কৰিছিল। তাৰ বাবে তেওঁক এণ্টিবায়'টিক দিয়া হৈছিল, কিন্তু সম্প্ৰতি খোৱা আৰু কথা কোৱাটো কেমেৰ'নৰ সমস্যা হৈছিল। পৰৱৰ্তী সময়ত নাক-কাণ-ডিঙিৰ এজন বিশেষজ্ঞ চিকিৎসকে তেওঁৰ জিভাত কৰ্কট চিনাক্ত কৰে। ইয়াৰ পাছতে জনা যায় যে কৰ্কট চতুৰ্থ পৰ্যায়ত উপনীত হৈছে। লগে লগে তেওঁৰ কৰ্কটৰ চিকিৎসা আৰম্ভ হয়। কেম'থেৰাপী সফলভাৱে শেষ হোৱাৰ পাছত চিকিৎসকে মহিলাগৰাকীৰ জিভাৰ একাংশ কাটি টিউমাৰ আঁতৰোৱাৰ সিদ্ধান্ত লয়। সেই মতে জটিল অস্ত্ৰোপচাৰো সম্পন্ন হয়। তাৰেই অংশৰূপে মহিলাগৰাকীৰ জিভাৰ একাংশ প্ৰতিস্থাপিত কৰা হৈছিল উৰুৰ পেশীৰে। নতুন জিভাই লাহে লাহে শৰীৰৰ স'তে মিলি পৰিছে। তেওঁ পুনৰ কথা ক'ব পৰা হৈছে। খোৱা-বোৱাতো তেওঁৰ কোনো অসুবিধা নাই। অৱশ্যে ইয়াৰ পাছতো মহিলাগৰাকীৰ জিভালৈ এনে কিছু পৰিৱৰ্তন সম্প্ৰতি আহিছে, যাক লৈ তেওঁ নতুন চিন্তাত পৰিছে। কেমেৰ'নে সম্প্ৰতি লক্ষ্য কৰিছে যে তেওঁৰ জিভাৰ যি অংশ উৰুৰ পেশীৰে প্ৰতিস্থাপিত কৰা হৈছিল, সেই স্থান শুকান হৈ পৰিছে। আমেৰিকাৰ এক সংবাদ মাধ্যমৰ মতে, তেওঁৰ জিভাৰ সেই অংশত নোম গজিবলৈকো আৰম্ভ কৰিছে।

GRATITUDE TO
HON'BLE CHIEF MINISTER OF ASSAM
DR. HIMANTA BISWA SARMA



I, on behalf of the people of BTR, express my heartfelt gratitude to the Hon'ble Chief Minister of Assam Dr. Himanta Biswa Sarma for his noble initiative in the formation of the new administrative district Tamulpur to fulfill the aspirations of the people. People of BTR will remember this visionary step by a true leader of the masses.

- PRAMOD BORO
CEM, BTR

IPR(BTC)-675/2021
IPR, BTC

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com